# খাৰুপেটীয়া মহাবিদ্যালয়

# আলোচনী

পঞ্চম সংখ্যা

২০০৯-১০ বর্ষ



সম্পাদক- ৰফিকুল ইছলাম খান

# খাৰুপেটীয়া মহাবিদ্যালয়
# আলোচনী

পঞ্চম সংখ্যা

ইং ২০০৯-১০ চন

খাৰুপেটীয়া - ৭৮৪১১৫
দৰং ঃ অসম


সম্পাদক
মঃ ৰফিকুল ইছলাম খান

তত্ত্বাৱধায়ক
ড০ পৰিমল কুমাৰ দত্ত

**Kharupetia College Magazine:** **Volume V, 2009-10 Published by Kharupetia College Students' Union, Kharupetia, Darrang (Assam)**

## খাৰুপেটীয়া মহাবিদ্যালয় আলোচনী

### সম্পাদনা সমিতি

| | | |
|---|---|---|
| মুখ্য উপদেষ্টা | ঃ | নুৰুল ইছলাম, প্ৰাক্তন ভাৰপ্ৰাপ্ত অধ্যক্ষ |
| উপদেষ্টা মণ্ডলী | ঃ | দীপক কলিতা |
| | ঃ | কনকলতা শইকীয়া |
| | ঃ | আব্দুল কৰিম |
| | ঃ | হবিবুৰ ৰহমান |
| | ঃ | জালাল উদ্দিন আহমেদ |
| তত্ত্বাৱধায়ক | ঃ | ড০ পৰিমল কুমাৰ দত্ত |
| সম্পাদক | ঃ | ৰফিকুল ইছলাম খান |
| সদস্য / সদস্যা | ঃ | ড০ আছমান আৰা বেগম |
| | ঃ | আব্দুল আওৱাল |
| | ঃ | আব্দুৰ ৰহিম |
| | ঃ | জীৱেন্দ্ৰ মোহন দেৱ শৰ্মা |
| | ঃ | নুৰ জামান |
| | ঃ | ৰূপজ্যোতি প্ৰসাদ দত্ত |
| | ঃ | খন্দকাৰ দিলোৱাৰ হুছেইন |
| | ঃ | বাহাৰুল আমিন |
| | ঃ | মোজাম্মিল হক |
| ৰূপ সজ্জা | ঃ | জীৱেন্দ্ৰ মোহন দেৱশৰ্মা |
| আৰ্হিপাঠ | ঃ | কনকলতা শইকীয়া, জীৱেন্দ্ৰ মোহন দেৱ শৰ্মা |

অক্ষৰ বিন্যাস ঃ দিব্যজ্যোতি নাথ
ছপা ঃ পাৰামাউন্ট কম্পিউটাৰ চেণ্টাৰ, বৰদৌলগুৰি (দৰং)





## শ্ৰদ্ধাঞ্জলি



*যিসকল জাতীয় বীৰ শ্বহীদে নিজৰ জীৱন বলিদান দি আই মাতৃ অসমীৰ বুকুত চিৰকালৰ বাবে দৃঢ় পদক্ষেপ তথা চিহ্ন ৰাখি গ'ল সেইসকল পুণ্যাত্মাৰ পবিত্ৰ স্মৃতিত আমাৰ অশ্ৰুসিক্ত শ্ৰদ্ধাৰ অঞ্জলি নিবেদিলো।*

*- সম্পাদনা সমিতি*

# উচৰ্গা

মহাবিদ্যালয়ৰ আলোচনীখন ছাত্ৰ-ছাত্ৰীসকলৰ বাবে লেখক হিচাপে আত্মপ্ৰকাশৰ বাবে, জীৱন যোৱা নিৰলস সাধনাৰ এক পৰিবেশ ৰচনাৰ বাবে, এখন বাস্তৱ ক্ষেত্ৰ - য'ত সুপ্ত প্ৰতিভাবোৰ প্ৰতিভাত হৈ জিলিকি উঠাৰ প্ৰতিশ্ৰুতি বহন কৰে। সময়ৰ বিভিন্ন নেতিবাচক প্ৰত্যাহ্বানৰ পাছতো দেৰিকৈ হ'লেও আলোচনীখন প্ৰকাশৰ পূৰ্ণোদ্যম লৈ আলোচনী সম্পাদনা সমিতিয়ে সমূহ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ হাতত ২০০৯-১০ বৰ্ষৰ আলোচনীখন বহু প্ৰত্যাশাৰে উচৰ্গা কৰিলোঁ।

- সম্পাদনা সমিতি।






মহাবিদ্যালয়ৰ মাননীয় প্ৰাক্তন ভাৰপ্ৰাপ্ত অধ্যক্ষ

মহঃ নুৰুল ইছলাম

(ইং ১০-০৯-২০০৭—২৪-১১-২০১০)



মহাবিদ্যালয়ৰ বৰ্ত্তমানৰ মাননীয় ভাৰপ্ৰাপ্ত অধ্যক্ষ
শ্ৰীযুত দীপক কলিতা
(ইং ২৫-১১-২০১০ তাৰিখৰ পৰা)

# অশ্ৰু-অঞ্জলি



জন্ম ঃ ১৮ মে, ১৯৯০

মৃত্যু ঃ ১৩ অক্টোবৰ ২০১০

খাৰুপেটীয়া মহাবিদ্যালয়ৰ স্নাতক ১ম বৰ্ষ (কলা) ৰ ছাত্ৰ মঃ মফিদুল ইছলামে যোৱা ইং ১৩ অক্টোবৰ ২০১০ তাৰিখ বুধবাৰে আমাৰ মাজৰ পৰা চিৰ বিদায় মাগিলে। ইছলামে যোৱা ১৩-১০-২০১০ তাৰিখে সন্ধিয়া বিদ্যুৎ পৃষ্ট হৈ গুৰুতৰভাৱে অসুস্থ হয় আৰু তেওঁৰ মঙলদৈ অসামৰিক চিকিৎসালয়লৈ নিয়াৰ পথতেই মৃত্যুবৰণ কৰে।

দৰং জিলাৰ শিয়ালমাৰী মৌজাৰ অন্তৰ্গত ১ নং পুণিয়া গাঁৱত ইং ১৮-০৫-১৯৯০ তাৰিখে মফিদুলে জন্ম গ্ৰহণ কৰে। তেওঁ ১নং পুণিয়া নিবাসী সমাজসেৱক মঃ মুছলিমউদ্দিন আৰু আনোৱাৰা বেগমৰ দ্বিতীয় পুত্ৰ। জীৱনৰ মাথো ২০টা বসন্ত পাৰ নৌহওতেই নিষ্ঠুৰ নিয়তিৰ ৰোষত আঁতৰি যোৱা মফিদুল ইছলামৰ অকাল মৃত্যুত আমি খাৰুপেটীয়া মহাবিদ্যালয় পৰিয়ালবৰ্গই গভীৰ বেদনা অনুভৱ কৰিছো আৰু বিদেহী আত্মাৰ সদ্গতি কামনা কৰি পৰিয়ালবৰ্গলৈ সমবেদনা যাঁচিলো।

মফিদুল ইছলামৰ আত্মাই চিৰশান্তি লাভ কৰক।

– সম্পাদনা সমিতি

# অশ্ৰু-অঞ্জলি



জন্ম ঃ ১১ নবেম্বৰ, ১৯৮৭

মৃত্যু ঃ ২ ডিচেম্বৰ, ২০১০

খাৰুপেটীয়া মহাবিদ্যালয়ৰ উচ্চতৰ মাধ্যমিক ১ম বৰ্ষৰ (কলা শাখা)ৰ ছাত্ৰ মঃ শ্বাহজাহান আলী যোৱা ইং ২ ডিচেম্বৰ, ২০১০ তাৰিখ বৃহস্পতিবাৰে আমাৰ মাজৰ পৰা চিৰ বিদায় মাগিলে। আলীয়ে মটৰ চাইকেলেৰে গুৱাহাটীৰ পৰা ঘৰলৈ ওভতাৰ সময়ত খাৰুপেটীয়া মহাবিদ্যালয়ৰ সন্মুখত ৫২ নং ৰাষ্ট্ৰীয় ঘাইপথত তীব্ৰ গতিৰ ট্ৰাকত খুন্দা খাই গুৰুতৰভাৱে আহত হয়। আহত অৱস্থাত আলীক মঙলদৈ অসামৰিক চিকিৎসালয়লৈ নিয়া হয় আৰু উন্নত চিকিৎসাৰ বাবে গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত ভৰ্তি কৰোৱা হয় যদিও সেইদিনা ৰাতি ১০-৩০ বজাত মৃত্যু মুখত পৰে।

দৰং জিলাৰ শিয়ালমাৰী মৌজাৰ ১/২ নং বৰুৱাঝাৰ গাঁৱত ইং ১১ নৱেম্বৰ, ১৯৮৭ তাৰিখে শ্বাহ জাহান আলীয়ে জন্ম গ্ৰহণ কৰিছিল। তেওঁ আদৰ্শ খেতিয়ক আবুল কালাম আজাদ আৰু মিচেছ অজুফা খাতুনৰ একমাত্ৰ পুত্ৰ।

জীৱনৰ মাথোঁ ২৩ টা বসন্ত পাৰ কৰি নিষ্ঠুৰ নিয়তিৰ ৰোষত আঁতৰি যোৱা শ্বাহজাহান আলীৰ অকাল মৃত্যুত আমি খাৰুপেটীয়া মহাবিদ্যালয় পৰিয়াল বৰ্গ শোকস্তব্ধ হৈ পৰিছো আৰু তেওঁৰ আত্মাৰ সদ্‌গতি কামনা কৰি তেওঁৰ পৰিয়াল বৰ্গলৈ সমবেদনা যাঁচিলো। শ্বাহজাহান আলীৰ আত্মাই চিৰশান্তি লাভ কৰক। তাকে কামনা কৰিলো।

- সম্পাদনা সমিতি





सत्यमेव जयते

**Government of Assam**

Shri Phanindra Jidung, A.E.S.
Director of Higher Education, Assam,
Kahilipara, Guwahati-19

Date 20-01-2011

**MESSAGE**

It gives me immense pleasure to know that a magazine is going to be published by the Students' Union of Kharupetia College during the month of February, 2011.

Kharupetia College has contributed significantly towards the development of the overall personalities of its students who are the future citizens of out country.

I send my greetings and best wishes to the Students' Union, Editorial Board, students, faculty members and all the members of Kharupetia College to continue their college Magazine for the up-liftment and progress of the nation.

I wish all success of the Magazine.

20.01.11

(PHANINDRA JIDUNG)
Director of Higher Education, Assam,
Kahilipara, Guwahati-19.

**Abdul Mazid,** M.A., B.T.
**President,**
Governing Body,
Kharupetia College, Kharupetia

**Address ---------**
**Vill. : Morabhega**
P.O. : Bhakatpara, Darrang (Assam)
PIN - 784190
Mobile No. : 9859204579

Date : 4-10-10



## Message

It gives me immense pleasure to know that the Kharupetia College Magazine Sub- Committee is going to bring out its Souvenir this year in the name and style of " Kharupetia College Magazine " in the schedule time.

I do hope that under your editorship the Mouth piece of the College will come out success with the various valuable creative articles, poems etc. of both old and new writers from different angle.

At the end, I wish a splendid success of the Kharupetia College Magazine.

Abdul Mazid
President, Kharupetia College Governing Body





*Md. Ilias Ali,* M.L.A.
68, DALGAON LAC
MEMBER
EMPLOYMENT REVIEW COMMITTEE, A.L.A.
MEMBER
ASSAM MINORITIES DEVELOPMENT BOARD

Cottage No. 47, Old MLA Hostel,
Dispur - Guwahati - 781006
Ph. : 0361-2260586

P.O. Kharupetia-784115
Distt. Darrang - Assam
Ph. : 03713-254340
9435087777, 9435025208



## শুভেচ্ছাবাণী

খাৰুপেটীয়া মহাবিদ্যালয়ৰ পঞ্চম সংখ্যা আলোচনী প্ৰকাশ কৰিবলৈ লোৱাত মই বৰ আনন্দিত হৈছো । ছাত্ৰ - ছাত্ৰী সকলৰ লিখনি প্ৰকাশ কৰি তেওঁলোকক সাহিত্য, কলা-কৃষ্টিলৈ উৎসাহিত কৰা এক মাধ্যম হৈছে আলোচনী । আমাৰ সমাজৰ বহুতো লেখক লেখিকাৰ আত্ম প্ৰকাশ আলোচনীৰ মাধ্যমেৰেই প্ৰকাশ হয় । বিশেষ কৈ ছাত্ৰ - ছাত্ৰী সকলৰ সৃষ্টিশীল ৰচনা ৰাজিৰ সোৱাদ পাঠক সকলে আলোচনীৰ পাততেই পায় । আশাকৰো মহাবিদ্যালয় খনৰ সকলো শিক্ষক-কৰ্মচাৰী ও ছাত্ৰ - ছাত্ৰী সকলে ব্যক্তিগত চিন্তাধাৰা প্ৰকাশ কৰি পবিত্ৰ অনুষ্ঠানটি সুন্দৰ ৰূপ দিয়াৰ এক সবল জনমত গঢ় দিব ।

আলোচনী খনে খাৰুপেটীয়াৰ লগতে উত্তৰ পূৱ দৰঙৰ সাহিত্য সংস্কৃতিৰ উন্নয়নৰ ধ্বজা বাহক হওঁক তাকেই কামনা কৰো। -

( মঃ ইলিয়াছ আলী )
বিধায়ক
৬৮ নং দলগাওঁ বিধান সভা সমষ্টি
দিনাংক - ১৭ ডিচেম্বৰ ২০১০ ইং



# আলোচনী বিভাগৰ তত্ত্বাৱধায়কৰ কলমত....

মনত পৰি গ'ল বিখ্যাত লিখক আৰু গল্পকাৰ আৰ. কে. নাৰায়ণৰ কথা - "The gods grow jealous of too much contentment anywhere and they show their displeasure all of a sudden."

আমাৰ মহাবিদ্যালয়ৰ ক্ষেত্ৰত এয়াই সঁচা প্ৰমাণিত হ'ল। আকস্মিক দুৰ্যোগৰ কবালগ্ৰাসত সোণালী দিনবোৰ সাময়িকভাৱে ম্লান হৈ গৈছিল। ইয়াৰ মাজতেই অৱশেষত দেৰিকৈ হলেও খাৰুপেটীয়া মহাবিদ্যালয়ৰ ইংৰাজী ২০০৯-১০ চনৰ আলোচনীখন প্ৰকাশ পালে।

আলঙ্কাৰিক সম্ৰাট ভট্টদেৱে সাহিত্যসৃষ্টিৰ উপাদানবোৰ এনেদৰে উল্লেখ কৰিছে -

শক্তিনিৰ্পুণতা লোকশাস্ত্ৰকাব্যাদ্যৱেক্ষণাৎ।
কাব্যজ্ঞ শিক্ষয়াজ্যাস ইতি হেতুস্তদুড্ডৱে।

সাহিত্য সৃষ্টিৰ বাবে প্ৰয়োজন হৈছে- স্বাভাৱিক প্ৰতিভা, লোকশাস্ত্ৰ আৰু কাব্য-সাহিত্য প্ৰভৃতি নিৰীক্ষণৰ ফলত উৎপন্ন নৈপুণ্য আৰু সাহিত্য বিশেষজ্ঞৰ শিক্ষণৰ দ্বাৰা অনুশীলন। আমাৰ মহাবিদ্যালয়ৰ সাহিত্যনুৰাগী ছাত্ৰ-ছাত্ৰীসকলৰ বাবে মম্মট ভট্টৰ উক্তি প্ৰণিধানযোগ্য। লেখাসমূহৰ ক্ষেত্ৰত দেখা যায় যে ছাত্ৰ-ছাত্ৰীসকলে যথেষ্ট সম্ভাৱনাৰ ইঙ্গিত দিলেও সকলোৱে মানদণ্ড উন্নত নহয়। গতিকে যিখিনিত হাত ফুৰাই দিলে প্ৰকাশৰ বাট দেখে তেনে লেখা সমূহহে আলোচনীত প্ৰকাশ কৰা হৈছে। আলোচনীখনত বহু দোষ-ক্ৰুটি অজ্ঞাতভাৱে ৰৈ গৈছে খৰতকীয়াভাৱে প্ৰকাশৰ প্ৰস্তুতি কৰিবলগা হোৱাত। এই আলোচনীখনৰ প্ৰস্তুতি পৰ্বত ভাৰপ্ৰাপ্ত অধ্যক্ষৰ দায়িত্বত আছিল মঃ নুৰুল ইছলামদেৱ আৰু প্ৰকাশ কালত এই পদত আছে শ্ৰীদীপক কলিতা দেৱ। উভয়ৰ পৰা আলোচনী সম্পাদনা আৰু প্ৰকাশ সম্পৰ্কীয় সকলোক্ষেত্ৰত সহায় পোৱা গৈছে। আলোচনী সম্পাদনা সমিতিৰ সকলো সদস্যই সদায় পৰামৰ্শ আৰু সহায়তাৰ হাত প্ৰসাৰিত কৰিছে। আলোচনী বিভাগৰ সম্পাদক মঃ ৰফিকুল ইছলাম খানৰ নিষ্ঠা আৰু সক্ৰিয় ভূমিকা প্ৰশংসনীয়। তৰ্ক বিভাগৰ সম্পাদক মেহদী আলম ছিদ্দিক আৰু ছাত্ৰ মঃ আমানুল হক সকলো ক্ষেত্ৰতেই ছাঁৰ নিচিনাকৈ আলোচনী বিভাগৰ সম্পাদকৰ সৈতে লগ লাগি আছিল। অধ্যাপিকা শ্ৰীমতী কণকলতা শইকীয়া, শ্ৰীমতী অপৰাজিতা দেৱী, ড০ আছমান আৰা বেগম, অধ্যাপক মঃ আব্দুৰ ৰহিম, মঃ আব্দুল কৰিম, মঃ জালালউদ্দিন আহমেদ, মঃ আব্দুল আওৱাল, মঃ নুৰ জামান আৰু শ্ৰীৰূপজ্যোতি প্ৰসাদ দত্ত, গ্ৰন্থাগাৰিক শ্ৰীজীৱেন্দ্ৰ মোহন দেৱ শৰ্মা আৰু জ্যেষ্ঠ কেৰাণী খন্দকাৰ দিলোৱাৰ হুছেইনৰ সাৰ্বিক সহযোগিতাৰ ফলতেই এই আলোচনীখনে এটা কলেৱৰ লাভ কৰিলে। বৌদ্ধিক পৰিৱেশ সৃষ্টিত মহাবিদ্যালয়ৰ আলোচনী এখনৰ গুৰুত্ব অসীম। আমাৰ ক্ষুদ্ৰ প্ৰচেষ্টাই বিশালত্ব সৃষ্টি কৰিব পাৰে। Tennyson ৰ ভাষাৰে ক'ব লাগিলে -

Through the ages one increasing purpose runs.
And the thoughts of men.
Are widened with the process of the Sun.

সমাগত আৰু অনাগত ছাত্ৰ-ছাত্ৰীসকলৈ ৰবীন্দ্ৰনাথৰ ভাষাৰে কওঁ -

"আজিকে তোমাৰ অলিখিত নাম
আমৰা বেৰাই খুজি।
আগামী প্ৰাতেৰ শুকতাৰা মম
নেপথ্যে আছে বুঝি।"

Dr. Parimal Kumar Datta.
তত্ত্বাৱধায়ক







# সম্পাদকীয় কলম....

সম্পাদকীয় শিতানৰ পাতনিতে আমাক স্বাধীন দেশৰ নাগৰিকৰ পৰিচয় আনি দিয়া মহা পুণ্যাত্মা সকললৈ মোৰ সহস্ৰ প্ৰণাম নিবেদিছোঁ। যিসকল প্ৰয়াত আৰু জীৱিত ব্যক্তিৰ আপ্ৰাণ প্ৰচেষ্টাত দৰং জিলাৰ সংখ্যালঘু অধ্যুষিত অঞ্চল ৰূপে চিহ্নিত খাৰুপেটীয়াত এই মহান অনুষ্ঠানটি গঢ়ি উঠিছে সেই সকললৈ মোৰ প্ৰণিপাত যাচিছোঁ।

"সাহিত্য" হ'ল সমাজৰ এক বাস্তৱ দাপোন য'ত প্ৰতিফলিত হয় সমাজত সংঘটিত হৈ থকা বিভিন্ন ঘটনাৱলী। বিভিন্ন অনুসন্ধিৎসু মনৰ মাজত উকমুকনিৰ সৃষ্টি কৰা কেতবোৰ নানান ৰঙী শব্দ সম্ভাৰৰ সমষ্টি যেতিয়া কলমৰ আগেদি নিগৰি আহে তেতিয়াই সৃষ্টি হয় সাহিত্যৰ। সাহিত্যই একো একোটা জাতিক জাতীয় প্ৰতিনিধি হিচাপে সমসাময়িক পৰিঘটনাক গল্প, প্ৰবন্ধ, কবিতা আদি বেশভূষাৰে নিজৰ অস্তিত্বক প্ৰকাশ কৰে।

বৰ্তমান আমাৰ চৌদিশে কেৱল ক্ষমতাৰ অপ-ব্যৱহাৰ, দুৰ্নীতি, হত্যা, লুণ্ঠন, সংঘৰ্ষ বিভীষিকাময় পৰিৱেশ। এনে দুযোৰ্গৰ সময়ত আমিবোৰ যেন হৈ পৰিছো একো একোটি বাকহীন পুতলাত। যান্ত্ৰিকতা আৰু "নিউক্লিয়াছ" লাইফে আমাক ক্ৰমান্বয়ে পাৰম্পৰিক সহৃদয়তা, প্ৰেম, মানৱতা আদিৰ পৰা দূৰলৈ টানি নিছে। পশ্চিমীয়া সংস্কৃতিৰ পিছত আমিবোৰ মোহাচ্ছন্ন হৈ হেৰাই পেলাব ধৰিছো আমাৰ সতামপুৰুষীয়া ঐতিহ্য। আজিৰ নৱ প্ৰজন্মই ধেমেলীয়া ল'ৰালি কাল হেৰাই পেলাইছে নিজকে শ্ৰেষ্ঠতৰ কৰি তোলাৰ অঘোষিত প্ৰতিযোগিতাত। এনে এক জটিল সন্ধিক্ষণত আমি আটায়ে সজাগ হবৰ হ'ল। আমি জাগ্ৰত কৰিব লাগিব আমাৰ জাতীয় সত্ত্বাক তেহে ভৱিষ্যত প্ৰজন্মই আমাক সহানুভূতিৰে সুঁৱৰিব।

এনে উদ্দেশ্য শিৰোগত কৰিয়েই খাৰুপেটীয়া মহাবিদ্যালয়ে সাহিত্যৰ সমল হিচাপে আপোনালোকৰ হাতত এই আলোচনীখন তুলি ধৰাৰ অবিৰত প্ৰচেষ্টা অব্যাহত ৰাখিছে। এই মহাবিদ্যালয়ৰ বৃহৎ পৰিয়াল হিচাপে থকা পূজনীয় শিক্ষক, শিক্ষয়িত্ৰী, কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰী তথা শুভকাংক্ষীসকলৰ সৃষ্টিশীল মনৰ কল্পনা, আবেগ, অনুভূতি, অভিজ্ঞতা আদিক মননশীল আৰু ৰুচিসম্পন্নভাৱে বিভিন্ন ৰূপত প্ৰকাশ কৰাৰ প্ৰয়াস কৰা হৈছে। এই সকললোকৰ মাজতে হয়তো পাঠকে বিচাৰি পাব অনেক সাহিত্য সত্তাক। আশা আৰু কামনা হয়তো ইয়াৰে বহুতে নিজক সাহিত্য ক্ষেত্ৰৰ একোজন অবিৰত যোদ্ধা হিচাপে ভৱিষ্যতে প্ৰতিষ্ঠিত কৰিব পাৰিব। আলোচনীখনৰ কলেৱৰ তথা আনুসংগিক অসুবিধাৰ বাবে যিসকলৰ লিখনি সম্পাদনা সমিতিয়ে প্ৰকাশ কৰিব নোৱাৰিলে সেইসকলৰ প্ৰতি ক্ষমাপ্ৰাৰ্থী।

আলোচনী সম্পাদকৰূপে যোৱা ২৪।০৯।২০০৯ তাৰিখে যিসকল ছাত্ৰ-ছাত্ৰীয়ে মোক এই কঠিন আৰু গুৰুদায়িত্ব অৰ্পন কৰিলে সেই সকল ছাত্ৰ-ছাত্ৰীৰ প্ৰতি মোৰ অসীম কৃতজ্ঞতা জ্ঞাপন কৰিলো। আলোচনীখন প্ৰকাশ কৰাৰ ক্ষেত্ৰত প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে সহায় কৰাসকলৰ ওচৰত মই কৃতজ্ঞতা প্ৰকাশ কৰিলো। ইয়াত বৈ যোৱা ভুল-ভ্ৰান্তিৰ বাবে ক্ষমা বিচাৰিলোঁ।

আলোচনীখন সফলভাৱে সম্পাদনা কৰি উলিয়াবলৈ প্ৰতিটো দিশতে গঠনমূলক পৰামৰ্শ আগবঢ়োৱা মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ মহঃ নুৰুল ইছলাম ছাৰ, তত্বাৱধায়ক ড০ পৰিমল কুমাৰ দত্ত ছাৰ, শ্ৰীদীপক কলিতা ছাৰ লগতে পাণ্ডুলিপিসমূহ পুণৰীক্ষণ কৰি দিয়াৰ বাবে শিক্ষাগুৰু কনকলতা শইকীয়া বাইদেউ, ড০ আছমান আৰা বেগম বাইদেউ, শ্ৰীধনশ্ৰী শৰ্মা বাইদেউ, মিচিৰা পাৰবিন বাইদেউ, মহঃ আব্দুল আওৱাল ছাৰ, আব্দুৰ ৰহিম ছাৰ, আঃ মতিন ছাৰ, মিচেছ জাহিদা চুলতানা বাইদেউ, অপৰাজিদা দেৱী বাইদেউ, দিলোৱাৰ হুছেইন ছাৰ, ৰূপজ্যোতি প্ৰসাদ দত্ত ছাৰ আৰু জীৱেন্দ্ৰ মোহন দেৱ শৰ্মা ছাৰলৈ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

সম্পাদনা সমিতিৰ সমূহ উপদেষ্টা সদস্য সদস্যাৰ লগতে ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়া, বন্ধু-বান্ধৱী আবদিন, হাবিবা, মমতাজ, মিনু, মমী মমতাজ, ৰফিকুল (৩) তইবুৰ, জিয়াউৰ, ওমৰ ফাৰুক, শ্বৰিফউদ্দিন, আলী আহমেদ, হাইদৰ, বাবুল, মফিদুল, মুস্তাফিজুৰ, আঞ্জুমা আলম, বিল্লাল, ছোলেমান, চন্দ্ৰ কিশোৰ দাস, ৰূপেশ সাহা, সুশন্ত দাস লৈও ধন্যবাদ জ্ঞাপন কৰিলোঁ।

যিসকল লেখক-লেখিকাৰ দ্বাৰা আলোচনীখন সমৃদ্ধ হ'ল তেওঁলোকলৈ ধন্যবাদ জ্ঞাপন কৰিলোঁ। লগতে বিভিন্ন দিশত সহায় সহযোগ আগবঢ়োৱা বাবে মহিবুৰ ৰহমান দাদা, ছোলেমান হক দাদা, ভন্টি ৰুমেনা খানম, আকলিমা, তছলিমা আৰু ভাইটি আমানুল হকলৈ এই সুযোগতে ধন্যবাদ জ্ঞাপন কৰিলোঁ। কাৰ্যালয়ৰ তৰফৰ পৰা সহায় আগবঢ়োৱা সৰ্ব্বশ্ৰী শ্বহীদ আলী, আবু বক্কৰ ছিদ্দিক লগতে আলমিয়া, আব্দুচ ছামাদ, কিনান আলীলৈও ধন্যবাদ জ্ঞাপন কৰিলোঁ।

পাৰামাউন্ট কম্পিউটাৰ চেন্টাৰ, বৰদৌলগুৰিৰ স্বত্বাধিকাৰী সমন্বিতে কৰ্মীবৃন্দলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

"জয়তু খাৰুপেটীয়া মহাবিদ্যালয়
জয় আই অসম।"

মঃ ৰফিকুল ইছলাম খান
সম্পাদক





# সূচীপত্ৰ


** **প্ৰবন্ধৰ শিতান**

| | | |
|---|---|---|
| * নাৰী শিক্ষাৰ প্ৰয়োজনীয়তা | দীপশিখা কলিতা | ২২ |
| * প্ৰকৃত বন্ধু-বান্ধৱী কোন? | আহাদ আলী | ২৫ |
| * কেৰিয়াৰ নিৰ্বাচনৰ মুহূৰ্তত | ইসৰাত আফৰিণ খানম | ২৭ |
| * নবেঁল বিজেতা আৰবী সাহিত্যিক নাজিব মাহফুজ | এন. জামান | ২৯ |
| * মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ ধৰ্মীয় দৰ্শন | অপৰাজিতা দেৱী | ৩২ |
| * আহোম সকলৰ উৎসৱ-অনুষ্ঠানঃ মে-ডাম-মে-ফী | জালালউদ্দিন আহমেদ | ৩৫ |
| * জনতাৰ জ্যোতি জ্যোতিপ্ৰসাদ | ধনশ্ৰী শৰ্মা | ৩৮ |

** **গল্পৰ শিতান**

| | | |
|---|---|---|
| * প্ৰতাৰণা | আমানুল হক | ৪১ |
| * কুকুৰাই উমনি দিছিল হাঁহৰ কণী | ভক্তচন্দ্ৰ দাস | ৪৩ |
| * ধূপৰ সুবাস | কনকলতা শইকীয়া | ৪৫ |
| * যন্ত্ৰণা | খন্দকাৰ দিলোৱাৰ হুছেইন | ৪৯ |

** **কবিতাৰ শৰাই**

| | | |
|---|---|---|
| * অভিশপ্ত বিশ নবেম্বৰ | প্ৰণতি দত্ত | ৫২ |
| * শান্তি | আৰ্ছোফা নাছৰিণ | ৫৩ |
| * প্ৰেৰণা | ইনুমা চহৰীয়া | ৫৩ |
| * অভিশপ্ত সেই দিনটো | জিয়াউৰ ৰহমান | ৫৪ |
| * তোমালৈ মনত পৰে | ছাইফুল ইছলাম | ৫৫ |
| * আশা | সুপ্ৰিয়া ৰাণী ভৌমিক | ৫৫ |
| * বিচিত্ৰ পৃথিৱী | আবুবক্কৰ ছিদ্দিক | ৫৬ |
| * কথা আছিল তেওঁ ইয়ালৈ আহিব | তইবুৰ ৰহমান | ৫৭ |
| * এনাজৰী মৰমৰ | নাছৰিণ আখতাৰ আহমেদ | ৫৮ |
| * তুমি বাৰু কোন? | ফাতিমা বিবি | ৫৮ |
| * মানুহৰ মুখ | মিচিৰা পাৰবিন | ৫৯ |
| * দুদিনীয়া জীৱন | ছাদ্দাম হুছেইন | ৫৯ |

# সূচীপত্ৰ


** হিন্দী শিতান

মাঁ — স্বৈইখ আব্দুল্লাহ — ৬০

** স্মৃতি দৰ্পণ

* স্মৃতিৰ খিৰিকীৰে... — দীপক কলিতা — ৬২

** English Section

* My Mother — Sahina Mamtaz — 64
* Desire — Aklaakh Ahmed Ansari — 64

** আলোক চিত্ৰ — ৬৫-৬৮

* Believing in myself — Rupsand Ali — 69
* Mother — M.M. Jiaur Rahman — 69
* A dream of love — Sharifa Begum — 70
* Keep in heart — Mala Chakraborty — 70
* Disaster Management Mechanism — Dr. Kalidas Sarma — 71
* Let us know Rabindra Nath Tagore — Dr. Parimal Kumar Dutta — 83
* Just one minute — Abdur Rahim — 86
* The introduction of female education in Assam at college level — Jahida Sultana — 88

** ছাত্ৰ একতা সভাৰ প্ৰতিবেদনসমূহ — ৯১-১০০

** মহাবিদ্যালয় শিক্ষক-কৰ্মচাৰী সকলৰ তালিকা — ১০১

** ছাত্ৰ একতা সভা ২০০৯-১০ — ১০৪







Wind Mill - Holland
Photo - Rubul Hazarika

# নাৰী শিক্ষাৰ প্ৰয়োজনীয়তা

দীপশিখা কলিতা
স্নাতক, দ্বিতীয় বাৰ্ষিক

**আৰম্ভণি ঃ**

ভাৰতীয় দৰ্শনত নাৰী আৰু পুৰুষৰ সমান অধিকাৰ মানি আহিছে। উপনিষদত আছে 'সৰ্বংখলু ইদং ব্ৰহ্মা' গতিকে ইয়াত কোনো ভেদা-ভেদ নাই। পুৰুষ আৰু নাৰীৰ সমান অধিকাৰ আছে। ভাৰতীয় দৰ্শনত ভাৰতীয় শিক্ষাৰ ক্ষেত্ৰত এদিন প্ৰতিফলিত হৈছিল। সভ্যতাৰ উৰা লগ্নৰ পৰা ভাৰতীয় শিক্ষাৰ জয়যাত্ৰা আৰম্ভ হৈছিল মাজত তাৰ খনিক বা ক্ষণস্থায়ী গতিৰুদ্ধ হোৱা স্বত্বেও সেই যাত্ৰাৰ সফল চলমান গতি এতিয়াও বিদ্যমান। সেয়ে মহামানৱ মহাত্মা গান্ধীয়ে এই বিষয়ত কৈছিল যে "শিশু শিক্ষাৰ সমস্যা সমাধান কৰিবলৈ হ'লে নাৰী শিক্ষাৰ সমস্যা দূৰ কৰিব লাগিব। যেতিয়ালৈকে আমাৰ দেশত প্ৰকৃত মাতৃ শিক্ষয়িত্ৰীৰ সৃষ্টি নহয়, তেতিয়ালৈকে আমি যিমানেই স্কুলত শিক্ষা নিদিও লাগিলে, শিক্ষা ফলপ্ৰসূ হ'ব নোৱাৰে বুলি ক'বলৈ মই কুণ্ঠাবোধ নকৰো।" এই দীঘলীয়া যাত্ৰাত ভাৰতীয় শিক্ষাৰ যাত্ৰা পথত নাৰীৰ শিক্ষাৰ বিৰাট সংযোজন আছে। নাৰী শিক্ষাৰ এই গুৰুত্বপূৰ্ণ ভূমিকাৰ এটি চমু বৃত্তান্ত কৰলৈ ইয়াত চেষ্টা চলোৱা হৈছে। এই দীঘলীয়া নাৰী শিক্ষাৰ ইতিহাসক কেইটামান পৰ্য্যায়ত বিভক্ত কৰা হৈছে।

**বৈদিক যুগ ঃ**

প্ৰাচীন ভাৰতীয় বৈদিক যুগত স্ত্ৰী শিক্ষাৰ প্ৰচলন আছিল বুলি আমি ক'ব পাৰো, কিয়নো বৈদিক যুগত মহিলা পুৰুষৰ সমকক্ষ আছিল। বৈদিক আৰু উত্তৰ বৈদিক কালত স্ত্ৰী শিক্ষাৰ অগ্ৰগতিয়ে ভাৰতীয় শিক্ষাৰ ক্ষেত্ৰত এক বৰঙণি আগবঢ়ায়। পুৰুষৰ সমানে মহিলা সকলেও অবাধে আৰু সম-মৰ্যাদাৰে বৈদিক শিক্ষাৰ সুবিধা পোৱা হেতুকে বহুতো শিক্ষিত মহিলাৰ নাম পাব পাৰি। সেই যুগত মহিলাসকলক দুটা ভাগত বিভক্ত কৰা হৈছিল সদ্যোবধু আৰু ব্ৰহ্মবাদিনী। ব্ৰহ্মবাদিনীয়ে ইচ্ছানুসাৰে শিক্ষা-দীক্ষা গ্ৰহণ কৰিছিল। ব্ৰহ্মবাদিনী বা ঋষিকাসকলে বেদৰ মন্ত্ৰও ৰচনা কৰিছিল। শিক্ষাৰ প্ৰতি কিছু মনোভাৱ দেখুওৱা সেই সময়ত কিছু শিক্ষিতাৰ নাম যেনে- অপলা, লোপমুদ্ৰা, মৈত্ৰেয়ী, গাৰ্গী, লীলাৱতী, সাৱিত্ৰী, উৰ্ব্বশী ইত্যাদি। মৈত্ৰেয়ী আৰু গাৰ্গী আছিল বিখ্যাত দাৰ্শনিক আৰু লীলাৱতী আছিল গণিতজ্ঞ। তাৰোপৰি মহিলাসকলক নৃত্য-গীতৰ উপৰিও কলাত্মক বিষয়টোও গুৰুত্ব দিয়া হৈছিল।

**বৌদ্ধ যুগ ঃ**

বৌদ্ধ যুগত বৌদ্ধভিক্ষু আৰু ভিক্ষুণীসকলে সমপৰ্য্যায়ৰ শিক্ষা লাভ কৰিছিল, যদিও বিস্তৃত শিক্ষা বিস্তাৰ হোৱা নাছিল। ইন্দ্ৰিয় সম্ভোগৰ বিপৰীতে এক নিয়ন্ত্ৰিত শিক্ষাৰ পৰিবেশ গঢ় দি তুলিবলৈ বিচৰা বৌদ্ধ শিক্ষাই স্ত্ৰী-শিক্ষা অনুমোদন কৰা নাছিল আৰু মহিলাক সংঘত প্ৰৱেশ কৰিবলৈ নিদিছিল। ভগৱান বুদ্ধ আছিল নিজেই এজন স্ত্ৰী-শিক্ষাৰ ঘোৰ বিৰোধী আৰু তেওঁ সকলো নাৰীক বৌদ্ধিক আৰু সামাজিক ভাৱে পুৰুষতকৈ নিকৃষ্ট মানৱ বুলি বিৰোধিতা কৰিছিল। সেয়েহে সংঘত মহিলাসকলক দুজন শিক্ষকৰ দ্বাৰা মাহত দুবাৰকৈ আচুতীয়াভাৱে শিক্ষা দিয়াৰ ব্যৱস্থা কৰা হৈছিল। তথাপিতো সীমিত ভাৱে স্ত্ৰী-শিক্ষা বিকাশ লাভ কৰি উঠি কিছু কবি, সাহিত্যিক, শিক্ষক, দাৰ্শনিক আনকি ৰাজনীতিবিদ হিচাপে সৃষ্টি হৈছিল। ৰজা অশোকৰ ভগ্নী সংঘমিত্ৰাই বৌদ্ধধৰ্ম প্ৰচাৰৰ বাবে লংকালৈ গৈছিল আৰু শোভা, অনুপমা আৰু সুমেধাইও সমগ্ৰ জীৱন অধ্যয়নত কটাইছিল। শীলভট্টাৰিকা, প্ৰভুদেৱী আৰু বিজয়াংকা আছিল সেই সময়ৰ নাম কৰা সাহিত্যিক। নয়নিকা, প্ৰভাৱতী, গুপ্তা আৰু বদামী আছিল সেই সাহিত্যৰ লেখত লবলগীয়া।





**ইছলামীয় যুগ ঃ**

মধ্য যুগত ভাৰতৰ মহিলাসকলৰ শিক্ষাৰ দিশত সামাজিক সংকীৰ্ণতাৰ মনোভাৱ সাধাৰণভাৱে পৰিলক্ষিত হয়। সেইবাবে মুছলমান মহিলাসকলৰ শিক্ষা ব্যৱস্থাও এনে সংকীৰ্ণ মনোভাৱৰ বাবে সাধাৰণভাৱে ক্ষতিগ্ৰস্ত হৈ উঠিছিল। ছোৱালীসকলে আৰু মহিলাসকলে ঘৰৰ বাহিৰলৈ গৈ মুক্তভাৱে শিক্ষা গ্ৰহণ কৰাটো আছিল অসম্ভৱ। কাৰণ তেওঁলোকৰ মাজত পৰ্দা-প্ৰথাৰ প্ৰচলন আছিল। মুছলমানসকলৰ ৰজা আৰু উচ্চ বংশৰ পৰিয়ালৰ মাজত গৃহ শিক্ষক নিযুক্তিৰ ব্যৱস্থা গ্ৰহণ কৰিছিল। তুৰ্কী, আফগান ৰজা বা চুলতান সকলৰ ৰাজত্ব কালত চুলতানা ৰেজিয়াৰ নাম বিশেষ উল্লেখযোগ্য। ঠিক তেনেদৰে আৰু বহুতো মহিলাৰ নাম সাহিত্যৰ বুৰঞ্জীৰ পাতত পাব পাৰি। বাবৰৰ জীয়েক গুলবদন বেগমক মোগল যুগৰ প্ৰথম 'সাহিত্য ৰত্ন' স্বৰূপে জনা যায়। মহামতি আকবৰৰ দিনত বহুতো নাৰীয়েও অগ্ৰগতি লাভ কৰিছে। নুৰজাহান, মমতাজ, মহল, জেবুন্নিচা, জিন্নাৎ-উন্-নিচাও আদি মহিলা সকলৰ নাম সাহিত্যৰ বুৰঞ্জীৰ পাতত জিলিকি আছে।

**ব্ৰিটিছ যুগ ঃ**

ইষ্ট ইণ্ডিয়া কোম্পানীয়ে ভাৰতত বেহা-বেপাৰ কৰিবলৈ অহাৰ সময়ত ভাৰতীয় শিক্ষাৰ এটি নৱজাগৰণ হ'ল। তেখেতসকলৰ শাসন কালত গোটেই ভাৰতৰ বাবে এক শিক্ষা পদ্ধতি প্ৰচলন কৰাৰ বাবে আৰু শিক্ষা উন্নতিৰ বাবে কিছুমান গঠিত আয়োগৰ পৰামৰ্শ আৰু চনদৰ ধাৰা অনুসৰি নাৰী শিক্ষাৰ পথ প্ৰশস্ত হ'ল। ওৱাৰেণ হেষ্টিংছে আৰৱী, পাৰ্চী ভাষা আৰু আইন চৰ্চাৰ বাবে কলিকতাত এটা মাদ্ৰাছা স্থাপন কৰিছিল (১৭৮১ খ্ৰীষ্টাব্দ)। জোনাথান জনকানে ১৭৯২ খ্ৰীষ্টাব্দত বাৰাণসী সংস্কৃত কলেজ স্থাপন কৰিছিল। ১৮১৩ খ্ৰীষ্টাব্দৰ চনদ আইন মতে ৰাজহৰ এক লাখ টকা আচুতীয়াকৈ ৰখাৰ নিৰ্দেশ দিয়ে। ১৮৩৫ খ্ৰীষ্টাব্দত বেণ্টিংকৰ উদ্যোগত কলিকতাত মেডিকেল কলেজ হয়। ১৮৫৪ খ্ৰীষ্টাব্দৰ 'মেগ্ৰা-কাৰ্টাৰ' তথা প্ৰধান চনদৰ পৰামৰ্শসমূহ এনে ধৰণৰ- (১) কলিকতা, বোম্বাই আৰু মাদ্ৰাজত একোখনকৈ বিশ্ববিদ্যালয় স্থাপন, (২) চৰকাৰী শিক্ষা বিভাগ, (৩) শিক্ষকসকলৰ শিক্ষণ বিদ্যালয় স্থাপন, (৪) প্ৰাথমিক বিদ্যালয় আৰু ইংৰাজী বিদ্যালয় প্ৰতিষ্ঠা, (৫) বিদ্যালয় সমূহলৈ চৰকাৰী অনুদান, (৬) উচ্চ বিদ্যালয়সমূহত মাতৃভাষা, ইংৰাজী আৰু এটা ক্লাচিকেল ভাষা নাইবা ইংৰাজী আৰু পাৰ্চী ভাষাৰ প্ৰয়োজন, (৭) বৃত্তিমূলক শিক্ষাৰ বাবে বিদ্যালয় স্থাপন, (৮) স্ত্ৰী শিক্ষাৰ প্ৰসাৰ, (৯) শিক্ষিতসকলৰ বাবে কৰ্ম নিযুক্তি, (১০) ভাৰতীয় ভাষাৰ মৌলিক গ্ৰন্থ ৰচনাৰ বাবে উৎসাহ প্ৰদান, (১১) ইছলাম সকলৰ মাজত শিক্ষাৰ বিকাশ, (১২) জন-শিক্ষাৰ আয়োজন ইত্যাদি।

উজনি অসমৰ শদিয়াৰ বেপ্তিষ্ট মিছনেৰী সকলে ১৮৩৯ চনত সৰ্বপ্ৰথম প্ৰাথমিক স্কুল স্থাপন কৰিছিল। কুৰি শতিকাৰ দ্বিতীয় আৰু তৃতীয় দশকত অসমত ছোৱালী হাইস্কুল স্থাপিত হৈছিল। ১৯১৬ চনত ডিব্ৰুগড়ত অসমৰ প্ৰথম ছোৱালী হাইস্কুল, দ্বিতীয়তে ১৯২৬ চনত গুৱাহাটীত, তৃতীয়খন ধুবুৰীত আৰু চতুৰ্থখন যোৰহাটত স্থাপিত হৈছিল। ১৯০১ চনত কটন কলেজ, ১৯৩৩ চনত শ্বিলঙত সৰ্বপ্ৰথম ছোৱালীৰ লেডি কিন্ কলেজ আৰু ব্ৰহ্মপুত্ৰ উপত্যকাৰ ১৯৩৯ চনত গুৱাহাটীৰ ৰাধাকান্ত সন্দিকৈ কলেজ স্থাপিত হয়।

**স্বাধীন ভাৰত ঃ**

১৯৪৭ চনত ভাৰত স্বাধীন হ'ল আৰু শিক্ষাৰ প্ৰতিও সজাগ হৈ উঠিল। গণতান্ত্ৰিক ভাৰতৰ সংবিধানত স্ত্ৰী আৰু পুৰুষৰ মাজত কোনো বিভেদ ৰখা হোৱা নাই। স্বাধীনোত্তৰ কালছোৱাত অসমৰ মাধ্যমিক শিক্ষা আধুনিকীকৰণ কৰি তুলিবৰ বাবে বহু গুৰুত্বপূৰ্ণ ব্যৱস্থা গ্ৰহণ কৰা হয়। ইয়াৰ বাবে শিক্ষাৰ গুণগত মানদণ্ড উন্নত কৰি তোলা হয় আৰু শিক্ষা প্ৰশাসন ব্যৱস্থাৰো আমূল পৰিৱৰ্তন সাধন কৰা হয়। প্ৰয়োজনীয় আইন প্ৰণয়ন কৰি স্বায়ত্ব শাসিত শিক্ষা কৰ্তৃপক্ষ গঢ় দি তোলা হয় আৰু তাৰ যোগেদি স্কুলৰ শিক্ষা অধিক নিয়ন্ত্ৰিত কৰা হয়। সৰ্বভাৰতীয় ভিত্তিত গঠন কৰা মুডালিয়াৰ শিক্ষা আয়োগ, কোঠাৰী আয়োগ আৰু ৰাষ্ট্ৰীয় শিক্ষা নীতি আদিৰ পৰামৰ্শ আৰু সিদ্ধান্ত সমূহেও

অসমৰ মাধ্যমিক শিক্ষা বিকাশৰ গতি নিৰ্দ্ধাৰণ আৰু নিয়ন্ত্ৰণ কৰে।

স্বাধীন ভাৰতৰ ল'ৰাৰ শিক্ষিতৰ হাৰ-

| বৰ্ষ | ১৯৫১ | ১৯৬১ | ১৯৭১ | ১৯৮১ | ১৯৯১ | ২০০১ |
|---|---|---|---|---|---|---|
| শতকৰা হাৰ | ২৭.১৬ | ৪০.৪০ | ৪৫.৯৬ | ৫৬.৩৮ | ৬৪.১৩ | ৭৫.৮৫ |

ছোৱালীৰ শিক্ষিতৰ হাৰ-

| বৰ্ষ | ১৯৫১ | ১৯৬১ | ১৯৭১ | ১৯৮১ | ১৯৯১ | ২০০১ |
|---|---|---|---|---|---|---|
| শতকৰা হাৰ | ৮.৮৬ | ১৫.৩৫ | ২১.৯৭ | ২৯.৭৬ | ৩৯.২৯ | ৫৪.১৬ |

<u>নাৰী শিক্ষা প্ৰয়োজনীয়তাৰ ব্যৱস্থা</u> ঃ

১৯৬৭ চনত ৰাষ্ট্ৰসংঘই নৱম অনুচ্ছেদত উল্লেখ কৰিছে যে বিবাহিতা বা অবিবাহিতা সকলো নাৰীয়ে পুৰুষৰ সম-অধিকাৰ লাভ কৰাৰ ক্ষেত্ৰত পোৱা সুবিধা সমূহৰ বিষয়ে জ্ঞাত হ'ব লাগিব। যিকোনো স্তৰতেই শিক্ষামূলক সুবিধা পাব লাগিব আৰু বিশেষকৈ নিম্নলিখিত দিশসমূহৰ প্ৰয়োজনীয় ব্যৱস্থা পাব লাগিব।

ক) স্ত্ৰী-শিক্ষাৰ সম্প্ৰসাৰণৰ বাবে বিভিন্ন দিশৰ পৰা ব্যাপক প্ৰচাৰ কাৰ্যত আৰু জনমত গঠনত গুৰুত্ব দিব লাগিব।

খ) গ্ৰাম্য আৰু পিছপৰা অঞ্চলৰ নিৰক্ষৰ আৰু দৰিদ্ৰ মহিলা সকলৰ শিক্ষা আৰু শিশু-যতনৰ বাবে গ্ৰাম-সেৱিকা আৰু বাল সেৱিকা প্ৰশিক্ষণ ব্যৱস্থাত অধিক জোৰ দিব লাগে।

(গ) গ্ৰাম্য অঞ্চলত ছোৱালী সকলৰ বাবে অধিক পলিটেকনিক্ অনুষ্ঠান স্থাপন কৰিব লাগে আৰু এইসমূহত বৰ্তমান সময়ৰ প্ৰয়োজন পূৰণ কৰিব পৰা বিষয় শিক্ষাৰ ব্যৱস্থা কৰিব লাগে।

(ঘ) নগৰ অঞ্চলৰ শিক্ষিতা ছোৱালী সকলে অৰ্থনৈতিক দিশত স্বাৱলম্বিতা লাভ কৰি উঠিবৰ বাবে তেওঁলোকৰ কৰ্ম নিযুক্তি আৰু নিযুক্তিৰ সকলো সম্ভাৱনীয়তা উদ্ভাৱন কৰিব লাগে।

(ঙ) অসমৰ কুটিৰ শিল্প সমূহৰ সুসংগঠন কৰি তুলি মহিলা সকলৰ প্ৰয়োজনীয় কাৰিকৰী প্ৰশিক্ষণ আৰু আৰ্থিক সাহাৰ্য্য দানৰ দায়িত্ব চৰকাৰে গ্ৰহন কৰিব লাগে।

(চ) নগৰত অৱস্থিত উন্নত মানৰ স্কুল আৰু কলেজবোৰত ছাত্ৰীবাসৰ ব্যৱস্থা কৰি আৰু যিবোৰ অনুষ্ঠানত ইয়াৰ ব্যৱস্থা আছে তাত আসন বৃদ্ধি কৰি আৱাসিক ছাত্ৰীসকলৰ থকা খোৱাৰ সুবিধা কৰিব লাগে।

উপসংহাৰ ঃ স্ত্ৰী-শিক্ষাৰ সমস্যাৰ মূলতেই হৈছে এক সামাজিক সমস্যা। গনতান্ত্ৰিক সমাজ এখনত নাৰীৰ মৰ্যাদা বৃদ্ধি কৰি নাৰীয়ে নিজকে মানুহ হিচাপে প্ৰতিষ্ঠিত কৰিবলৈ হ'লে প্ৰত্যেক গৰাকী নাৰীয়ে উপযুক্ত শিক্ষা পাবই লাগিব। স্বাধীনোত্তৰ কালছোৱাত অসমত নাৰী শিক্ষাৰ অগ্ৰগতি আশাপ্ৰদ সম্ভাৱনীয়তাপূৰ্ণ বুলিব পৰা যায়। শেহতীয়া লোকপিয়লৰ হিচাব মতেও অসমৰ মহিলাৰ শিক্ষিতৰ হাৰ সৰ্বভাৰতীয় হাৰতকৈ উৰ্দ্ধত। প্ৰকৃততে এটা জাতিৰ অন্তৰাত্মাক আৱিস্কাৰ কৰিবলৈ হ'লে সেই জাতিটোৰ পুৰুষ সমাজখনৰ লগতে নাৰীৰ শৈক্ষিক, ৰাজনৈতিক, অৰ্থনৈতিক মৰ্যাদাৰ ওপৰত গুৰুত্ব দিব লাগিব।

■■





# প্ৰকৃত বন্ধু-বান্ধৱী কোন?

আহাদ আলী
স্নাতক ২য় বৰ্ষ

দুজন ব্যক্তিৰ মাজত গঢ়ি উঠা আত্মিক সম্বন্ধই জন্ম দিয়ে বন্ধু-বান্ধৱীক "বন্ধুত্ব" নামৰ মৰমৰ এনাজৰীৰে বন্ধা এক মিঠা সম্বন্ধ। যি বন্ধু-বান্ধবীয়ে বিনা স্বাৰ্থত আন আন বন্ধু-বান্ধবীক বিপদৰ পৰা উদ্ধাৰ কৰে। তাকহে প্ৰকৃত বন্ধু-বান্ধৱী বুলিব পাৰি। কিন্তু বৰ্তমান যুগত তেনে বন্ধু-বান্ধবী অতি তাকৰ।

পৃথিৱীৰ প্ৰতিজন মানুহৰেই কম-বেছি পৰিমানে বন্ধু-বান্ধৱী থাকেই। জীৱনৰ বাটত লগ পোৱা বিভিন্ন জনৰ লগত মই বন্ধুত্ব গঢ়িলো। কিন্তু যদিওঁ ইয়াৰ অধিকাংশই সমপৰ্যায়ৰ ধনৰ অভাৱত সময়ৰ সোঁতত হেৰাই যায়। আনবোৰ সম্বন্ধতকৈ বন্ধুত্বই আমাৰ জীৱনত অধিক প্ৰভাৱ পেলায়। এজন বন্ধু বা এগৰাকী বান্ধবীক মই ইমানেই বিশ্বাস কৰো যে তেওঁলোকৰ আগত মোৰ জীৱনৰ অতি গোপনীয় কথাবোৰ কবলৈ অলপো সংকোচ নকৰো। কাৰণ বন্ধু-বান্ধৱীৰ প্ৰতি থকা বিশ্বাসৰ বাবে মোৰ জীৱনৰ প্ৰতিটো ঘটনা কোনো লুক-ঢাক নকৰাকৈ তেওঁলোকৰ আগত মেলি দিওঁ। আন মানুহৰ লগত কাৰোবাৰ এজনৰ লগত বন্ধুত্ব স্থাপন হ'লে কেনেকুৱা ভাৱ জাগে। মই কব নোৱাৰিলেও কিছু কথা জানো, যেনেদৰে কেতিয়াবা কোনোবা এজনী ছোৱালী আৰু ল'ৰাৰ মাজত যেতিয়া বন্ধুত্ব গঢ়ি উঠে, তেতিয়া তেওঁলোকৰ মাজত প্ৰেমৰ সৃষ্টি হয়। তেনে বন্ধু বা বান্ধৱীক মই সমৰ্থন নকৰো। মোৰ লগত কোনোবা এজনৰ বন্ধুত্ব স্থাপন হ'লে সেই বন্ধু বা বান্ধৱীগৰাকী মোৰ ইমান আপোন হৈ পৰে যে তেওঁৰ সুখত মই সুখী তেওঁৰ দুখত মই দুখী হৈ পৰো।

মোৰ যিসকল বন্ধু-বান্ধৱী আছিল তেওঁলোকক মই বহুতো ধৰণৰ সহায়-সহযোগ কৰিছো। বিশেষকৈ মই বান্ধৱীসকলক সন্মানৰ চকুৰে চাওঁ। বান্ধবীসকলক মই কেতিয়াও অশালীন ব্যৱহাৰ নকৰো। কিন্তু আজিৰ সমাজত তেনেকুৱা মানুহ খুব কম। মই নাৰী সমাজক সন্মানৰ চকুৰে চাওঁ। কাৰণ নাৰী সমাজৰ পৰাই আমাৰ জন্ম হৈছে। বৰ্তমানৰ এগৰাকী শিক্ষিত নাৰী ভৱিষ্যতে এখন শিক্ষিত পৰিয়ালৰ শিক্ষয়িত্ৰী। এজন ল'ৰা মানুহক শিক্ষা দিয়া মানে এজন ব্যক্তিক শিক্ষা দিয়া। আনহাতে এগৰাকী নাৰীক শিক্ষাদান কৰা মানে সমগ্ৰ পৰিয়ালক শিক্ষিত কৰা। শিক্ষাবিদে কয় - শিক্ষিত নাৰী অবিহনে শিক্ষিত পুৰুষ হব নোৱাৰে (ৰাধাকৃষ্ণ)। কিন্তু বৰ পৰিতাপৰ বিষয় যে যুগ যুগ ধৰি চলি অহা সামাজিক লিঙ্গ বৈষম্যতাৰ প্ৰভাৱৰ ফলত আজি নাৰী জাতি চৰম নিৰ্যাতনৰ বলি হৈছে, ধৰ্ষিতা, অপমানিতা হৈছে, নিজৰ বন্ধু তথা পিতৃসম, পুত্ৰসম ব্যক্তিৰ হাতত। আনকি অকালতে মৃত্যুক সাৱটি লবলগীয়া হৈছে। হৰিণাৰ মাংসই বৈৰী, হোৱাৰ দৰে বান্ধৱীসকলৰ নিজৰ ৰূপ, সৌন্দৰ্য্যৰ বাবেই বন্ধুসকলৰ হাতত নিৰ্যাতনৰ বলি হবলগীয়া হৈছে। আৰু অনুৰোধ কৰো যাতে আমাৰ বান্ধৱীসকলেওঁ সাৱধানে সতৰ্কতাৰে থাকে তাৰ বাবে আমি বিনম্ৰ অনুৰোধ কৰো। বন্ধুসকলকো কওঁ যে আমাৰ বান্ধৱীসকলক অসৎ, অপমান আৰু মহান মানৱ জাতিৰ কলংক যাতে নকৰে বা নহয়। আমাৰ বান্ধৱী সকলক মাতৃসম, বুলি যদি এবাৰ ভাৱো তেনেহলেই আমাৰ সমাজখন কু-সংস্কাৰৰ পৰা এক কিঞ্চিত হলেওঁ কমিব।

এতিয়া মোৰ জীৱনলৈ অহা আনন্দ বা দুখৰ প্ৰতিটো মূহূৰ্তত মই মোৰ বন্ধু-বান্ধবীক কাষত বিচাৰো। আনন্দৰ সময়ত বন্ধু-বান্ধৱী সকল কাষত থাকিলে সঁচাকৈ মোৰ আনন্দ যে দুগুণ হৈ পৰে। আনহাতে দুখৰ সময়ত লগত থাকিলে মোৰ দুখ-পাতল হোৱাত সহায় কৰে। সেয়েহে

আমাৰ প্ৰত্যেকৰ জীৱনত এজন প্ৰকৃত বান্ধবী বা বন্ধুৰ প্ৰয়োজন। কিন্তু দুৰ্ভাগ্যৰ কথা যে মোৰ লগত যিসকলৰ বন্ধুত্ব সমাপন হৈছিল সেই সকলক প্ৰকৃত বন্ধু-বান্ধৱী বুলিব নোৱাৰো, তেওঁলোকৰ ব্যৱহাৰ তথা আচৰণ মোৰ নিচিনা নহয়, তেওঁলোক যেন স্বাৰ্থলোভী আৰু কু-কাৰ্য্যৰ প্ৰতি আসক্ত। যিয়েই নহওক কিয় প্ৰকৃত বন্ধু-বান্ধৱীয়ে আমাক অনাবিল আনন্দ উপহাৰ দিয়াৰ দৰেই কেতিয়াবা চৰম দুখ দিব পাৰে আৰু বন্ধু-বান্ধৱীৰ প্ৰতাৰণাই হৃদয় ভাগি থান-বান কৰিব পাৰে। বন্ধু-বান্ধৱীৰ পৰা পোৱা দুখৰ বোজাটো কঢ়িওৱা মোৰ বাবে হৈ পৰে অসহনীয়। মোৰ প্ৰতি বিশ্বাসী বন্ধু-বান্ধৱীজনে যেতিয়া তেওঁৰ জীৱনৰ অতি আনন্দৰ মুহূৰ্তত মোক পাহৰি যায় তেতিয়া বন্ধু-বান্ধৱীৰ পৰা পোৱা এনে আঘাতে হৃদয়ত ধুমুহাৰ সৃষ্টি কৰে। মোক দিশহাৰা কৰি তুলিব পাৰে। নতুবা জীৱনৰ গতিপথ সলনি কৰিব পাৰে। আনবোৰতকৈ বন্ধুত্বৰ সম্বন্ধ অধিক প্ৰকট হোৱাৰ বাবেই ইয়াৰ পৰা পোৱা বিষাদো গধূৰ হয়। কাৰণ বন্ধু-বান্ধৱীজনক যে মই নিৰ্বাচন কৰি লৈছো আৰু হৃদয়েৰে তেওঁৰ লগত বান্ধ খাই পৰিছো। সেইবাবে বন্ধু-বান্ধৱীজনে মোক আঘাত দিলে তাক সহ্য কৰা বৰ টান হৈ পৰে।

এজন বন্ধু-বান্ধৱীৰ বিশ্বাস-ঘাতকতাই মোৰ বন্ধুত্বৰ সম্বন্ধৰ প্ৰতিয়েই সন্দিহান কৰি তোলে আৰু পুনৰ এনে সম্বন্ধ আন এজনৰ লগত গঢ়িবলৈ মোৰ হৃদয়ে মোক অনুমতি নিদিয়ে। কাৰণ যদি পুনৰ আঘাত পাওঁ। আনহাতে এজন বন্ধু-বান্ধৱীৰ শত্ৰুতা হব পাৰে ভয়াবহ। ইয়াৰ কাৰণ হ'ল বন্ধু-বান্ধৱীজনে মোৰ জীৱনৰ প্ৰতিটো গোপন কথা জানে আৰু মোৰ দুৰ্বলতাখিনিওঁ তেওঁৰ জ্ঞাত। সেয়েহে অতি সহজেই তেওঁ মোক বিপদত পেলাব পাৰে।

বন্ধুত্ব এক মধুৰ সম্বন্ধ। এই সম্বন্ধই দুজন ব্যক্তিক হৃদয়ৰ কাষ চপাই আনিব পাৰে। এজন বন্ধু-বান্ধৱীৰ প্ৰেৰণাই কাৰোবাক নৱ-জীৱন দিব পাৰে। কিন্তু বিশ্বাসঘাতকতাই এই পবিত্ৰ সম্বন্ধক কলংকিত কৰিবও পাৰে। সেয়েহে সকলোৰে যত্ন কৰা উচিত যাতে বন্ধুত্বৰ সম্বন্ধ সদায় চিৰ সেউজ আৰু অমৰ হয়। কিন্তু এজন প্ৰকৃত বন্ধুৰ মৰমৰ উম বিচাৰি পোৱাটো ইমান সহজ নহয়।

গতিকে সাৱধান, বন্ধুত্ব স্থাপন কৰাৰ আগতে ভাবি-চিন্তি কৰিব (অচিন কাঠৰ থোৱা নলগাব)। যাৰ তাৰ লগত বন্ধুত্ব স্থাপন নকৰিব। আনহাতে বৰ্তমান যুগত প্ৰকৃত বন্ধুকো নিজৰ আত্মাৰ অতি গোপনীয় সত্য কথা প্ৰকাশ নকৰিব। কাৰণ মই বিপদত পৰিছিলো। প্ৰকৃত বন্ধু-বান্ধৱীৰ লগত কথা পাতিবলৈ হ'লে কেতিয়াও অনৰ্থক (বাজে কথা) কথা নকব। এৰিষ্টটলে কৈছে - যি কথা ক'লে তোমাৰ বা আনৰ একো উপকাৰ নহয় তেনে কথা নকব। তুচ্ছ অৰ্থহীন কথা কৈ সময় নষ্ট নকৰিব।

====

## মহৎ লোকৰ বাণী

(ক) সৎ কৰ্মৰ অবিহনে মানুহে কেতিয়াও জীৱনত সুখী হ'ব নোৱাৰে। - তৰুণ ৰাম ফুকন।

(খ) পঢ়নৰ পৰা দুৰৈৰ মাণিক হাততে পোৱা যায়। - সত্যনাথ বৰা।

(গ) হতাশাক প্ৰশ্ৰয় নিদিবা, এবাৰ প্ৰশ্ৰয় দিলেই শৰীৰৰ ই এটি অংগ হৈ পৰিব। - ছিদনী স্মিথ।

(ঘ) পাপীয়ে নিজৰ ৰূপ উদং হ'ব বুলি পোহৰক ভয় কৰে। - যীশুখ্ৰীষ্ট।

(ঙ) প্ৰেম হ'ল স্বৰ্গৰ দৰে, কিন্তু ই নৰকৰ দৰেও আঘাত দিব পাৰে। - মহাত্মা গান্ধী।

সংগ্ৰাহক ঃ মিচ ছাবিকুন নাহাৰ
স্নাতক প্ৰথম বৰ্ষ (কলা)





# কেৰিয়াৰ নিৰ্বাচনৰ মুহূৰ্তত

ইসৰাত আফৰিণ খানম
স্নাতক প্ৰথম বৰ্ষ

উচ্চ আৰু উচ্চতৰ মাধ্যমিক বা স্নাতক পৰীক্ষাৰ ফলাফল ঘোষণাৰ পাছতেই ছাত্ৰ-ছাত্ৰীসকলৰ মাজত সঘনাই যিটো প্ৰশ্নৰ আলোচনা হয় সেইটো হ'ল 'মই এতিয়া কি পঢ়িম'? কাৰোবাৰ বাবে প্ৰশ্নটো তেনেই সাধাৰণ যেন লাগিব পাৰে, কিন্তু যিসকল ছাত্ৰ-ছাত্ৰী শিক্ষানুৰাগী আৰু যিসকলে আনুষ্ঠানিক শিক্ষাৰ যোগেদিয়েই ভৱিষ্যতৰ জীৱন নিৰ্বাহৰ কথা ভাবিছে, তেওঁলোকৰ বাবে ই এটা গভীৰভাৱে বিবেচনা কৰি চাবলগীয়া প্ৰশ্ন।

বৰ্তমান যুগটো হ'ল প্ৰতিযোগিতাৰ যুগ। এই প্ৰতিযোগিতাৰ যুগত ছাত্ৰ-ছাত্ৰীসকলে যদি আগতীয়াকৈ তেওঁলোকৰ কৰ্মজীৱন বা কেৰিয়াৰৰ পৰিকল্পনা নকৰে তেনেহ'লে পাছলৈ যথেষ্ট বাধাৰ সন্মুখীন হোৱা দেখা যায়। এটা সময় আছিল যেতিয়া সাধাৰণ মেট্ৰিক বা স্নাতক এজনেই অতি সহজে যিকোনো ক্ষেত্ৰত সংস্থাপন লাভ কৰিব পাৰিছিল। এতিয়া আৰু সেই যুগ নাই। এতিয়া প্ৰথা বহিৰ্ভূত (un-con-ventional) কৰ্ম সংস্থাপনৰ সুযোগ ওলাইছে বেছি।

কিন্তু এটা সঠিক কেৰিয়াৰ নিৰ্বাচন কৰা জানো সহজ? সাধাৰণতে দেখা যায় কেৰিয়াৰ এটা নিৰ্বাচনৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীৰ মাক-দেউতাক-অভিভাৱকৰ সিদ্ধান্ত, বন্ধু-বান্ধৱে নিৰ্বাচন কৰা কেৰিয়াৰে প্ৰচুৰ প্ৰভাৱ বিস্তাৰ কৰে। ফলস্বৰূপে ছাত্ৰ-ছাত্ৰীৰ কৰ্মক্ষমতা তথা তেওঁৰ চৰিত্ৰত থকা বিশেষ লক্ষণবোৰ ক'ৰবাতে থাকি যায়। চিকিৎসক হবলৈ উপযুক্তজন হয়তো হয়গৈ দৰ্শনৰ অধ্যাপক। তেনেদৰে চিত্ৰকৰ হ'বলৈ প্ৰতিভা থকাজনে হয়তো যোগ দিয়েগৈ সেনাবাহিনীত বা সাংবাদিক হ'বলৈ খোজাজন হয়গৈ মেডিকেল ৰিপ্ৰেজেন্টটেটিভ্। ঠিক তেনেকৈ এগৰাকী সফল ইঞ্জিনিয়াৰ হ'বলৈ সকলোবোৰ গুন তথা দক্ষতা থকা এগৰাকী ছাত্ৰীয়ে কেৱল ছোৱালী কাৰণেই হোম ছায়েন্স পঢ়াৰ যুক্তি যুক্ততা ক'ত?

ছাত্ৰ-ছাত্ৰীৰ লগতে মাক-দেউতাক অভিভাৱকেও তেওঁলোকৰ সন্তানক লৈ বহু সপোন দেখে। এনে অৱস্থাত বহুক্ষেত্ৰত মাক-দেউতাক আৰু সন্তানৰ মাজত সংঘাতৰো সৃষ্টি হয়। ফলত ছাত্ৰ-ছাত্ৰী গৰাকীয়ে সমৰ্থ আৰু পছন্দ অনুযায়ী কোনো পাঠ্যক্ৰম গ্ৰহণ কৰিব নোৱাৰে। মাক-দেউতাক-অভিভাৱকৰো পৰিকল্পনা অসাৰ হৈ পৰে। সেয়ে এনে অৱস্থাতে অত্যন্ত জৰুৰীভাৱে প্ৰয়োজন হৈ পৰে কেৰিয়াৰ পৰিকল্পনাৰ (career planning)। এনে অৱস্থাৰ উদ্ভৱ নহ'বৰ বাবেই মাক-দেউতাক-অভিভাৱকসকলে ছাত্ৰ-ছাত্ৰীক স্কুলীয়া জীৱনৰ পৰাই গুৰুত্ব দিব লাগে। ছাত্ৰ-ছাত্ৰীৰ লগত আলোচনা কৰি তেওঁলোকক বুজি পোৱা, তেওঁলোকৰ পচন্দ-অপচন্দৰ উমান লোৱাৰ লগতে তেওঁলোকৰ কৰ্মদক্ষতাৰ বিষয়ে বুজি সেইমতে ভৱিষ্যৎ কৰ্মপন্থা নিৰ্ণয় কৰিব লাগে। এইক্ষেত্ৰত মাক-দেউতাক ছাত্ৰ-ছাত্ৰীৰ বন্ধুৰ দৰে হৈ পৰা আৱশ্যক। অৱশ্যে ছাত্ৰ-ছাত্ৰীৰ কৰ্মদক্ষতা আৰু কিছু পৰিমাণে তেওঁলোকৰ অধ্যাৱসায়ৰ কথাত এই ক্ষেত্ৰত উলাই কৰিব নোৱাৰি।

কেৰিয়াৰৰ (career) আভিধানিক অৰ্থ হ'ল - A profession affording opportunities of advancement. অৰ্থাৎ কেৱল কৰ্মজীৱনৰ ধাৰা বা উন্নতিয়েই নহয়, কেৰিয়াৰ হ'ল বৃত্তি, যিয়ে উন্নতিৰ সুযোগ আৰু পৰিবেশৰ গঢ় দিয়ে।

বৰ্তমান দেশৰ অৰ্থনৈতিক আৰু প্ৰযুক্তিৰ বিকাশৰ লগে লগে নন কেৰিয়াৰৰো সম্ভাৱনা মুকলি হৈছে। ইণ্ডাষ্ট্ৰিয়েল ছেফ্টি মেনেজমেন্ট, ফোন টেকন'লজি, স্পেছিয়েল এফেক্ট ইন ভিডিঅ' এডিটিং কোম্পানী

ছেত্ৰেটাৰী আদিৰ দৰে বহু সম্ভাৱনাময় জীৱিকাৰ বিষয়ে আমাৰ বহু অভিভাৱকে নাজানে বা জানিলেও গুৰুত্ব দিব নোখোজে। ফলস্বৰূপে আজিও আমাৰ ছাত্ৰ-ছাত্ৰীসকল গতানুগতিক বৃত্তিসমূহক লৈয়ে ব্যস্ত থকা দেখা যায়।

কেৰিয়াৰ এটা নিৰ্বাচন কৰাৰ আগতে এগৰাকী ছাত্ৰ বা ছাত্ৰীয়ে কেইটামান মৌলিক প্ৰশ্নৰ উত্তৰ নিজকে দিব পাৰিব লাগিব। যেনে -

- ছাত্ৰ হিচাপে মই কোন স্তৰৰ ছাত্ৰ?
- পৰীক্ষাত মই কেনেধৰণৰ ফল দেখুওৱাৰ সম্ভাৱনা?
- মোৰ গুণ আৰু ক্ষমতা (abilities) সমূহ কি কি?
- মই কি কৰি ভাল পাওঁ?
- এটা সংস্থাপনৰ পৰা মই কি বিচাৰো?

নিজকে ভালদৰে চিনি পোৱাৰ পিছত ছাত্ৰ-ছাত্ৰীয়ে বিভিন্ন কিতাপ-পত্ৰ, বিভিন্ন বাতৰিকাকত, আলোচনীত প্ৰকাশিত 'কেৰিয়াৰ ইনফৰমেছন'বোৰ নিয়মিত পঢ়ি, বিভিন্ন কৰ্মক্ষেত্ৰত অভিজ্ঞতা থকা ব্যক্তিৰ লগত আলোচনা কৰি ল'লে কেৰিয়াৰ নিৰ্বাচনৰ জটিল প্ৰসংগটো ক্ৰমাৎ সহজ হৈ পৰে। গতিকে কেৰিয়াৰ নিৰ্বাচনত ছাত্ৰ-ছাত্ৰী-অভিভাৱকসকলে খৰ-খেদা কৰা উচিত নহয়। নিজকে চিনি নিজকে বুজি ধীৰে-সুস্থিৰে কিন্তু দৃঢ়তাৰে আগবঢ়াহে উচিত।

কেৰিয়াৰ কাউন্সেলিঙৰ প্ৰতিষ্ঠানসমূহেও কেৰিয়াৰ নিৰ্বাচনৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীসকলক যথেষ্ঠ সহায় কৰে। এক নিদিষ্ট মাচুলৰ বিনিময়ত এই সংস্থানসমূহে কোনো এক নিৰ্দিষ্ট পাঠ্যক্ৰম বা বৃত্তিৰ যাৱতীয় তথ্যাদি যোগাৰ কৰি দিয়ে। ভাৰতৰ বিভিন্ন চহৰৰ উপৰি অসমৰো গুৱাহাটী, নগাওঁ, যোৰহাট আদিত কেইবাটাও এনে কেৰিয়াৰ কাউন্সেলিঙৰ প্ৰতিষ্ঠান আছে। ■■

## মহৎ লোকৰ বাণী

(ক) হিংসা এনে পাপ যি পাপৰ প্ৰায়শ্চিত নাই। - হজৰত মোঃ স্বাঃ।
(খ) মানুহৰ হাতত অহিংসা শক্তিয়েই সৰ্ব্বশ্ৰেষ্ঠ শক্তি। - মহাত্মা গান্ধী।
(গ) শিক্ষক এডাল মমবাতিৰ নিচিনা যি নিজে জ্বলি আনকো পোহৰ দিয়ে। - নেতাজী।
(ঘ) এশজন শিক্ষকে কৰিব নোৱাৰা কাম এগৰাকী আদৰ্শ মাতৃয়ে অকলেই কৰিব পাৰে। - জন হৱাৰ্ট।
(ঙ) অন্তৰ পবিত্ৰ নহ'লে ইন্দ্ৰিয় সংযম কৰিব নোৱাৰি। - গান্ধীজী।
(চ) ভুল আঁতৰাই শুদ্ধ প্ৰতিষ্ঠা কৰাটোৱেই শিক্ষাৰ মূল লক্ষ্য। - মহাত্মা গান্ধী।
(ছ) তুমি আনক অন্যায় নকৰিবা তোমাকো আনে অন্যায় নকৰে। - যীশুখ্ৰীষ্ট।
(জ) একাগ্ৰতা থাকিলে অন্তৰৰ বাসনা সদায় সফল হয়। - মহাত্মা গান্ধী।
(ঝ) কেৱল খাই বৈ জীয়াই থকাটোৱেই জীৱন নহয়। জ্ঞান আহৰণ কৰি মানসিক শক্তিৰ বিকাশ ঘটোৱাই জীৱন। - চক্ৰেটিছ।
(ঞ) অহংকাৰী মানুহ কুকুৰাৰ দৰে কিয়নো কুকুৰাই ভাবে সি ডাক দিয়া বাবেহে ৰাতি পুৱায়। - জৰ্জ হনিয়ট।
(ট) মূৰ্খ আৰু অজ্ঞানীয়ে সত্য কি বস্তু নাজানে। - বুদ্ধদেৱ।
(ঠ) যাৰ দুই চকু কুটিল তেওঁ অন্ধ নহয়। যি নিজৰ দোষ ঢাকি আনৰ দোষ দেখে তেওঁহে প্ৰকৃত অন্ধ। - এম. কে. গান্ধী।
(ড) কোনো কাৰণতেই সত্যক ত্যাগ কৰিব নোৱাৰি। অথচ সত্যক ৰক্ষা কৰিবলৈ সকলো ত্যাগ কৰিব পাৰি। - বিবেকানন্দ।

সংগ্ৰাহক ঃ মঃ জিয়াউদ্দিন আলী আহমেদ
স্নাতক প্ৰথম বৰ্ষ (কলা)





# নবেঁল বিজেতা আৰবী সাহিত্যিক নাজিব মাহফুজ ঃ এক আলোকপাত

এন. জামান
সহকাৰী অধ্যাপক, আৰবী বিভাগ

বিংশ শতিকাত বিস্ময়জনক সৃষ্টিৰে আৰবী সাহিত্যত চমকপ্ৰদ অভিনৱত্ব আনি, পৰম্পৰাগত আবেষ্টনীৰ পৰা ওলাই আহি, সংশয় আৰু অনিশ্চয়তাৰ মেৰপাক ভাঙি মানৱ জীৱনক নতুন দৃষ্টিভংগীৰে চোৱাৰ প্ৰয়াসেৰে অগ্ৰসৰ হোৱা লেখকসকলৰ অন্যতম হ'ল বহু চৰ্চিত আৰু বহু পঠিত আৰব ঔপন্যাসিক নাজব মাহফুজ।

সাম্প্ৰতিক পৃথিৱীৰ সভ্যতা সংস্কৃতিলৈ নামি অহা বিপৰ্যয়, বিশ্বায়নৰ প্ৰভাৱ, আধুনিক সভ্যতাৰ লগত পুৰণিৰ সংঘাত, প্ৰথম আৰু দ্বিতীয় বিশ্বযুদ্ধৰ ফলত উদ্ভুত মূল্যবোধৰ অৱক্ষয়, যান্ত্ৰিকতা, মানৱজীৱনৰ অৰ্থহীনতা, দৰিদ্ৰতা, দুৰ্নীতি, নৈতিকতা বিহীন ক্ষয়িষ্ণু সমাজৰ স্থিৰ চিত্ৰ তেওঁৰ লিখনিৰ উপজীৱ্য। ১৯১২ চনত কাইৰো মহানগৰৰ এটি মধ্যবিত্ত পৰিয়ালত নাজিব মাহফুজৰ জন্ম হয়। প্ৰথমাৱস্থাত পৰিয়ালটোৱে কাইৰো নগৰৰ ঘনবসতিপূৰ্ণ আল জামিলিয়া নামে ঠাইত বাস কৰে। ১৯১৮ চনত তেওঁলোকে আল জামিলিয়া এৰি নতুন কাইৰো চহৰৰ আব্বাছিয়া নামৰ ঠাইলৈ গুছি যায়। তাত মাহফুজে নতুন স্কুলত নামভৰ্ত্তি কৰে যদিও নিজৰ জন্মস্থান আল জামালিয়াৰ ঘন বসতি, মানুহৰ জীৱন প্ৰকৃতি আৰু সমাজৰ অৱহেলিত শ্ৰেণীৰ নিদাৰুণ দৰিদ্ৰতাই মাহফুজৰ শিশু মনক গভীৰভাৱে প্ৰভাৱিত কৰে। পৰিয়ালৰ নুমলীয়া হোৱা হেতুকে নিজৰ ইচ্ছানুযায়ী সুবিধা গ্ৰহণ কৰাত তেওঁ কোনো বাধাৰ সন্মুখীন হোৱা নাছিল। আনকি বিশ্ববিদ্যালয়ত দৰ্শন বিষয়টো অধ্যয়নৰ বাবে নিৰ্বাচন কৰোতে পৰিয়ালৰ কোনো সদস্যই আপত্তি কৰা নাছিল।

উত্তেজনাময় ৰাজনৈতিক বাতাবৰণৰ মাজত ডাঙৰ-দীঘল হোৱা নাজিব মাহফুজৰ জীৱনত ১৯১৯ চনৰ বিপ্লৱে গভীৰ সাঁচ বহুৱাইছিল। "There is no escape from politics, it is like air" ৰাজনীতিৰ পৰা নিস্তাৰ নাই ই বতাহৰ দৰে ঘূৰি ফুৰে। তেওঁৰ গল্পৰ এটা চৰিত্ৰই এইদৰে ব্যক্ত কৰিছে। সাধাৰণ মানুহৰ জীৱনৰ লগত সম্পৃক্ত ৰাজনীতি তেওঁৰ লিখনিৰ এটা স্তম্ভ।

১৯৩২ চনত তেওঁ স্নাতক ডিগ্ৰী লাভ কৰে। এই বছৰতে প্ৰাচীন ইজিপ্তৰ ওপৰত ইংৰাজীৰ পৰা অনুদিত গ্ৰন্থখন প্ৰকাশ পায়। ইপিনে ৰিছালা নামৰ আলোচনীখনত তেওঁ প্ৰবন্ধ পাতি লিখিবলৈ লয়। প্ৰখ্যাত আৰব লেখক চালমা মুছা সম্পাদিত নিউ জাৰ্নালতো তেওঁ বহু চুটি গল্প লিখে। কিন্তু তেওঁৰ প্ৰতিভাৰ প্ৰকৃত স্ফুৰণ ঘটে উপন্যাসত। তেওঁ প্ৰতিবছৰে একোখনকৈ ঐতিহাসিক উপন্যাস লিখি আৰব বিশ্বৰ এজন বিৰল সাহিত্যিক ৰূপে স্বীকৃতি লাভ কৰে। কিন্তু চাকৰি জীৱন আৰম্ভ কৰাৰ পাছত প্ৰশাসন তথা চৰকাৰৰ বিভিন্ন স্তৰত সংঘটিত দুৰ্নীতি সম্পৰ্কে তেওঁ অৱগত হয়। সেয়েহে তেওঁ বছৰি একোখনকৈ ঐতিহাসিক উপন্যাস ৰচনা কৰাৰ পূৰ্বৰ পৰিকল্পনা পৰিহাৰ কৰি সমাজৰ বাস্তৱ সমস্যাৰাজিক সমল হিচাপে লৈ বাস্তৱধৰ্মী উপন্যাস ৰচনাত মনোনিবেশ কৰে।

১৯৩৬ চনৰ পৰা ১৯৩৯ চনলৈ তেওঁ কাইৰো বিশ্ববিদ্যালয়ৰ প্ৰশাসনীয় বিভাগত আৰু পিছত ৱাকফ্ মন্ত্ৰণালয়ত চাকৰি কৰাৰ উপৰিও সৃজনীশীল লিখনিত আত্মনিয়োগ কৰে। ইজিপ্তৰ চিনেমাৰ উত্তৰণত নাজিব মাহফুজৰ বৰঙনি অনন্য। তেওঁৰ ভালেসংখ্যক চুটি গল্প আৰু উপন্যাস ইতিমধ্যে চিনেমাৰ ৰূপ দিয়া হৈছে। তেওঁ সাংস্কৃতিক মন্ত্ৰনালয়ৰ চিনেমা পৰিক্ৰমা বিভাগৰ সঞ্চালক আছিল। তেওঁ বিখ্যাত সাহিত্যগোষ্ঠী "আল আহৰাম"ৰ সৈতেও জড়িত।

নাজিব মাহফুজৰ সাহিত্যকৰ্ম বিশাল আৰু বিস্তৃত।

১৯৩৯ চনত “আবাথ আল আকদাৰ” (ভাগ্যৰ খেল) নামৰ প্ৰথম উপন্যাসখন প্ৰকাশ পায়। তেতিয়াৰ পৰা তেওঁৰ কলম থমকি ৰোৱা নাই। বৰ্ত্তমানলৈ তেওঁৰ ৩০ খন উপন্যাস, ছখন চুটি গল্প সংকলন, দুশ প্ৰবন্ধ আৰু কেবাখনো নাটক প্ৰকাশ পাইছে। সাহিত্যৰ বিভিন্ন শাখাত নিজৰ উৎকৃষ্ট সৃষ্টিৰ বাবে সমাদৰ লাভ কৰিলেও নাজিব মাহফুজ আৰব তথা বিশ্বত এজন সফল ঔপন্যাসিক ৰূপেহে পৰিচিত। তেওঁৰ উপন্যাসসমূহক তিনিটা বহল ভাগত ভগাব পাৰি - (ক) বুৰঞ্জীমূলক উপন্যাস, (খ) সামাজিক বাস্তৱবাদী উপন্যাস আৰু (গ) উত্তৰ বাস্তৱবাদী উপন্যাস।

(ক) বুৰঞ্জীমূলক উপন্যাসৰ ভিতৰত আবাথ আল আকদাৰ (ভাগ্যৰ খেল) ৰাদুবিজ আৰু কিফা তিবা (থেব্‌ছৰ সংগ্ৰাম)।

(খ) সামাজিক বাস্তৱবাদী উপন্যাস ঃ আধুনিক ইজিপ্তৰ সমাজ ব্যৱস্থাৰ ওপৰত ৰচিত। আল কাহিৰা আল জাদিদা (নতুন কাইৰো), বিদায়া ওৱা নিহায়া (আৰম্ভণি আৰু পৰিসমাপ্তি), জাকাক ওৱামিদাক (মিদাক উপত্যকা), আল বায়ান ওৱা কাছৰাইন, কাছৰ ওৱা ছক্ আল ছুকৰীয়া (ইজিপ্তৰ তিনিটা পথৰ নাম)

(গ) উত্তৰ বাস্তৱবাদী উপন্যাস ঃ আওলাদ হাৰিছ্না (আমাৰ উপত্যকাৰ শিশু, আল্ লিছ আল কিলাব (চোৰটো আৰু কুকুৰটো) চুম্মান ওৱাল খাৰিফ (কুলি চৰাই আৰু শৰৎ) থাৰথাৰ ফাউকা নীল (নীল নদীৰ পাৰৰ আলাপ আৰু মিৰমাৰ)।

মাহফুজৰ প্ৰথম বাস্তৱবাদী উপন্যাস “কাহিৰা আল জাদিদা”। এই উপন্যাসত তেওঁ ব্ৰিটিছ শাসিত ইজিপ্তত দুনীতি আৰু দৰিদ্ৰতাৰ ফলত উদ্ভৱ হোৱা ভগ্নপ্ৰায় অৰ্থনৈতিক আৰু সামাজিক অৱস্থাৰ চিত্ৰ দাঙি ধৰিছে।

আনহাতে “মিদাক এলি” নামৰ উপন্যাসত নগৰীয়া নিম্ন শ্ৰেণী অৰ্থাৎ গলিৰ বাসিন্দা সকলৰ জীৱন চিত্ৰিত কৰিছে। উপন্যাসখনত বহুতো চৰিত্ৰৰ সমাহাৰ ঘটিছে কিন্তু পৰিবৰ্ত্তিত পৰিস্থিতিৰ লগত খাপ খুৱাব নোৱাৰি বহু ব্যক্তিৰে কৰুণ পৰিসমাপ্তি ঘটিছে। নাপিত আব্বাছে প্ৰচুৰ টকা ঘটি হামিদাক বিবাহ কৰোৱাৰ উদ্দেশ্যে সেনা বাহিনীত যোগদান কৰে কিন্তু ছুটীত ঘৰলৈ আহি সি জানিব পাৰিলে যে হামিদা ইতিমধ্যে অভিসাৰিকালৈ ৰূপান্তৰ হৈছে। খঙৰ ভমকত সি তাইক আক্ৰমণ কৰে। আনহাতে হামিদাই মনোৰঞ্জন দিয়া এচাম সৈনিকৰ হাতত আব্বাছ নিহত হয়। কফি দোকানীৰ পুত্ৰ হুছাইন ফিৰছাই ক'লা ব্যৱসায়ৰ জৰিয়তে বিলাসী জীৱন যাপন কৰি সুন্দৰী ৰমণীৰ সৈতে কালাতিপাত কৰে, কিন্তু যুদ্ধৰ অন্ত পৰাত সি বিফল মনোৰথ হৈ পিতৃগৃহলৈ উভতি আহি বিষন্ন জীৱন যাপন কৰে। এইদৰে মাহফুজ চাৰ্লছ ডিকেন্সৰ দৰে চৰিত্ৰসমূহৰ সুক্ষ্ম বিশ্লেষণ কৰিছে।

মাহফুজৰ অন্যতম সৃষ্টি হ'ল তেওঁৰ কালজয়ী উপন্যাস “ত্ৰিলজী”। ই হ'ল বায়ান আল কাছৰাইন, কাছৰ ওৱা ছক্ আৰু আল ছুকৰীয়া নামৰ তিনিখন বাছকবনীয়া উপন্যাসৰ সমষ্টি। ত্ৰিলজীৰ বাবে ১৯৮৮ চনত তেওঁ সাহিত্যৰ নবেল বঁটা লাভ কৰে। এই তিনিখন উপন্যাস তেওঁৰ আন উপন্যাসৰ দৰে আজহাৰ জিলাৰ তিনিটা ৰাস্তাৰ নামেৰে নামাকৰণ কৰা হৈছে। নামাকৰণৰ দিশৰ পৰা উপন্যাস কেইখন ভিন্ন হ'লেও ইয়াৰ কাহিনীৰ ধাৰাবাহিকতা একে হোৱা বাবে ইয়াক এখন উপন্যাস ৰূপে অভিহিত কৰিব পাৰি। উপন্যাসকেইখনত ইজিপ্তৰ স্বাধীনতা সংগ্ৰামৰ সময়ছোৱাত ৰাজনৈতিক সামাজিক পৰিবৰ্ত্তণৰ ফলত এটা নতুন প্ৰজন্ম কেনেকৈ সংঘাতৰ সন্মূখীন হৈ ধূলিস্যাৎ হ'ল তাৰ এক মনস্তাত্বিক কাহিনী সাৱলীলভাৱে বৰ্ণনা কৰা হৈছে। মাহফুজৰ ত্ৰিলজীৰ প্ৰথম উপন্যাস বায়ান আল কাছৰাইনত উল্লিখিত ঘৰখনৰ মূৰব্বী হ'ল আব্দুল জাৱাদ। তেওঁ এজন আঢ্যৱন্ত ব্যক্তি। ঘৰখন কঠোৰ অনুশাসনৰ মাজেৰে পৰিচালনা কৰাৰ লগতে পৰম্পৰাগত ৰীতি-নীতিৰ তেওঁ উগ্ৰ সমৰ্থক। কিন্তু পৰিয়ালৰ অজ্ঞাতে মুক্তভাৱে মদ ভাং খাই গায়িকা পত্নীৰ লগত ঘূৰাফিৰা কৰে। বায়ান আল কাছৰাইনৰ কাহিনীভাগ তলত দিয়া ধৰণে আৰম্ভ হৈছে - প্ৰথমাৱস্থাত পৰিয়ালটোৰ সদস্যসকলে অন্ধভাৱে দেউতাকৰ আনুগত্য প্ৰকাশ কৰি পিছত বিভিন্ন ধৰণে তেওঁৰ পৰম্পৰাগত চিন্তা-চৰ্চাৰ বিৰোধিতা কৰে। দ্বিতীয় কন্যা আয়ছাই এজন পুলিছ বিষয়াৰ লগত গোপনে সম্পৰ্ক স্থাপন কৰে। পুত্ৰ ইয়াছিনে পিতৃৰ পৰা উত্তৰাধিকাৰী সূত্ৰে লাভ কৰা অসৎ প্ৰবৃত্তিক নিজৰ দুঃসাহসিক কাৰ্যৰ উপকৰণ ৰূপে গ্ৰহণ কৰে। ঘৈনীয়েক আমিনাই পুত্ৰ কন্যাৰ সমৰ্থনত নিজা পদ্ধতিৰে আন্দোলন আৰম্ভ কৰে। ইপিনে আব্দুল জাৱাদে অকলে ভ্ৰমণলৈ ওলায়। এই আপাহতে ঘৈনীয়েকেও ইমাম





হুছেইনৰ সমাধি দৰ্শনৰ উদ্দেশ্যে কাৰবাৰ্লা যাত্ৰা কৰে। কিন্তু বিধিৰ কি বিপাক! যাত্ৰাপথত এখন গাড়ীয়ে খুন্দিওৱাৰ ফলত তেওঁৰ হাড় ভাঙি যায়। স্বামী ভ্ৰমনৰ পৰা উভতি অহাৰ পিছত ঘৈণীয়েকৰ এই দুঃসাহসিক অভিযানৰ কথা অৱগত হোৱাত তেওঁ খঙতে অগ্নিশৰ্মা হৈ ঘৈণীয়েকক তালি টোপোলাৰ সৈতে পিতৃগৃহলৈ পঠিয়াই দিয়ে। ইপিনে আব্দুল জাৱাদৰ আন এজন পুত্ৰ ফাহমীয়ে শোভা যাত্ৰাত অংশ গ্ৰহণ কৰা বুলি জানিব পাৰি আন সদস্যসকলৰ দৰে দেউতাকে তাক কঠোৰ হাতেৰে দমন কৰাৰ প্ৰয়াস কৰে। ফাহমীয়ে প্ৰথমতে আঁসে মাতে যদিও পিছত কোৰআনৰ শপত লবলৈ কোৱাত সি ঘৰ এৰি গুছি যায়। এনে এক অৰাজক পৰিস্থিতিত আব্দুল জাৱাদৰ পৰিয়ালৰ সৈতে আবেগিক সম্পৰ্ক যথেষ্ট লাঘৱ হয়। কিন্তু বাস্তৱ ক্ষেত্ৰত তেওঁ কোনো ফলপ্ৰসূ ব্যৱস্থা লব নোৱাৰিলে। আনহাতে শান্তি সমদ'লত অংশ গ্ৰহণ কৰি পুত্ৰ ফাহমীয়ে অকাল মৃত্যুক সাৱটি লয়। মাহফুজে এই মৃত্যুক নাটকীয় স্বগতোক্তিৰে বৰ্ণনা কৰিছে, “কেনে এক কোহঁল; কিয় এই শব্দ ক্ৰমাৎ ডাঙৰ হৈ আহিছে তুমি মন কৰিছানে? ই মাথো এটি আহবানহে। নাই নাই চৌদিশে কেৱল তমসাচ্ছন্ন”। ফাহ্মীৰ মৃত্যু মাহফুজৰ উপন্যাসত আন আন চৰিত্ৰৰ পৰা পৃথক। আন আন সকলে অসংযত হাবিয়াস, হতাশা আৰু গ্লানিৰ সন্মুখীন হৈছে কিন্তু ফাহ্মীৰ বেলিকা ই হ'ল পৰাজয়ৰ বিজয়।

ত্ৰিলজীৰ দ্বিতীয় খণ্ড,কাছৰ ওৱা ছকত ফাহ্মীৰ মৃত্যু পৰিয়ালটোৰ বাবে বজ্ৰ আঘাত স্বৰূপ। তেওঁ স্বাভাৱিক ৰং তামাছাৰ পৰা বিৰত থাকে আৰু ঘৈনীয়েকৰ ক্ষেত্ৰত নিয়ম কানুন কিছু শিথিল কৰি দিয়ে। ইয়াৰ পিছৰ চৰিত্ৰ হিচাপে ভূমুকি মাৰিছে তেওঁৰ তৃতীয় পুত্ৰ কামাল। যিজন তেওঁৰ বংশৰ বৌদ্ধিক শংকা ৰূপে চিহ্নিত হৈছে। তেওঁ বিবাহিত অবিবাহিত, আদৰ্শবাদ আৰু বাস্তৱবাদ সম্পৰ্ক সন্দিহান হৈ পৰিছে।

এই চিৰিজৰ তৃতীয় উপন্যাস আল-ছুকৰীয়াখনো আজহাৰৰ ৰাস্তাৰ লগত সম্পৰ্কিত, য'ত আব্দুল জাৱাদৰ তৃতীয়া কন্যাই বাস কৰে। তেওঁ পৰিয়ালৰ উত্থান-পতন আৰু কামালৰ স্খলিত ব্যক্তিত্বৰ দ্বাৰা প্ৰভাৱিত নহয়। তেওঁৰ ভাগিন আহমদ ছাকুৰে ৰাজনৈতিক সমস্যাৰ বৌদ্ধিক সমাধান বিচাৰি কমিউনিষ্ট দলত অংশ গ্ৰহণ কৰে। আনজন ভাগিনে মুছলিম ব্ৰাদাৰ হুদ দ'লত অংশ গ্ৰহণ কৰে। পৰিশেষত দুয়ো ভ্ৰাতৃক জেললৈ পঠিওৱাত ঘটনাৰ পৰিসমাপ্তি ঘটে।

চৰিত্ৰসমূহৰ সূক্ষ্ম বিশ্লেষণ, ঘটনাৰ সৰল বৰ্ণনা, কথোপকথনত বিমল হাস্যৰসৰ অনুৰণন ঘটিছে। সামাজিক আৰু ৰাজনৈতিক ঘটনাৰ বলিষ্ঠ প্ৰতিপাদনৰ বাবে মাহফুজৰ ত্ৰিলজী আধুনিক আৰবী উপন্যাস সাহিত্যত মাইলৰ খুঁটি স্বৰূপ।

আন আন আৰবী সাহিত্যিকৰ দৰে মাহফুজ ফৰাচী লেখক মোঁপাছাৰ দ্বাৰা প্ৰভাৱিত। তদুপৰি গেলছৱৰ্দি, জেমছ জইছ, টমাছ মান, আনাটোলে ফ্ৰাঁ, লৰেন্স আদিৰ প্ৰভাৱো লক্ষ্যণীয়। কিন্তু বুৰঞ্জীমূলক নাটক ৰচনাৰ বেলিকা ওৱাটাৰ স্কটৰ অৱদান অনস্বীকাৰ্য্য। ইজিপ্তৰ চিন্তাবিদ ও লেখক সকলৰ ভিতৰত ছালমা মুছাৰ সমাজবাদী ধাৰণা, ডঃ টাহা হুছেইন আৰু আক্কাডৰ উদাৰপন্থী চিন্তাধাৰাই তেওঁৰ চিন্তা-চৰ্চাক মুক্ত কৰিছিল।

জীৱন আৰু সমাজৰ বিচিত্ৰ বিষয়ৰ ওপৰত ৰচিত সাহিত্য কৰ্মৰ বাবে তেওঁক দেশৰ সাহিত্যৰ সন্মান, ৰাষ্ট্ৰীয় সাহিত্য বঁটা, দি ক'লাৰ অৱ্ ৰিপাবলিক আদি সন্মানেৰে ভূষিত কৰা হৈছে। ১৯৮৮ চনত সাহিত্য জগতৰ বিৰল সন্মান নবেল বঁটা প্ৰদান কৰা হয়।

যশ, খ্যাতি, মুদ্ৰাগত লাভালাভ তথা পুৰস্কাৰে তেওঁৰ জীৱনশৈলী তথা জীৱন ব্যৱস্থাৰ বিশেষ পৰিবৰ্ত্তণ অনা নাছিল। তেওঁ সাধাৰণ জীৱন যাপন কৰিছিল। ২০০৬ চনত ৯৬ বছৰ বয়সত এইগৰাকী মহান সাহিত্যিকে ইহলীলা সম্বৰণ কৰে।

*সহায়ক গ্ৰন্থপঞ্জী ঃ*

*1. Introduction to Arabic Literature- Rogar Allen*
*2. Modern Arabic Literature- Edited by M.M. Badawi*
*3. Modern Arabic Literature - Ismat Mehdi*
*4. The Hindu- Sunday Literary Review*
*৫. শ্বেইক্সপীয়েৰৰ পৰা মিলেন কুন্দেৰালৈ- চন্দ্ৰপ্ৰসাদ শইকীয়া*

====

# মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ ধৰ্মীয় দৰ্শন

অপৰাজিতা দেৱী
সহকাৰী অধ্যাপিকা, সংস্কৃত বিভাগ

ভাৰতীয় সংস্কৃতিত ধৰ্ম, দৰ্শন, নীতি-দৰ্শন এনে অঙ্গাঙ্গীভাৱে জড়িত যে এটাক আনটোৰ পৰা পৃথক কৰি আলোচনা কৰাটো কঠিন। ভাৰতীয় সংস্কৃতিৰ পৰম্পৰাৰে পৰিপুষ্ট শঙ্কৰদেৱৰ আধ্যাত্মিক দৰ্শনত নৈতিক জীৱনৰ পৱিত্ৰতা, শুদ্ধ ধৰ্মাচৰণ আৰু নন্দনতত্ত্বৰ ওপৰত গুৰুত্ব দিয়া হৈছে।

অসমত নৱবৈষ্ণৱ ধৰ্মৰ প্ৰতিষ্ঠা হৈছিল শ্ৰীমন্ত শঙ্কৰদেৱৰ আধ্যাত্মবাদক কেন্দ্ৰ কৰি। তেওঁৰ সময়ত অসমত ধৰ্মৰ নামত অনেক অধৰ্ম হৈছিল। আন আন ধৰ্মমতৰ খেলিমেলিত সমাজত নানা বিশৃংখলাৰ সৃষ্টি হৈছিল। এনে এটা পৰিস্থিতিৰ সন্মুখীন হৈ শঙ্কৰদেৱে জনসাধাৰণৰ আগত প্ৰাচীন সনাতন ধৰ্মৰ আদৰ্শ দাঙি ধৰিবলৈ স্থিৰ কৰে আৰু সৰল উপায়েৰে ঈশ্বৰ সাধনাৰ বাবে বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ কাম আৰম্ভ কৰে। সমগ্ৰ ভাৰতৰ বিভিন্ন বৈষ্ণৱ সম্প্ৰদায়ৰ ক্ৰিয়াকলাপ লক্ষ্য কৰি নিজ দেশ, কাল আৰু পাত্ৰৰ উপযোগী ৰূপত শঙ্কৰদেৱে নৱবৈষ্ণৱ ধৰ্মৰ বীজ ৰোপণ কৰিলে।

গুৰুজনাৰ লিখনিত অদ্বৈতবাদী চিন্তাধাৰাৰ প্ৰতিফলন দেখা যায়। অদ্বৈতবাদীসকলে সকলো বস্তুতেই এজন পৰম ব্ৰহ্ম, পৰম পুৰুষ, পৰমাত্মাক দেখে। তেওঁৰ দৰ্শনত মায়াবাদী অদ্বৈতবাদৰ প্ৰভাৱ বিশেষ সক্ৰিয়। মায়াময় এই জগতক অসত্যৰূপে কল্পনা কৰি পৰম ব্ৰহ্মাকে একমাত্ৰ সত্য বুলি কৈছে। মায়া চৈতন্য বিহীন। তত্ত্ব জ্ঞানৰ দ্বাৰাই মায়াৰ বিনাশ হয় আৰু মায়াৰ বিনাশ হ'লে জগতৰো বিনাশ হয়। মায়া হৈছে জগত সৃষ্টিৰ কাৰক। ঈশ্বৰৰ বাহিৰে সকলো মায়াৰ বিক্ষেপণ আৰু আৱৰণ শক্তিৰ পৰা উদ্ভৱ হৈছে। তেওঁ কৈছে যে ঈশ্বৰ সৎ চিৎ আনন্দস্বৰূপ। বৰগীতত কৈছে-

"যত জীৱ জঙ্গম কীটপতঙ্গম।
অগ নগ জগ তেৰি কায়া।"

মায়া ঈশ্বৰৰ শক্তি আৰু ঈশ্বৰকেই আশ্ৰয় কৰি থাকে। তেওঁ কৈছে-

"মায়াদ্বাৰে প্ৰজাহা যতেক গুণচয়।
সেই গুণলৈয়া কৰো সৃষ্টি স্থিতি লয়।"

গুৰুজনাৰ অদ্বৈতবাদী দৰ্শনৰ এটা স্পষ্ট উদাহৰণ কীৰ্ত্তনৰ "প্ৰহ্লাদ চৰিতত" পোৱা যায়। যেতিয়া হিৰণ্যকশিপুৱে প্ৰহ্লাদক খঙেৰে প্ৰশ্ন কৰিছিল যে প্ৰহ্লাদৰ ত্ৰাণকৰ্ত্তা ক'ত আছে, তেতিয়া প্ৰহ্লাদে কৈছিল-

"শুনিয়া প্ৰহ্লাদে বোলয় বাণী
ব্যাপৰ বিভু প্ৰভূ চক্ৰপাণি।
সৱাতো আছন্ত জগতস্বামী
স্ফটিকৰ স্তম্ভে দেখোহো আমি।"

-এয়াই প্ৰকৃত অদ্বৈতবাদ।

ভাগৱতৰ দ্বাদশ স্কন্ধত গুৰুজনাই ব্ৰহ্মা, বিষ্ণু, মহেশ্বৰক একাকাৰ কৰিছে। যেনে-

"নমো নমো শঙ্কৰ নিৰ্গুণ গতিদাতা।
সত্ত্ব ৰজতম তিনিগুণ অধিষ্ঠাতা।।"

- এই পদফাঁকিলৈ লক্ষ্য কৰিলে দেখা যায় যে ভাৰতীয় জীৱনত জঁটাধাৰী, ভাঙুৰী হিচাপে পৰিচিত সদাশিৱক কৃষ্ণতকৈ কোনো ক্ষেত্ৰতেই নি:স্বাৰ্থত চিত্ৰিত কৰা নাই। কীৰ্ত্তনৰ প্ৰতিটো অধ্যায়েই গভীৰ তত্ত্ব কথাৰে আবৃত। ইয়াৰ প্ৰায়বোৰ অধ্যায়তে থকা গভীৰ দাৰ্শনিক তত্ত্ব কথাক জটিল ৰূপত বৰ্ণনা কৰাৰ পৰিৱৰ্তে সৰল উপদেশ প্ৰদানত গুৰুত্ব দি জনসাধাৰণৰ মনক ভক্তিৰ প্ৰতি আকৰ্ষিত কৰি তাৰ দ্বাৰা বিষয় বাসনাৰ প্ৰতি বিৰক্তি জন্মাবলৈ যত্নপৰ হোৱা দেখা যায়। ঈশ্বৰৰ নামকীৰ্তন কৰি, হিংসা দ্বেষ মনৰ পৰা দূৰ কৰি পুণ্য অৰ্জন কৰাৰ মন্ত্ৰ কীৰ্ত্তনৰ "নামাপৰাধ" অধ্যায়টোত ব্যক্ত হৈছে।

কীৰ্ত্তনৰ মননশীল শিক্ষণীয় তত্ত্বকথাসম্পন্ন অধ্যায় হ'ল দামোদৰ বিপ্ৰ আখ্যান আৰু গজেন্দ্ৰোপাখ্যান। দামোদৰবিপ্ৰ আখ্যানটোত দমোদৰ বিপ্ৰ এগৰাকী বেদজ্ঞ, শাস্ত্ৰপাৰদৰ্শী, জিতেন্দ্ৰিয়, স্থিতপ্ৰজ্ঞ আৰু বিষয়াশক্তি শূণ্য লোক।





"কুক্কুৰ শৃগাল গৰ্দ্দভৰো আত্মা ৰাম।
জানিয়া সবাকো পৰি কৰিবা প্ৰণাম।।"

- আদি উপদেশ তত্ত্বকথাৰে পৰোক্ষভাৱে গুৰুজনাই মানৱীয় চিন্তাৰে সমাজ সংশোধন কৰাৰ প্ৰতিজ্ঞা গ্ৰহণ কৰি সকলোকে শ্ৰদ্ধাৰ পাত্ৰ হোৱাৰ পথ দেখুৱাই গ'ল। কীৰ্ত্তন ঘোষাত কৈছে-

"ভাই, মুখে বোলা ৰাম হৃদয়ে ধৰা ৰূপ।
এতেকে মুকুতি পাইবা কহিলো স্বৰূপ।"

শংকৰদেৱে গীতাৰ পৰা একশৰণ, ভাগৱত পুৰাণৰ পৰা সৎসঙ্গ আৰু সহস্ৰণামখণ্ড আৰু পদ্মপুৰাণৰ পৰা নামধৰ্ম লৈ ভক্তিবাদ প্ৰচাৰ কৰে। ভাৰতীয় দাৰ্শনিক শঙ্কৰাচাৰ্যৰ অদ্বৈতবাদী চিন্তাৰ প্ৰকাশ শংকৰদেৱৰ দাৰ্শনিক বীক্ষাত প্ৰকাশ পালেও ভাগৱত আৰু গীতাৰ ভক্তিবাদৰ ওপৰতেই তেওঁৰ ধৰ্ম প্ৰতিষ্ঠিত। তেওঁৰ ধৰ্মৰ মত অনুযায়ী অহমত্ব ত্যাগ কৰি দাস্যভাৱাপন্ন হৈ শৰণৰ জৰিয়তে কৃষ্ণৰ চৰণত আত্মসমৰ্পণ কৰি কৃষ্ণৰ লীলামালা শ্ৰৱণ-কীৰ্ত্তন কৰাটোৱেই ভক্তিৰ শ্ৰেষ্ঠ নিদৰ্শন। ভাগৱত তত্ত্বই শঙ্কৰদেৱৰ দাৰ্শনিক তত্ত্ব। শঙ্কৰদেৱে প্ৰণালীবদ্ধভাৱে কোনো ধাৰা সৃষ্টি কৰা নাই। ধৰ্মক তেওঁ কেৱল ধৰ্মৰ নিমিত্তে গ্ৰহণ কৰা নাই, মানুহৰ জীৱনৰ প্ৰায়োগিক উপযোগিতাৰ বাবে গ্ৰহণ কৰিছে। মানৱীয় প্ৰমূল্যবোৰৰ ওপৰত যথাৰ্থ গুৰুত্ব আৰোপ কৰি তেওঁৰ ধৰ্মমত গঢ়ি তুলিছে। ধৰ্মীয় জীৱনত তেওঁ ত্যাগ, ধৈৰ্য, সংযম আদি মূল্যবোধৰ দ্বাৰা পৰিচালিত হ'বলৈ আৰু আন ধৰ্মৰ ক্ষেত্ৰত উদাৰ দৃষ্টিভঙ্গী গ্ৰহণ কৰিবলৈ আহ্বান জনাইছে। 'ভক্তিৰত্নাকৰ'ত তেওঁ ভকতৰ ৩০ টা সৎ গুণৰ কথা উল্লেখ কৰিছে। তাৰ ভিতৰত প্ৰধান হ'ল- সাধুতা, অহিংসা, ক্ষমা, সত্যবাদিতা, পৰোপকাৰিতা আদি। শংকৰদেৱৰ জীৱ-জন্তুৰ প্ৰতি থকা দয়া আৰু প্ৰেমৰ বিভিন্ন ঘটনাৰ বৰ্ণনা কথা গুৰুচৰিত আৰু বৰদোৱাচৰিতত পোৱা যায়।

শংকৰী দৰ্শনৰ মূল উৎস আৰু ভেটি হ'ল শ্ৰীমদ্ভাগৱত পুৰাণ। তেওঁ ভাগৱতক 'পৰমবেদান্ত' বুলি অভিহিত কৰিছে আৰু এই ভাগৱতক চাৰিবেদ আৰু সমস্ত পুৰাণৰ মৰ্মবাণী বুলি কৈছে। তেওঁ মোক্ষলাভৰ বাবে ভক্তিয়েই সহজ উপায় বুলি কৈছে। তেওঁৰ ভক্তি নিৰ্গুণ প্ৰেমভক্তি। ঈশ্বৰত পৰম অনুৰক্তিয়েই হ'ল ভক্তি। ভক্তিৰ পথেদি পৰাকাষ্ঠা লাভ হ'লে তেনে পুৰুষৰ জীৱন্মুক্তি লাভ হয় বুলি তেওঁ দৃঢ়ভাৱে ঘোষণা কৰিছে। তেওঁ যদিও ভক্তিৰ মহিমা কীৰ্ত্তন কৰিছে, তথাপি তত্ত্বজ্ঞান হেয় কৰা নাই. উপনিষদৰ মোক্ষতত্ত্ব সমৰ্থন কৰি কৈছে যে মোক্ষলাভৰ পাছত জীৱাত্মা পৰমাত্মাৰ সৈতে মিলি অভিন্ন হৈ পৰে। ভাগৱতত কৈছে-

"যদ্যাপি ভকতি নৱবিধ মাধৱৰ।
শ্ৰৱণ কীৰ্ত্তন তাতো অতি শ্ৰেষ্ঠতৰ।।'

(ভাগৱতৰ ১ম স্কন্ধ)

নিৰ্গুণ ভক্তি হ'ল গুণাতীত ভগৱানৰ প্ৰতি অন্ত:কৰণত অবিচ্ছিন্নভাৱে চলি থকা ভক্তি। ভক্তিতেই চিত্তশুদ্ধি হয়, জ্ঞান শুদ্ধ হয়। আধ্যাত্মিক শুভ অমঙ্গলৰ পৰা মুক্তি পাবলৈ তেওঁ চিত্তশুদ্ধিৰ কথা কৈছে। চিত্ত শুদ্ধিৰ বাবে প্ৰয়োজন আত্মসংশোধন, ঈশ্বৰৰ নাম শ্ৰৱণকীৰ্ত্তন বা প্ৰাৰ্থনা। জুয়ে পোৱা সোণ অধিক উজ্জ্বল হোৱাৰ দৰে অনুশোচনাৰ জুইত দগ্ধ হৈ পাপীয়ে পাপৰ পৰা নিস্তাৰ পাব পাৰে। তেওঁৰ মতে মানুহে ইন্দ্ৰিয় আৰু ছয় ৰিপু দমন কৰি এক উচ্চ স্তৰৰ আধ্যাত্মিক শক্তিৰ অধিকাৰী হ'ব পাৰে। পৰমেশ্বৰৰ প্ৰতি নিষ্কাম, একনিষ্ঠ, সুদৃঢ় ভক্তিয়েই এই ধৰ্মৰ মূল কথা। গীতা আৰু ভাগৱত দুয়োখন গ্ৰন্থতে ভক্তিযোগৰ প্ৰাধান্য দেখুউৱা হৈছে। সেয়ে এই দুয়োখনিয়েই বৈষ্ণৱ সমাজৰ ধৰ্মৰ মূল ভেটি। এই একেশ্বৰবাদী নাম ধৰ্মত ধৰ্ম সাধনৰ মাধ্যমৰূপে গুৰুজনাই নৃত্য, গীত, বাদ্য আৰু অভিনয় কলাকো সামৰি ল'লে। বৰগীত সমূহৰ যোগেদিও তেওঁ শ্ৰীকৃষ্ণক জনগণৰ ওচৰ চপাই আনিলে। অসমত গঢ় লোৱা এই কৃষ্ণ সংস্কৃতি শংকৰদেৱ প্ৰভৃতি দুই চাৰিজন মনীষিৰে অৱদান। তেওঁৰ মতে ঈশ্বৰহে বাস্তৱ সত্ত্বা আছে আৰু আন সকলো অনিত্য। 'এক দেৱ, এক সেৱ, এক বিনে নাই কেৱ'- এয়াই হৈছে এই ধৰ্মৰ মূল বাণী। এই ধৰ্মতে আন দেৱ-দেৱীৰ পূজা বা বলিবিধান নিষিদ্ধ। গুৰুজনাই কৈছিল যে বৈকুণ্ঠ প্ৰাপ্তিৰ বাবে এজন নিৰাকাৰ ঈশ্বৰত শৰণ লোৱা উচিত। তেওঁৰ ধৰ্মীয় দৰ্শনৰ মূল মন্ত্ৰ আছিল প্ৰেম, পৱিত্ৰতা,

সৰলতা, ঈশ্বৰৰ প্ৰতি বিশ্বাস আদি। এই ধৰ্মত জাতিভেদৰ স্থান নাই।

শংকৰদেৱৰ পূৰ্বে অসমত বৈষ্ণৱমাৰ্গৰ বিকাশ নোহোৱা নহয়, কিন্তু প্ৰাক শংকৰী যুগৰ বৈষ্ণৱমাৰ্গ আছিল তান্ত্ৰিক পদ্ধতিৰ। এই মাৰ্গত সমাজৰ সকলো লোককে স্পৰ্শ কৰিব পৰা নাছিল। তাৰ বিপৰীতে তেওঁৰ এক শৰণ নামধৰ্মৰ ব্যৱস্থাই সমাজৰ সকলো শ্ৰেণীৰ লোকৰ মন আকৰ্ষণ কৰিবলৈ সক্ষম হ'ল।

সৰ্বভাৰতীয় বৈষ্ণৱ আন্দোলনৰ সন্তসকলৰ মাজত শংকৰদেৱৰ সমকালীন সমাজখন তেওঁৰ ভক্তিধৰ্ম প্ৰচাৰৰ বাবে যদিও অতিশয় জটিল আছিল, তথাপি তেওঁ সকলোতকৈ অধিক কৃতকাৰ্য হৈছিল বুলিব লাগিব। এজন মানৱতাবাদী হিচাপে তেওঁৰ দাৰ্শনিক দৃষ্টিভংগীক প্ৰায়োগিক ভাববাদ (Practical Idealism) আখ্যা দিব পাৰি। মানুহৰ বাস্তৱ জীৱনৰ প্ৰতি তেওঁৰ দৃষ্টিভঙ্গী আছিল সম্পূৰ্ণ ইতিবাচক। আজিৰ হিংসা আৰু সন্ত্ৰাসৰ কবলত বিলুপ্ত হৈ যাব ধৰা অসমক উদ্ধাৰ কৰিবলৈ শংকৰদেৱৰ ধৰ্মীয় দৰ্শনৰ যথেষ্ট প্ৰয়োজনীয়তা আছে।

*সহায়ক গ্ৰন্থ ঃ*

*১। মহাপুৰুষ শংকৰদেৱৰ ধৰ্ম আৰু দৰ্শন - ড০ বিমলা দাস*

*২। শ্ৰীশ্ৰী শংকৰদেৱ আৰু শ্ৰীশ্ৰীমাধৱদেৱ - লক্ষ্মীনাথ বেজবৰুৱা*

*৩। প্ৰেমধৰ্ম আৰু বৈষ্ণৱ কাব্য - ড০ পৰাগ কুমাৰ ভট্টাচাৰ্য*

*৪। শংকৰী নীতি দৰ্শন - ড০ ফণীভূষণ দাস* =====

**মহৎ লোকৰ বাণী**

(ক) এগৰাকী পত্নী পুৰুষৰ বাবে যৌৱনত প্ৰেয়সী, মাজ বয়সত বন্ধু, আৰু বুঢ়া বয়সত পৰিচাৰিকা। - ফান্সিচ বেকন।

(খ) মুখৰ সৌন্দৰ্যৰ লগত অন্তৰৰ সৌন্দৰ্যৰ মিল নাথাকিলে কোনো নাৰীয়েই সুন্দৰ হ'ব নোৱাৰে। - জৰ্জ বাণাৰ্ড শ্ব'।

(গ) যাক বুজি পোৱা নাযায় তাক ভাল পাব নোৱাৰি আৰু ভাল পালেওঁ সি স্থায়ী নহয়। - গ্যাটে।

(ঘ) আনক নিন্দা কৰাটো হক নিজকে প্ৰশংসা কৰাৰ এটা অসাধু উপায়। - উইল ডুৰান্ট আৰু এৰিয়েল ডুৰান্ট।

(ঙ) প্ৰকৃত ছাত্ৰই কেতিয়াওঁ খ্যাতি নিবিচাৰে। তেওঁ বিচাৰে কেৱল জ্ঞান আৰু সত্য। সত্য আবিস্কাৰ কৰিবৰ বাবে তেওঁ সকলো কৰিবলৈ সাজু। - ছাৰ জগদীশ বসু।

(চ) প্ৰতিভাৰ নিৰানব্বৈ ভাগেই হ'ল অধ্যৱসায়। - টমাছ আলভা এডিছন।

(ছ) ভালপোৱাৰে সকলো কাম কৰিব পাৰি। - স্বামী বিৱেকানন্দ।

মিচ এলিজা পাৰবিন
স্নাতক তৃতীয় বৰ্ষ





# আহোম সকলৰ উৎসৱ-অনুষ্ঠান ঃ মে-ডাম-মে-ফী আৰু ইয়াৰ তাৎপৰ্য্য ঃ

জালালউদ্দিন আহমেদ
সহকাৰী অধ্যাপক, বুৰঞ্জী বিভাগ

কৃষিভিত্তিক গ্ৰাম্য জীৱনৰ সামাজিক ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, পূজা-পাৰ্বন, গীত-মাত, নৃত্য-কলা আদি উপাদান সমূহক মাধ্যম স্বৰূপে লৈ জনসাধাৰণে তেওঁলোকৰ মাজত যিবিলাক অনুষ্ঠান পৰম্পৰাগতভাৱে অনুষ্ঠিত কৰি আহিছে সেই বিলাককে উৎসৱ আখ্যা দিয়া হয়। কঠোৰ শ্ৰমেৰে পথাৰক শস্য-শ্যামলা কৰাৰ পৰা উদ্ভুত আনন্দ আৰু উৎসাহ উদ্দীপনাত মানুহে উৎসৱ পাতে। এই সম্পৰ্কত অসমীয়া লোক-সংস্কৃতিৰ গবেষক তথা অধ্যাপক, লীলা গগৈয়ে তেওঁৰ অসমৰ সংস্কৃতি' গ্ৰন্থত উল্লেখ কৰিছে - "উৎসৱৰ মূল উৎস আনন্দ। বহাগত পোৱাৰ প্ৰয়াস, আশাৰ আনন্দ, মাঘত পোৱাৰ, পাই সামৰাৰ আনন্দ। এই আনন্দ প্ৰকৃতিৰ আনন্দ, জীৱনক উপলব্ধি কৰাৰ আনন্দ আৰু উপভোগ কৰাৰ আনন্দ। এই আনন্দই কৃষিজীৱি অসমীয়াৰ অন্তৰ স্পৰ্শ কৰি অনুপ্ৰেৰণাৰ জোৱাৰ আনে।"

প্ৰকৃততে কৰ্মব্যস্ত জন-জীৱনক গতানুগতিক আবেষ্টনীৰ পৰা উলিয়াই আনি ক্ষণিক আমোদ দিয়াৰ ক্ষেত্ৰত উৎসৱ-অনুষ্ঠানৰ লগত জড়িত খোৰ-বোৱা, ৰং-তামাচা, খেল-ধেমালী আদিয়ে এক বিশেষ ভূমিকা পালন কৰি আহিছে। উদাহৰণস্বৰূপে আহোম সকলৰ ৰাজত্ব কালত অনুষ্ঠিত হোৱা উৎসৱ অনুষ্ঠানসমূহলৈ আঙুলিয়াব পাৰি। আহোম স্বৰ্গদেউসকলে তেওঁলোকৰ ৰাজত্বকালত পূজাৰ মাজত পৰিশ্ৰমৰ অৱসাদ দূৰ কৰি আনন্দৰ খোৰাক যোগাবলৈ বিভিন্ন খেল-ধেমালীৰ জড়িয়তে শাৰীৰিক ক্লান্তি দূৰ কৰিছিল। এইদৰে লোক বিদ্যাৰ বিভিন্ন উপাদানৰ সহযোগত অনুষ্ঠিত হোৱা উৎসৱ-অনুষ্ঠানে লোক জীৱনত সামাজিক জীৱনলৈ উত্তৰণ ঘটোৱাত সহায় কৰিছে।

প্ৰাচীন কালৰে পৰা সভ্যতাৰ জখলাৰে বিভিন্ন স্তৰত উপনীত হওঁতে প্ৰয়োজনৰ তাগিদাতে মানুহৰ হাতত লালিত পালিত হৈ আহিছে পূজা-পাৰ্বন, ৰীতি-নীতি, আচাৰ-অনুষ্ঠান আৰু ধৰ্মীয় প্ৰকাৰ্য্যসমূহ আৰু সময়ৰ পৰশে সিবোৰক পৰম্পৰাৰ মাত্ৰা দান কৰিছে, আকৌ কেতিয়াবা সময় সাপেক্ষে পুনৰ্নিৰ্মোণো ঘটাইছে। অনস্বীকাৰ্য্য যে প্ৰকৃতিৰ পৰিবৰ্ত্তণ, ধৰ্ম, মানৱ জীৱনৰ পৰিবৰ্ত্তিত ঘটনাক্ৰম, কৃষি জীৱনৰ আনন্দ আৰু সৃষ্টি প্ৰক্ৰিয়াৰ গাত আউজিয়েই উৎসৱ- অনুষ্ঠান সমূহে জন্ম আৰু বিকাশ লাভ কৰিছে।

মানৱ জীৱনৰ বিভিন্ন ঘটনাৱলী, যেনে - জন্ম, বিবাহ, মৃত্যু আৰু প্ৰাকৃতিক পৰিবৰ্ত্তনৰ ৰূপ উৎসৱ-অনুষ্ঠানসমূহৰ মাজেৰে প্ৰতীকি ৰূপত মূৰ্তমান হৈ উঠে। আনহাতে ধৰ্ম যদিও এক সাংস্কৃতিক অনুষ্ঠান তথাপি উৎসৱৰ লগত ই নিবিড়ভাৱে সাঙোৰ খাই আছে। কিছুমান উৎসৱৰ মূল শিপাও অংকুৰিত হৈছে ধৰ্মৰ সোপানতে। বীৰ-বীৰাঙ্গনা আৰু সমাজ সংস্কাৰক সকলৰ জন্ম-মৃত্যুৰ সোঁৱৰণ, জনশ্ৰুতিমূলক দেৱ-দেৱতাৰ পূজা-পাতল, ধৰ্মপুৰুষ তথা মহাপুৰুষসকলৰ তিথি আদিৰ সোঁৱৰণত অনেক উৎসৱ অনুষ্ঠানে জন্ম লাভ কৰিছে।

আহোম সকলে পৰম্পৰাগতভাৱে পালন কৰি অহা পূজা-পাতল আৰু উৎসৱ-অনুষ্ঠানসমূহৰ ভিতৰত মে-ডাম-মে-ফী এক তাৎপৰ্য্যপূৰ্ণ পূজা। গোলাপ চন্দ্ৰ বৰুৱাই তেওঁৰ Ahom Buranji ত মে-ডাম-মে-ফী শব্দটো মৃতক, উপৰি পুৰুষ আৰু দেৱতাসকলক পূজা দিয়া অৰ্থত

ব্যৱহাৰ কৰা হয় বুলি উল্লেখ কৰিছে।

পদ্মেশ্বৰ গগৈয়েও তেওঁৰ "The Tai and the Tai Kingdoms" গ্ৰন্থত মে-ডাম-মে-ফী শব্দটো মৃতক, উপৰিপুৰুষ আৰু স্বৰ্গৰ দেৱতাসকলৰ উদ্দেশ্যে তৰ্পণ কৰা পূজা বুলি উল্লেখ কৰিছে। আনহাতে 'মে' শব্দই তৰ্পণ কৰা বুজায়, 'ডাম' শব্দই মৃতক, উপৰিপুৰুষক বুজায় আৰু 'ফী' শব্দই দেৱতাক বুজায়। অৰ্থাৎ 'মে-ডাম-মে-ফী' শব্দ সমষ্টিৰ অৰ্থ হৈছে মৃত্তক, উপৰিপুৰুষ আৰু স্বৰ্গ দেৱতাসকলক উদ্দেশ্যে আগবঢ়োৱা পূজা। অৱশ্যে 'মে-ডাম-মে-ফী'ৰ 'মে' শব্দটো য়িাত টাই ভাষাৰ বৈয়াকৰণিক নিয়ম মতে দুবাৰ ব্যৱহাৰ হৈছে। মে-ডাম-মে-ফী পূজা আহোম সকলে মৃতক, উপৰিপুৰুষক স্মৰণ কৰা এক স্মৃতিচাৰণ উৎসৱ ৰূপেও পালন কৰে। মে-ডাম-মে-ফী পূজাই কালক্ৰমত যি সাৰ্বজনীন ৰূপ পৰিগ্ৰহ কৰিলে তালৈ লক্ষ্য কৰিলে দেখা যায় মে-ডাম-মে-ফী পূজা নহৈ উৎসৱ ৰূপেহে পালিত হৈছে।

আহোম সকলে মে-ডাম-মে-ফী পূজা বাৰ্ষিক শ্ৰাদ্ধৰূপে পালন কৰি মৃতক, উপৰিপুৰুষক স্মৰণ কৰাটো এক পৰম্পৰাগত ৰীতি। তেওঁলোকে বিশ্বাস কৰে যে মানুহৰ মৃত্যু হ'লে কিছুদিন 'ডাম্' হৈ থাকি পিছত 'ফী' লৈ উন্নীত হয়। তেওঁলোকে মানুহ মৰিলে 'দেৱতা' হয় বুলি বিশ্বাস কৰে। আহোম সকলে জীৱৰ মৃত্যুৰ পিছত আত্মাই পৰম চৈতন্যৰ দ্বাৰা ঐশ্বৰিক শক্তি সম্পন্ন হৈ জীৱৰ বংশ পৰিয়ালক অলৌকিকভাৱে কৃপাদান কৰে বুলি বিশ্বাস কৰে। সেয়ে মৃতক, উপৰিপুৰুষৰ আৰ্শীবাদ বিচাৰিবৰ কাৰণে প্ৰত্যেক পৰিয়ালে তেওঁলোকৰ ৰান্ধনিশালত ভাতৰ চৰুৰ বিপৰীত দিশত ডাম্ খুঁটা স্থাপন কৰে। এই ডাম খুঁটাতেই টাই আহোমসকলে বিভিন্ন উপলক্ষত মৃতক আৰু স্বৰ্গৰ দেৱতাসকললৈ বিবিধ উপাচাৰ দি পূজা আগবঢ়ায়।

আনুষ্ঠানিকভাৱে মে-ডাম-মে-ফীত সম্পূৰ্ণ নিজস্ব ধ্যান-ধাৰণাৰে পূজা আগবঢ়োৱা দেৱতাসকলক আহোমসকলে তিনি শ্ৰেণীত ভাগ কৰা হৈছে - (ক) ডাম্ চাও ফী, (খ) ডাম্ চাঙ্ ফী আৰু (গ) গৃহ ডাম। ডাম্ চাও ফী হৈছে প্ৰাকৃতিক উৎস শক্তিৰ দেৱতা। চাঙ্ ফী হৈছে মৃতক ডাম্ দেৱতাৰ পৰা উন্নীত হোৱা দেৱতা আৰু গৃহডাম্ হৈছে গৃহস্থৰ চাৰি পুৰুষৰ মৃতকসকল।

মে-ডাম্ মে-ফী পূজা হৈছে মৃতক, উপৰিপুৰুষক ৰাজকীয় বা ৰাজহুৱাভাৱে কৰা তৰ্পণ অনুষ্ঠান। মে-ডাম্ মে-ফী পূজা বা উৎসৱ পালনৰ প্ৰক্ৰিয়াটোক প্ৰধানকৈ দুটা ভাগত ভগোৱা হয়। ব্যক্তিগত আৰু ৰাজকীয় অৰ্থাৎ ৰাজহুৱাভাৱে। ব্যক্তিগতভাৱে কৰিলে পৰিয়াল বৰ্গই ৰান্ধনি ঘৰৰ চুকত স্থাপন কৰা ফ-খাম্ৰ খুঁটাত গৃহডাম্ দেৱতালৈ পূজা আগবঢ়ায়।

ৰাজকীয়ভাৱে মে-ডাম মে-ফী উদ্‌যাপিত হোৱাৰ কথা বুৰঞ্জীত উল্লেখ আছে। আহোম সকলৰ প্ৰধান উপাস্য দেৱতা লেংডনৰ দুই নাতি খন্‌লুঙ খুনলাই স্বৰ্গৰাজ্য ম্যুঙফীৰ পৰা পৃথিৱীলৈ অৰ্থাৎ ম্যুঙফীৰ পৰা পৃথিৱীলৈ অৰ্থাৎ ম্যুঙ্কাঙলৈ নামি অহাৰ দিন ধৰি মে-ডাম্ মে-ফী পূজা ৰাজকীয়ভাৱে বৰ্ণাঢ্যৰূপত পালন কৰি অহাৰ কথা Ahom Buranji উল্লেখ আছে। সোণৰ জখলাৰে ম্যুঙ্কাঙ্লৈ খুন্‌লুঙ্ খুন্‌লাই নামি অহাৰ প্ৰাক্‌মুহূৰ্ত্তত জ্ঞান আৰু বিদ্যাৰ অধিকাৰী দেৱতা জছিঙ্ ফাই তেওঁলোকক বিভিন্ন উপলক্ষত মে-ডাম্ মে-ফী পূজা অনুষ্ঠিত কৰিবলৈ টাই ভাষাৰ মন্ত্ৰ এটিৰে উপদেশ দিছিল আৰু এনে পূজা কৰিলে তেওঁলোকৰ ৰাজ্য নিৰাপদ হব বুলি কোৱা হৈছিল। জাছিঙ্‌ফাই টাই ভাষাৰ মন্ত্ৰৰে খুন্‌লুঙ খুন্‌লাইক উপদেশ দি পৃথিৱী শাসন কৰিবলৈ স্বৰ্গৰ পৰা নমাই পঠোৱাৰ দিন ধৰি আহোম স্বৰ্গদেউসকলে অনুষ্ঠিত কৰা মে-ডাম্ মে-ফী পূজা বৰ্তমানেও অৱধাৰিত ৰূপত পালিত হৈ আহিছে।

গোলাপ চন্দ্ৰ বৰুৱাৰ আহোম বুৰঞ্জীত উল্লেখ আছে যে আহোম ৰজা চুহুংমুঙ ওৰফে দিহিঙ্গীয়া ৰজাই ধনশিৰিৰ পাৰত ১৫৩৬ খৃীষ্টাব্দত কছাৰীসকলক পৰাস্ত কৰি ৰাজধানীলৈ উভতি আহি প্ৰচলিত নিয়ম অনুসৰি প্ৰজা আৰু ৰজাৰ দীৰ্ঘজীৱণ কামনা কৰি মৃতকসকলক স্মৰণ কৰি মে-ডাম্ মে-ফী পূজা অনুষ্ঠিত কৰে।

Sir Edward Gait য়ে তেওঁৰ "A History of Assam" গ্ৰন্থত চুহুংমুঙ ওৰফে দিহিঙ্গীয়া ৰজাই দিহিঙত ৰাজধানী পতা আৰু কছাৰী সকলক পৰাজিত কৰি চৰাইদেউলৈ গৈ মে-ডাম্, মে-ফী অনুষ্ঠিত কৰি মৃতক উপৰিপুৰুষ আৰু স্বৰ্গৰ দেৱতাসকললৈ পূজা আগবঢ়ায় বুলি উল্লেখ কৰিছে।





আহোম বুৰঞ্জীত উলেখ আছে যে ১৫৬৩ খৃঃত কোচ ৰজাই মিত্ৰতাৰ প্ৰস্তাৱ আহোম ৰজা চুখাম্‌ফা বা খোৰা ৰজালৈ পঠিয়ালত আহোম ৰজাই পত্ৰ সন্দেহ গ্ৰহণ কৰি নিজৰ ফালৰ পৰাও পত্ৰ সন্দেহ পঠিয়াই দুয়োপক্ষৰ মাজত মিত্ৰতা সুদৃঢ় কৰি দেশখনক সংকটৰ পৰা ৰক্ষা কৰে আৰু ৰাজধানীলৈ ঘুৰি আহি দেৱতাসকলক আৰু মৃতক দেৱতাক পূজা দিয়াৰ অৰ্থে মে-ডাম্ মে-ফী পতাৰ কথা উল্লেখ আছে।

চুচেঙ্‌ফা বা প্ৰতাপ সিংহই তেওঁৰ ৰাজত্বকালত তিনিবাৰ মে-ডাম্ মে-ফী পূজা অনুষ্ঠিত কৰে। প্ৰথমবাৰ ১৬০৬ খৃঃত, দ্বিতীয়বাৰ ১৬১৫ খৃঃত মুছলমান সকলৰ লগত যুদ্ধত জয়লাভ কৰি মে-ডাম্ মে-ফী পূজা কৰিছিল আৰু তৃতীয়বাৰ মুছলমান সকলৰ লগত হোৱা যুদ্ধত আহোমসকল পৰাস্ত হোৱাৰ পিছত অনুষ্ঠিত কৰিছিল।

ৰজা লক্ষ্মীসিংহৰ দিনত ৰাজহাউলিৰ এটা চ'তি খহি পৰাত ৰজাই মঙ্গল চাবলৈ দেওধাই পণ্ডিতসকলক নিৰ্দ্দেশ দিয়ে আৰু পণ্ডিতসকলে দেৱতা আৰু উপৰিপুৰুষসকলৰ প্ৰতি মে-ডাম্ মে-ফী পাতি পূজা দিবলৈ দিহা দিয়ে। ৰজাইয়ো সেই অনুক্ৰমে দেৱতাক পূজা অৰ্চনা কৰাৰ উপৰিও মৃতকৰ উদ্দেশ্যে মে-ডাম্ মে-ফী অনুষ্ঠিত কৰে। ৰজা চন্দ্ৰকান্ত সিংহই ককায়েক কমলেশ্বৰ সিংহৰ মৃতদেহ দাহ কৰাৰ পিছত মে-ডাম্ মে-ফী যতী পূজা উদ্‌যাপন কৰিছিল বুলি বুৰঞ্জীত উল্লেখ আছে।

এইদৰে মে-ডাম্ মে-ফী পূজা বিভিন্ন সময়ত বিভিন্ন কাৰণত আহোম স্বৰ্গদেউসকলে পতাৰ কথা আহোম বুৰঞ্জীত উল্লেখ আছে। দেশত অপায় অমঙ্গল হ'লে, দুৰ্দিন বা দুৰ্যোগ আহিলে বা ব্যক্তিগতভাৱেও কিবা অমঙ্গল দেখা দিলে এই পূজা পতা হয়। আহোম ৰাজত্বকালত ৰাজকীয় ভাৱে পতা আৰু সম্প্ৰতি সামূহিকভাৱে পতা এই মে-ডাম্ মে-ফী পূজা বা অনুষ্ঠানত দেশৰ আৰু সমাজৰ মঙ্গল কামনা কৰা হয়।

টাই গণনামতে ডিনচিঙ্ (আঘোন) মাহত নতুন বছৰ আৰম্ভ হয়। গতিকে এই মাহত মৃতক উপৰিপুৰুষ আৰু স্বৰ্গৰ দেৱতাসকলক পূজা সেৱা আগবঢ়ালে মানুহে মনোবল পায় আৰু স্বৰ্গৰ দেৱতাসকলৰ আৰ্শীবাদ লাভ কৰি বছৰটি মঙ্গলময় হয় বুলি টাই আহোমসকলে বিশ্বাস কৰে। সাম্প্ৰতিক সময়ত মে-ডাম্ মে-ফী পূজা পিতৃপুৰুষৰ পূজা হিচাপে অনুষ্ঠিত হৈ আছে আৰু ক্ৰমান্বয়ে ৰাজহুৱা উৎসৱলৈ পৰ্য্যবসিত হৈছে। আহোম সকলৰ বাহিৰেও অন্যান্য সম্প্ৰদায়ৰ লোকসকলে এই উৎসৱত অংশগ্ৰহণ কৰি স্বৰ্গদেউসকলৰ স্মৃতিত শ্ৰদ্ধা তৰ্পণ কৰে। এইদৰে মে-ডাম্ মে-ফী পূজা আড়ম্বৰপূৰ্ণভাৱে উদ্‌যাপিত হবলৈ ধৰাত ই এক সুকীয়া সামাজিক আৰু ৰাজনৈতিক তাৎপৰ্য্য বহন কৰি আহিছে। ফলশ্ৰুতিত আহোমসকলে পৰম্পৰাগতভাৱে পালন কৰি অহা পিতৃপুৰুষক তৰ্পণ দিয়া মে-ডাম্ মে-ফী অনুষ্ঠানটিয়ে পূজাৰ পৰিধি ভাঙি সংহতিৰ উৎসৱলৈ উত্তৰণ ঘটিছে। আহোমসকলে ধৰ্মীয় আৰু লোকবিশ্বাসৰ আধাৰত অনুষ্ঠিত কৰা পূজা পাতল আৰু উৎসৱ অনুষ্ঠানসমূহে অসমৰ সামাজিক, সাংস্কৃতিক, ৰাজনৈতিক আৰু ধৰ্মীয় ঐক্য স্থাপন কৰাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা যে গ্ৰহণ কৰি আহিছে তাত কোনো সন্দেহ নাই।

**সংগীত গ্ৰন্থাৱলী ঃ**

১। লীলা গগৈ ঃ অসমৰ সংস্কৃতি।
২। Golap chandra Barua : Ahom Buranji.
৩। Pandmeswar Gogoi : The Tai and the Tai kingdoms.
৪। Sir Edward Gait : A History of Assam
৫। ডঃ সূৰ্য বৰুৱা ঃ আহোম সকলৰ উৎসৱ অনুষ্ঠান।
৬। H.K. Barpujari (Ed): The comprehensive History of Assam.
৭। S.L. Baruah : A comprehensive History of Assam. ====

# জনতাৰ জ্যোতি জ্যোতিপ্ৰসাদ

ধনশ্ৰী শৰ্মা
অসমীয়া বিভাগ

"সুন্দৰে যে ফুলাৰ মন্ত্ৰ অহোৰাত্ৰি
মাতে
সেয়েহে ইমান ফুল প্ৰভাতে
প্ৰভাতে।"

প্ৰভাতে প্ৰভাতে ফুলি উঠা ফুল কুমলীয়া মনৰ সংবাদ যোৱা ত্ৰিশ-চল্লিশৰ দশকত অপূৰ্ব চিত্ৰময়তাৰে প্ৰাণধৰ্মী সাৱলীলতাৰে দান কৰা শিল্পীজন হ'ল জ্যোতিপ্ৰসাদ আগৰৱালা। এক বিমূৰ্ত সৌন্দৰ্য দৃষ্টি জ্যোতি প্ৰসাদৰ কলা সংস্কৃতি তত্ত্বৰ পৰিচালিকা শক্তি। অসমীয়া সাহিত্য সংস্কৃতিৰ সুনীল আকাশত ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা এটি উজ্বল জ্যোতিষ্ক। সংগীতৰ প্ৰবাহমান নৈ খনলৈ গতিময়তা দান কৰাৰ বাবে তেওঁ চিৰস্মৰণীয়। স্বাধীনতা সংগ্ৰামলৈ অনুপ্ৰেৰণা যোগোৱা বাবে, এগৰাকী প্ৰকৃত স্বাধীনতা সেণানী হিচাপে সকলোৰে অনুকৰণীয়। দেখা যায় মহান শিল্পী সকলে নিজৰ অন্তৰাত্মাৰ বৈপ্লৱীক চেতনাৰ দ্বাৰা অনুপ্ৰাণিত হৈ সমাজৰ প্ৰাচীন আৰু প্ৰচলিত নীতি-নিয়ম যোগ-বিয়োগ কৰি তাত নতুনত্বৰ ৰং সানিবলৈ প্ৰয়াস কৰি আৰু সাহস কৰে আৰু সেই পথেৰে আগুৱাই গৈ প্ৰেৰণাৰ সোঁত বোৱায়। এনে প্ৰেৰণা প্ৰদানকাৰী শিল্পী জ্যোতিপ্ৰসাদ আগৰৱালা। কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভাই তেওঁক "আজীৱন ৰূপতীৰ্থৰ যাত্ৰী, আজীৱন ৰূপতীৰ্থৰ সাধক, আমৰণ ঝঞ্ঝাবিজয়ী আত্মাৰ গৰাকী, নৱ-নৱোন্মেষ শালিনী শক্তি আৰু বহু প্ৰতিভাৰে উদ্ভাসিত শিল্পী" (জ্যোতি প্ৰতিভা, পৃষ্ঠা-২৮) আখ্যা দিছে।

জ্যোতিপ্ৰসাদ আগৰৱালাৰ দৰ্শনক 'ৰূপান্তৰৰ দৰ্শন' আখ্যা দিব পাৰি। তেওঁৰ প্ৰতিভা আৰু ব্যক্তিত্বৰ মাজত জ্যোতি দৰ্শন নিহিত হৈ আছে। ইয়াৰ মাজত কৃষ্ণও আছে, শ্ৰীমন্ত শংকৰো আছে আৰু গান্ধীৰ লগতে শ্ৰেণী-সংগ্ৰামৰ মাৰ্ক্সবাদী ধ্যান-ধাৰণা থকা বাবে অসমীয়া সমাজ আৰু সংস্কৃতিলৈ নতুনত্ব দান কৰিব পাৰিছিল। "ৰূপান্তৰেহে মাথোঁ জগত ধুনীয়া কৰে, এয়ে মোৰ গায়ত্ৰী মন্ত্ৰ"- এই পংক্তিৰ মাজত তেওঁৰ জীৱন দৃষ্টি স্পষ্ট আৰু পূৰ্ণ ৰূপত প্ৰকাশিত হৈছে। তেওঁৰ সংস্কৃতিয়ে 'শিল্পীৰ পৃথিৱী' গঢ়ি তোলাত প্ৰেৰণা যোগায়। সংস্কৃতিয়ে যুগে যুগে দেশে দেশে বেলেগ বেলেগ ৰূপত প্ৰকাশ লাভ কৰি দুষ্কৃতিৰ বিৰুদ্ধে সংগ্ৰাম কৰি আহিছে, কৰি থাকিব, এই বিশ্বাসেৰে জ্যোতিপ্ৰসাদে জনতাৰ বুকুৰ শিল্পী সত্ত্বাক জগাই তুলিবলৈ আহ্বান কৰিছে।

মহাপুৰুষ শংকৰদেৱৰ পিছত অসমৰ সাংস্কৃতিক জগতৰ আন্ধাৰ সমূহ আঁতৰাই গুৰু জনাৰ আদৰ্শ অনুকৰণ কৰি সংস্কৃতিক নসাজেৰে সজাই পৰাই বৰপীৰাত বহিবলৈ যিজনে আহোপুৰুষাৰ্থ কৰিছিল- তেওঁ হ'ল জ্যোতিপ্ৰসাদ আগৰৱালা। অসমীয়া ভাষা, সাহিত্য, শিল্পকলা আৰু সংস্কৃতিৰ বৰণ্যে পুৰোহিত জনৰ ধাৰণা হ'ল "সুন্দৰৰ পূজাই হৈছে সংস্কৃতি। সংস্কৃতিৰ পূৰ্ণ বিকাশতেই মানুহৰ জীৱনৰ চৰম আনন্দ।" আগৰৱালাই অসুন্দৰৰ ছায়া মচি সুন্দৰৰ জয়যাত্ৰা বিচাৰিছিল। তেখেতৰ নাটক শোণিত কুঁৱৰী, কাৰেঙৰ লিগিৰী, ৰূপালীম, লভিতা, নিমাতী কইনা, খনিকৰ আদিৰ মাজেদি পৌৰাণিক যুগৰ পৰা বৰ্তমানলৈ নাটকীয় বিষয়বস্তুৰ সাৰ্থক ৰূপ দিব প্ৰয়াস কৰিছিল। বিপ্লৱী চেতনাত আস্থা সম্পন্ন জ্যোতি প্ৰসাদৰ ঐক্য সংগঠন আদিৰ বৈশিষ্ট্য আটাইকেইখন নাটকতে বিদ্যমান। তেওঁৰ আটাইকেইখন নাটকতে আপোন আপোন বৈশিষ্ট্য বিচাৰি পোৱা যায়। তেওঁৰ ৰচিত নাটকে অসমীয়া নাট্য সাহিত্যৰ বুৰঞ্জীত নতুন দিগন্ত উন্মোচিত কৰি থৈ গৈছে। তেখেতে দুষ্কৃতিক বিনাশ কৰি বিশ্ব সংস্কৃতিৰ পথাৰে-পথাৰে





মণি-মুকুতা বুটলি মুক্তিৰ জয়গান গাইছিল। শতাব্দীৰ জড়তা, পঙ্গুতা, নিৰ্জীৱতা আঁতৰাই মানৱ সমাজৰ এক বৈপ্লৱিক আলোড়নেৰে সমুজ্বল কৰিবলৈ যুগগ্ৰামী তৰুণ সকলক আহ্বান জনাইছে- "তোৰ আন্ধাৰক নাশিবলৈ/ তোৰ বুকুতেই/ বিপ্লৱী হে জগাম (ৰচনাৱলী পৃঃ ৫৫০)"। নাটকীয় গীত-মাত জনতাৰ নৱ জীৱনৰ সংগ্ৰামৰ পথত অস্ত্ৰ হব, আগৰৱালাৰ মতে সেয়া হ'ব ৰূপান্তৰৰ অস্ত্ৰ।

অসমৰ থলুৱা আৰু শাস্ত্ৰীয় সংগীতৰ সমন্বয়ৰ দ্বাৰা সংগীতক এক নৱ যুগৰ নতুন মাত্ৰা দান কৰিছিল। আগৰৱালাদেৱে নিজে গীতত উল্লেখ কৰিছে- "মোৰ গীতত উৰে বিশ্ব পূজাৰ গন্ধময়ী ধূপ।" তেওঁৰ সমবেত সংগীত সমূহত বিশ্বশক্তি জাগৰণৰ উদাত্ত আহ্বান দেখিবলৈ পোৱা যায়। পাশ্চাত্য সংগীতৰ কৌশল অসমীয়া গীতত ব্যৱহাৰ কৰি অসমীয়া গীতক এক স্বকীয় ৰূপ দিব খুজিছিল। আগৰৱালাদেৱে অসমীয়া থলুৱা বাদ্য-যন্ত্ৰ বাঁহী, টকা, গগনা, পেঁপা, চেৰেন্দা, খোল, দোতোৰা, নাগাৰা, ডবা, ভোৰতালৰ লগত বেহেলা, ক্লাৰিওনেট, অৰ্গেন আদি পাশ্চাত্য বাদ্য-যন্ত্ৰ লগ লগাই 'অৰ্কেষ্ট্ৰা' বা বাদ্যবৃন্দ সৃষ্টি কৰিছিল। বহুতে জ্যোতি প্ৰসাদৰ গীত সমূহক সংগীতৰ এটি সুকীয়া পৰ্যায়ত অন্তৰ্ভুক্ত কৰি 'জ্যোতি সংগীত' আখ্যা দিছে।

জ্যোতি প্ৰসাদৰ কবিতা সমূহতো বিশ্বজনীনতা আৰু কবি মনৰ ভাৱপ্ৰৱণতা, চিন্তা ধাৰাৰ সুন্দৰ প্ৰকাশ পাইছে। তেওঁৰ কবিতাৰ বিশেষ লক্ষণীয় গুণ দুটা হ'ল- গতি চাঞ্চল্য আৰু সংগীতময়তা। কবিতা সমূহত চিৰ সুন্দৰৰ ধ্যানে সামগ্ৰীক ৰূপত প্ৰকাশ লাভ কৰিছে। জ্যোতি প্ৰসাদৰ কবি মানসে সৃষ্টি কৰা মহামানৱেৰে ভৰা পৃথিৱীখনৰ সপোন কবিতা সমূহত প্ৰবাহিত হৈছে। 'শিল্পীৰ আলোক যাত্ৰা' কবিতাটিত এই ভাৱৰ অনুৰণন দেখা যায়।

"শিল্পী মই পোহৰৰ বাটে বাটে যাওঁ
চিৰ সুন্দৰৰ মই অনন্ত ধ্যানী হে
সৌন্দৰ্যৰ বৈচিত্ৰ্যেৰে
নৱ নৱ ধেমালিৰে
আনন্দ বিলাওঁ
ঘৰে ঘৰে নতুনৰ চাকিটি জ্বলাওঁ।"

তেওঁৰ কবিতাত বাস্তৱমুখী চিন্তাধাৰাৰ লগতে বৈপ্লৱী চিন্তাধাৰা আৰু জাতীয়তাবাদী উদ্দীপনাৰ সুৰ প্ৰকাশ পাইছে।

বিদেশত চলচিত্ৰ নিৰ্মাণৰ প্ৰশিক্ষণ লৈ জ্যোতিপ্ৰসাদে নিৰ্মাণ কৰা প্ৰথম অসমীয়া কথাছবি জয়মতী (১৯৩৫) আৰু ইন্দ্ৰমালতী নিৰ্মাণ কৰি কলা বিষয়ত থকা তেখেতৰ অনুৰাগ আৰু অনুসন্ধিৎসা আৰু ৰুচিৰ সাক্ষ্য দিয়ে। শিশু সাহিত্যৰ যুগান্তকাৰী স্ৰষ্টা জ্যোতিপ্ৰসাদে তেওঁৰ অকণমানি ছোৱালী, অকমাণি ল'ৰা এই দুয়োটা কবিতাত ইয়াৰ নিভাজ প্ৰতিফলন ঘটাইছে। তেওঁৰ ৰচিত জ্যোতি ৰামায়ণত ভাৰতৰ ভৌগলিক সীমা, ইয়াৰ সোণ-খটোৱা, ৰূপ খটোৱা ঐতিহ্য শিশুৱে তেনেই সহজতে বুজি পোৱাকৈ কবিয়ে বৰ্ণনা কৰিছে। তেওঁৰ ৰচিত শিশু নাট 'নিমাতী কইনা' আৰু 'সোণ পখিলী' দুয়োখনেই ৰূপাত্মক আৰু আদৰ্শাত্মক। জ্যোতি প্ৰসাদে অঁকা গুৱাহাটী বিশ্ববিদ্যালয় ভৱনৰ নক্সাকেইটাৰ ভিতৰত আমি প্ৰধান বুলি ভৱা নক্সাটোৱেই তেখেতৰ আধুনিক শিল্পবোধ বিশেষকৈ আধুনিক স্থাপত্য ভাৱনা আৰু চেতনাৰ পৰিচয় দিয়ে।

ৰূপকোঁৱৰ জ্যোতি প্ৰসাদ এক অনন্য ব্যক্তিত্বৰে পৰিপূৰ্ণ ব্যক্তি। তেওঁৰ মানৱ প্ৰেম, দেশপ্ৰেম, শিল্পানুৰাগ, সৰ্বভাৰতীয় দৃষ্টিকোণ অন্তৰ্নিহিত গীত আৰু ৰচনাৱলী, প্ৰগতিশীল সাহিত্য অসমীয়া সমাজৰ অনুপম সম্পত্তি। সত্য শিৱ সুন্দৰৰ পূজাৰী এই মহান শিল্পীগৰাকী একেধাৰে একাধিক প্ৰতিভাৰ অধিকাৰী হোৱা বাবে অসমীয়া জাতিয়ে তেওঁক যথেষ্ট সন্মান আৰু কৃতজ্ঞতা যাচিছে। তেওঁৰ মৃত্যুৰ দিনটোক "শিল্পী দিৱস" বা "জ্যোতি দিৱস" (১৭ জানুৱাৰী) হিচাপে পালন কৰি অসমীয়া জাতিয়ে চিৰকৃতজ্ঞতা যাচিছে। অসমীয়া ভাষা আৰু সাহিত্য সংস্কৃতিলৈ তেওঁৰ অপৰিসীম অৱদান সমূহৰ কাৰণে তেওঁক জন্মসিদ্ধ শিল্পী বুলি ক'লেও অত্যুক্তি কৰা নহয়। জ্যোতি প্ৰসাদ তেওঁৰ জীৱন আৰু সমাজৰ ঐতিহাসিক পটভূমিত অসমীয়া মানুহৰ চিৰনমস্য স্ৰষ্টা আৰু দ্ৰষ্টা স্বৰূপে স্বীকৃত হৈ থাকিব।

=====

# গল্পৰ শিতান



হলেণ্ডৰ এখন গাঁও
ফটো - ৰুবুল হাজৰিকা





# প্ৰতাৰণা

আমানুল হক
স্নাতক দ্বিতীয় বৰ্ষ

নাম তেওঁৰ দীপক, সমাজখনে তাক দিপু বুলিয়েই জানে। সৎ, অমায়িক, ভদ্ৰ হোৱাৰ বাবে তেওঁক কোনেও বেয়া চকুৰে নাচায়। তেওঁক বেয়া পোৱা মানুহ আঙুলিৰ মূৰত হিচাপ কৰিব পৰা বিধৰ। সমাজখনৰ লগত তেওঁৰ আত্মাৰ সতে একাত্ম হৈ পৰিছে। সমাজখন এৰি যাবলৈ তেওঁৰ একেবাৰে মন নাই। তথাপিও মাক, ভাই, ভনী দুটাক পোহ পালন আৰু শিক্ষাৰ দায়িত্বই তেওঁক যাবলৈ বাধ্য কৰাইছে।

বি.এ পাছ কৰাৰ পাছত দেউতাকৰ অকাল মৃত্যুৰ পিছত দিপুৱে অন্য পথ নেদেখি ওচৰৰ চহৰতে কোম্পানী এটাত চাকৰি এটা কৰিবলৈ লয়। কোম্পানীৰ বিশেষ প্ৰশিক্ষণৰ বাবে দিপুৱে যাব লগা হৈছিল পুনেলৈ। কাইলৈ ৰাতিপুৱা ৯ বজাত ৰেল। সেইবাবে মাকে বেগত টি ছাৰ্ট দুটা, স্পৰ্টিং দুটা লগতে কলেজৰ ইউনিৰ্ফম যোৰও বেগত ভৰাবলৈ পাহৰা নাই। ইয়াৰ ওপৰিও ব্ৰাছ, টুথ পেষ্ট আদি লাগতিয়াল বস্তু বেগত ভৰাই সামৰি লৈ দিপুক মাকে এক প্ৰকাৰৰ কঠোৰ আদেশৰ সুৰত ক'লে - বোপাই এতিয়া শোৱা গৈ কাইলৈ ৯ বজাতে ট্ৰেইন। ৰাতিপুৱা সোনকালে উঠিব লাগিব। দিপু সাধাৰণতে ৰাতি অলপ পলমকৈ শোৱে আৰু পুৱা দেৰিকৈ উঠাৰ অভ্যাস। গতিকে আজি সোনকালে শুলেও জানো টোপনি আহিব। নাই ইমান সোনকালে শুৱ নোৱাৰি, কম্পিউটাৰটোকে অন কৰিব নেকি? নাই ইচ্ছা নাই। মজিয়াত থকা আৰামী চকীখনতে বহিল। বহাৰ কিছুসময় পিছতে ই কাৰেন্ট গুচি গ'ল। লগে লগে কোঠালীত নামি আহিল ঘোৰ আন্ধাৰ, দিপুৱে অনুভৱ কৰিলে এই অন্ধকাৰতকৈ নিজৰ জীৱন যেন(?) তাতোকৈ আন্ধাৰ।

বাহিৰৰ খিৰিকীৰ ফালে লক্ষ্য কৰি দেখা পালে জোনাকে পোহৰাই তুলিছে পৃথিৱীখন। দিপুৰ মনলৈ আহিল শৈশৱত পঢ়া কবিতা এটিলৈ -

জোন বাই এ এটি তৰা দিয়া,
এটি তৰা নালাগে দুটি তৰা
দিয়া........

খুজিলেই জানো দিব পাৰিব। তথাপিও যেন মনে কিবা বিচাৰে পাবলৈ, ঠিক "প্ৰিয়া" ৰ সান্নিধ্য পোৱাৰ বাবে।

ক'বলৈ গ'লে কোম্পানীৰ চাকৰিত সোমোৱাৰ পিছৰ পৰাই প্ৰিয়াক পাহৰিছিল দিপুৱে আৰু প্ৰিয়ায়ো। দিপুৰ মন উৰা মাৰিছিল অতীতলৈ।

দীপক, অনিল, মৰমী, কৰবী, আফ্ৰোজা আৰু ৰহিম একেখন কলেজৰ একেটা ক্লাছৰে অন্তৰংগ বন্ধু আছিল। মৰমীয়ে প্ৰিয়াক চিনাকী কৰাই দিছিল দিপুৰ সতে। প্ৰথমে বন্ধুত্ব, পিছলৈ অকৃত্ৰিম প্ৰেমৰ বান্ধোনেৰে বান্ধি পেলাইছিল দুয়োকে। পৰস্পৰে পৰস্পৰক বহুত ভাল পাইছিল। অলেখ সপোন ৰচিছিল দুয়োৰ জীৱনত এজনে আনজনৰ হোৱাৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ আছিল। কলেজৰ পৰা পিক্‌নিক্‌ত দিপু আৰু প্ৰিয়া একেলগে গৈছিল। তাতে প্ৰিয়াই ইফালে -সিফালে ফুৰোতে জোক এডালে তাইৰ কোমল ভৰিত চুমা খাবলৈ লওঁতেই তাই ভয়তে পেপুৱা লাগি দিপুক কম জোৰেৰে সাৱটি ধৰিছিলনে? ক'ত কথা, ক'ত কি যে নকৰিছিল ইজনে সিজনৰ কাৰণে।

কিন্তু দিপু প্ৰিয়াতকৈ ছিনিয়ৰ আছিল বাবেই ইচ্ছা নথকা সত্বেও কলেজ এৰিব লগাত পৰিছিল। আৰ্থিক অনাটনৰ সন্মূখীন হোৱা দিপুৱে কোম্পানীৰ চাকৰিটোকে বাছি লৈছিল। আৰু ইয়াৰ সুযোগলৈ প্ৰিয়াৰ দেউতাকে দিপুৰ পৰা প্ৰিয়াক আঁতৰাই ৰাখিব খুজিছিল আৰু সফলও হৈছিল।

এনেতে মোবাইলটো বাজি উঠিল আৰু দিপু বাস্তবলৈ ঘূৰি আহিল। অনিচ্ছা স্বত্বেও ফোনটো

হাতত ললে। নামটো চাই মৰমী বুলি জানি দিপুৱে ফোনটো ৰিছিভ কৰিলে।

সিফালৰ পৰা মৰমীয়ে ক'লে - দিপু অহা ১৪ এপ্ৰিলত প্ৰিয়াৰ বিয়া। জয়ন্ত নামৰ গুৱাহাটীৰ ব্যৱসায়ী এজনৰ লগত।

কথাষাৰ শুনাৰ পিছত দিপুৱে এষাৰ মাতো দিব নোৱাৰিলে। তেওঁৰ বুকুত যেন এটা প্ৰকাণ্ড শিলে খুন্দা মাৰিলে।

প্ৰিয়াৰ বিয়া ঠিক সময়তে অনুষ্ঠিত হৈ গ'ল। সকলোৱেই আহিল, নাহিল মাত্ৰ দিপু। প্ৰিয়াই দিপুক মতাৰ প্ৰয়োজনবোধ নকৰিলে। বেচেৰা দিপুৱেও বোধহয় প্ৰিয়াক অন্য এজনৰ কইনা হোৱা দেখা সহ্য কৰিব নোৱাৰিব। দিপুৱে পোন প্ৰথমবাৰৰ বাবে সকলোতকৈ বেছি আপোন প্ৰিয়াৰ পৰা বিষাদ ভৰা বেদনা অনুভৱ কৰিলে। এক কথাত ক'বলৈ গ'লে প্ৰতাৰণা কৰিলে তাই দিপুক।

দিপুৱে প্ৰিয়াক আৰু দ্বিতীয়বাৰৰ বাবে লগ কৰা নাছিল। চেষ্টাও কৰা নাছিল। তথাপিও দিপুৱে গাঁৱলৈ যাওঁতে প্ৰিয়াক তেওঁৰ পতিৰ সতে লগ পাইছিল যদিও কথা পাতিবলৈ চেষ্টা কৰা নাছিল।

দিপুৱে আজিও পাহৰিব নোৱাৰে। প্ৰিয়াক আৰু তাইৰ প্ৰতাৰণাক। দিপুৰ আজিও চকুলো নিগৰে, ....... ।

দিপু জীয়াই আছে মাত্ৰ ভাই-ভনী হাল আৰু মাকৰ তাড়নাত। আন্ধাৰত কিছু সময় বহি থাকিল তেওঁ। পিছত খেপিয়াই বিচনালৈ গ'ল আৰু কেতিয়া নিদ্ৰাদেৱীৰ কোলাত ঢলি পৰিল কবই নোৱাৰিলে। মাকে ৰাতিপুৱা জগাই দিয়াতহে তেওঁ সাৰ পালে।

*(গল্পটি ছাইফুল দাৰ নামত উৎসৰ্গা কৰিলোঁ।)*

■■

## মহৎ লোকৰ বাণী

(ক) আজিৰ কাম তুমি কালিলৈ পেলাই নথবা, কাৰণ কালিলৈ তোমাৰ অৱস্থা কি হ'ব তুমি নিজেই নাজানা। - হজৰত মহম্মদ।

(খ) শিক্ষাৰ ঘাই শিপাডাল বৰ তিতা, কিন্তু ইয়াৰ ফলবোৰ বৰ মিঠা। - এৰিষ্টট'ল।

(গ) কাৰ কি জাতি আল্লাই বিচাৰ নকৰে, কোনে কি কৰে, তাকহে আল্লাই বিচাৰ কৰে। - গুৰু নানক।

(ঘ) মানুহৰ প্ৰত্যেকটো কথাৰেই একোটা সীমা আছে, কোনো সীমা নাই কেৱল মানুহৰ যন্ত্ৰণাৰ। - পিয়েৰ মাৰিঙো।

(ঙ) আঁঠুকাঢ়ি থকা অপলোক এজনতকৈ নিজৰ ভৰিৰ ওপৰত থিয় হৈ থকা চহা খেতিয়ক এজন বেছি ডাঙৰ। - বেঞ্জামিন ফ্ৰেংকলিন।

(চ) বন্ধুত্ব কেতিয়াবা প্ৰেমত পৰিণত হ'ব পাৰে, কিন্তু প্ৰেমৰ শেষ পৰিণতি কেতিয়াও বন্ধুত্ব নহয়। - বাইৰণ।

(ছ) সৃষ্টিৰ আটাইতকৈ সুন্দৰ বস্তুটো হ'ল ফুল। কিন্তু তাৰো শিপাবোৰ থাকে মাটিত আৰু গোবৰত। - ডি.এইচ. লৰেঞ্চ।

(জ) চিন্তা কৰিবা জ্ঞানী মানুহৰ দৰে, কিন্তু চিন্তাখিনি প্ৰকাশ কৰিবা সাধাৰণ মানুহৰ দৰে। - উইলিয়াম বাটলাৰ ইয়েটচ।

(ঝ) ভুল কৰাটো পাপ, কিন্তু তাক লুকুৱাই থোৱাটো আটাইতকৈ ডাঙৰ পাপ। -মহাত্মা গান্ধী।

(ঞ) শিক্ষাই হৈছে মূল উপায় যি মানৱ জীৱনলৈ সুখ-শান্তিৰ নিজৰা বোঁৱাই আনে। - এৰিষ্টট'ল।

সংগ্ৰাহক ঃ মঃ আব্দুল কাদিৰ
স্নাতক প্ৰথম বৰ্ষ (কলা)





# কুকুৰাই উমনি দিছিল হাঁহৰ কণী

ভক্তচন্দ্ৰ দাস
স্নাতক প্ৰথম বৰ্ষ

বহাগ মাহৰ দুপৰীয়া, আকাশত ক'লা ডাৱৰে ছানি ধৰিছে। বৰষুণ আহিলেই প্ৰচণ্ড বতাহ বলে, ঘনে-ঘনে বজ্ৰপাত পৰে। এনে এটা সময়ত আলি-বাটৰ কাষত এতিয়াওঁ ল'ৰা-ছোৱালীবোৰে ৰ লাগি চাই আছে কুকুৰাৰ লগত থকা হাহঁৰ পোৱালী কেইটাক। ময়ো গৈছিলো আৰু জানিব পাৰিলো, এই কুকুৰা আৰু লগত থকা পোৱালী কেইটা এই গাৱঁৰ দৰিদ্ৰ মহিলা বেচেৰী ৰতনীৰ। তাইৰ জুপুৰী ঘৰৰ ওচৰত খাল এটা থকাত ভাবিছিল ইয়াত কিছু হাঁহ পুহিলে নিশ্চয় লাভৱান হম। সেয়ে তাই মাইকী কুকুৰাটোক এইবাৰ হাঁহৰ কণী উমনি ল'বলৈ দিছিল আৰু কিছুদিন পিছত কণী ফুটি পোৱালীও জগিছিল। কুকুৰাটিয়ে হাঁহৰ কণী উমনি দি হাঁহৰ পোৱালী জগাই তুলিছিল এই কথা কেতিয়াও ধৰিব পৰা নাছিল। কিন্তু দুখৰ বিষয় কেইদিনমান পিছত খবৰ পালো ৰতনীৰ কুকুৰাৰ লগত এটা পোৱালীহে আছে আৰু বাকী কেইটা বেমাৰত পৰি একে ৰাতিতে মৰি থাকিল। "হায় কি কপাল; হে যম দেৱতা তুমি দুখীয়া নিছলাই পোহা পোৱালী কেইটাৰ প্ৰতি ইমান নিৰ্দয় হ'লা?

কপালৰ লিখা কোনে যোগ বিয়োগ কৰিব পাৰে। ৰতনীৰ কিনো নাছিল? সুন্দৰ ঘৰ আছিল, ভৰাঁলত ধান আছিল, গোহাঁলীত গৰু আছিল আৰু খেতি মাটিও পাঁচ বিঘা আছিল। কিন্তু সেই মাটিবাৰী গৰাখহনীয়াৰ কবলত পৰি ব্ৰহ্মপুত্ৰৰ বুকুত জাহ গ'ল। একমাত্ৰ ঘৰত কাম কৰা ল'ৰা ৰাজুৰ বাহিৰে স্বামী, পুত্ৰ আনকি আপোন বুলিবলৈ সকলো জহনী ৰোগত মৃত্যু হৈছে। যি ধান আৰু গৰু আছে সিওঁ বোলে স্বামীয়ে গাঁৱৰ দেৱানীৰ পৰা কঠীয়া কিনাৰ উদ্দেশ্যে এহেজাৰ টকা আনিছিল তাৰে সুতে-মূলে প্ৰায় পাঁচ হাজাৰ হৈছে। এই ঋণ পৰিশোধ কৰিবলৈ গৰুৱে ধানে পাৰ নাপায় যদিও ৰতনীয়ে কাকুতি মিনতি কৰি ধানখিনি ৰাখি গৰুহাল দি দেৱানীৰ পৰা মুক্তি লৈছে। শ্ৰাদ্ধ কৰ্মৰ খৰচ ধানৰ ওপৰেদিয়েই পাৰ হৈছে। এতিয়া ৰতনীয়ে আন মানুহৰ ঘৰত দিন হাজিৰা কাম কৰে, খোৱ-লোৱা তাতেই কৰে মাত্ৰ ৰাতি আহি সেই জুপুৰীত টোপনি যায়। তাইৰ ঘৰত কাম কৰা ৰাজুক আগৰ পৰা নিজৰ ল'ৰাৰ দৰে মৰম চেনেহ কৰিছিল। কিয়নো ৰাজুৱে অকালতে মা-দেউতাকক হেৰুৱাব লগা হৈছিল। সেয়ে আজি প্ৰায় সাত বছৰ হ'ল ৰতনীৰ ঘৰতেই আছে। এতিয়া ৰতনীৰো ল'ৰাটোৰ প্ৰতি মৰম দুগুণ বাঢ়িছে, কিন্তু ল'ৰাটোক ৰাখে কেনেকৈ, তাই নিজেই এতিয়া আন মানুহৰ ঘৰত কাম কৰিব লগা হৈছে। সেয়ে উপায় নাপাই ৰাজুক গুৱাহাটীত এজন ভাল মালিকৰ ঘৰত কামত থৈছে।

এতিয়া ৰতনীৰ কুকুৰাৰ লগত থকা হাঁহৰ পোৱালীটো অলপ ডাঙৰ হৈছে। ৰতনী কামৰ পৰা আহোতে অলপ দেৰি হ'লেও বিশেষ কোনো অসুবিধা নাই। পোৱালীটোৱে জুপুৰীৰ ভঙা বেৰাৰ মাজেদিয়েই নিজৰ ঠাইলৈ যায়। পোৱালীটোৱে আহাৰ বিচাৰি কেতিয়াবা পানীতো নামে আৰু সাতুঁৰি আহাৰ খায়। তেতিয়া কুকুৰাটিয়ে চিন্তাত আকুল হৈ পৰে। কিয়নো যদি পোৱালীটো পানীত ডুব গৈ মৰে, নতুবা যদি চিলনীয়ে থাপ মাৰি ধৰি লৈ যায়, তেতিয়া কুকুৰাটিয়ে একো কৰিব নোৱাৰিব, সকলো চেষ্টা ব্যাঘাত হ'ব। সেয়ে "কক্-কক্" কৈ পোৱালীটোক মাতিছে; কিন্তু পোৱালীয়ে এইবোৰ ভাষা এতিয়া আৰু নুশুণে, বুজিবওঁ চেষ্টা নকৰে। পোৱালীটোৰ এতিয়া অভ্যাস হৈছে পানীত নামি আহাৰ খোৱা ইফালে ৰতনীয়ে জানিব পাৰিছে ৰাজুৱে বোলে সেই মালিকৰ ঘৰত নাথাকে। বেলেগ কৰবাত থাকে, তাৰো সঠিক ঠিকনা নাই। ইতিমধ্যে এবাৰ আহিছিল হাজাৰ টকীয়া নোটৰ

বাভীল কেইটামান লৈ। কিন্তু মইনো এইবোৰৰে কি কৰিম, তুমি ভাল মানুহ হোৱা, ভাল কাম কৰা ইত্যাদি ৰতনীয়ে কৈ দিছে। ৰাজুৱে কৈছে "টকাহে ঘটিব লাগে, মই ভাল কামেই কৰো কেতিয়াবা ড্ৰাইভাৰী কেতিয়াবা ঠিকাদাৰী, সিওঁ বেছি সময়ৰ বাবে নহয়।"

ৰতনীৰ মনত চিন্তা ল'ৰাটোৰে কি কৰে। তাই মেঘৰ ভিতৰত বিজুলীৰ নিছিনা খন্তেকৰ বাবে হলেও সুখৰ আশা কৰিছিল, অন্ধকাৰ সংসাৰত আশাৰ দ্বীপ এটি জিলিকি উঠাৰ সপোন দেখিছিল। কিন্তু ৰতনীৰ জুপুৰী ঘৰৰ চাল ভাল নোহোৱাত বৰষুণৰ পানী পৰি সপোন ভংগ কৰি দিলে। পুত্ৰ-কন্যা বিহীন ৰতনীয়ে একমাত্ৰ ৰাজুৰ ওপৰত আশা কৰিছিল - ল'ৰাটো ডাঙৰ হ'ব, নিজ ঘৰ-বাৰী বনাব মইনো আন মানুহৰ ঘৰত আৰু কিমান দিন কাম কৰিম। কিন্তু ভাগ্যৰ চকৰী ঘড়ীৰ কটাৰ দৰে এবাৰ তলত, এবাৰ ওপৰত উঠে। ল'ৰাটি বোধহয় সংগদোষত পৰি বিপথে পৰিচালিত হৈছে। কোনেনো তাক বুজাব পাৰিব, মোৰ কথাতো এতিয়া শুনিবই নোখোজে আৰু অনুশাসনৰ মাজতো ৰাখিবলৈ অক্ষম।

এইবোৰ ভাবি থাকোতেই ৰতনীৰ কুকুৰাৰ লগত থকা হাঁহৰ পোৱালীটোক চিলনীয়ে পানীৰ পৰা থাপ মাৰি ধৰি লৈ গুচি গ'ল। পোৱালীটোক বচাবলৈ মাইকী কুকুৰাটোৱে চেষ্টা কৰিছিল যদিও সি নিৰৰ্থক। খন্তেক পিছতে খবৰ এটা আহি ৰতনীৰ কাণত পৰিল, তাইৰ ৰাজুৱেওঁ বোলে গুৱাহাটীত বোমা বিস্ফোৰণত অপৰাধী বুলি ধৰা পৰাত আজীৱনৰ বাবে জেলত সোমালে। এই কথা ৰেডিঅ', দূৰদৰ্শনৰ মাজেদি গাৱঁৰ মানুহে ইয়ালৈ আনিছে।

এতিয়া ৰতনীয়ে অনুভৱ কৰিব পাৰিছে কুকুৰাটোৱে হাঁহৰ কণী উমনি দিয়াৰ দৰে ময়ো এই ল'ৰাটোৰ প্ৰতি কৰা আশা নিৰৰ্থক। সেয়ে ৰতনীয়ে চিন্তাত আকুল হৈ কান্দিব ধৰিছে। কান্দোনৰ শব্দ কোনেও নুশুনিলে। ====

## কৌতুক

(ক) প্ৰেমিকা ঃ তুমি মোক কিয় ভালপোৱা?
প্ৰেমিক ঃ চুটি চুটি কাপোৰ পৰিধান কৰাৰ বাবে।
প্ৰেমিকা ঃ তুমি মোক বিয়া কৰাবানে?
প্ৰেমিক ঃ কিয়? তোমাক ভালপোৱাৰ ওৱাৰেন্টি মাথোন এবছৰহে।

(খ) পত্নী ঃ চাহজাহানে মমতাজৰ বাবে তাজমহল সজাইছিল আৰু মই ঢুকালে তুমি কি কৰিবা?
স্বামী ঃ আৰু এজনী বিয়া কৰাম।

(গ) শিক্ষক ঃ মহাত্মা গান্ধীৰ মূৰত চুলি কিয় নাই জানানে?
ছাত্ৰ ঃ ছাৰ মহাত্মা গান্ধীয়ে মূৰত তেল, চাবোন দিয়া নাছিল।

(ঘ) বিমল ঃ তোমাক মাৰাই মাৰিলে তুমি কি কৰা?
ৰাতুল ঃ দৌৰি ফুৰো।
বিমল ঃ কিয়?
ৰাতুল ঃ মোৰ মা শকত।

(ঙ) পুলিচ ঃ তুমি কিয় চোৰ কৰা?
চোৰ ঃ হাস্য-ব্যঙ্গৰ কথা লিখি লক্ষ্মীনাথ বেজবৰুৱাই 'ৰসৰাজ' উপাধি পাইছে।
পুলিচ ঃ তাতে তোৰ কি হ'ল?
চোৰ ঃ চোৰ কৰিলেহে মই 'চোৰ' উপাধি পাম।

এম. বিল্লাল হুছেইন, এইচ. এচ. প্ৰথম বৰ্ষ





# ধূপৰ সুবাস

কনকলতা শইকীয়া
মুৰব্বী অধ্যাপিকা, অসমীয়া বিভাগ

সাৰদীৰ মুখৰ পৰা ভাত গৰাহ ওলাই আহিব খুজিলে। তাই মুখলৈ নিয়া ভাত গৰাহ কিছু সময় মুখতে ৰাখি টপাটপ গিলি বাহিৰলৈ উঠি আহিল। কিছু সময় বাহিৰতে থাকি দমকলটো মাৰি ফিল্টাৰত পানী দি দি চকুপানী টুকিলে। দুখ কিছু সাম কটাত ভিতৰলৈ আহি পাকঘৰটোৰ বস্তুবোৰ ঠিকঠাক কৰিব ধৰিলে। সময় বাগৰাৰ লগে লগে শোকে সাৰদীক হেচি ধৰিলে। আজি কেইদিন মানৰ পৰা তাই অনুভৱ কৰিছে যে গাটো খুব বেয়া লাগে মাজে মাজে। তথাপি সেইবোৰ আওকান কৰি ঘৰৰ সকলো কাম অকলে কৰি-মেলি স্কুললৈ যায়গৈ। ঘৰৰ পৰা চাৰি কিলোমিটাৰমান আঁতৰৰ স্কুললৈ চাইকেল লৈয়ে যায় সাৰদী। এইকন ৰাস্তা যাওঁতে তাইৰ বেছি সময় নালাগে। কিন্তু কেইদিন মানৰ পৰা সময় লগা হৈছে - এঘন্টাৰ ঠাইত ডেৰঘন্টা আৰু ডেৰঘন্টাৰ ঠাইত দুঘন্টাও সময় লাগে কেতিয়াবা। স্কুল গৈ পাই ভাগৰে হেঁচি ধৰে বেচেৰীক। কোনো মতে পাঠদান কাৰ্য্য শেষ কৰি কমন ৰুমত জিৰণি লৈহে ঘৰলৈ অহাৰ কথা ভাবে। সাৰদীৰ ক্লাচবোৰ ছাত্ৰ-ছাত্ৰীৰ বৰ প্ৰিয়। তাইৰ মাত-কথা আৰু সিহঁতৰ প্ৰতি এগৰাকী মাতৃ বা জেষ্ঠ ভগ্নীৰ দৰে কৰা ব্যৱহাৰে সকলোকে আকৰ্ষিত কৰে। অসমীয়াত এষাৰ কথা আছে - 'আপোন ভালে জগত ভাল' বা 'আপোনাৰ ব্যৱহাৰে আপোনাৰ পৰিচয়'। সঁচা অৰ্থত ভাল আচাৰ-ব্যৱহাৰ এজোপা জকমকাই ফুলি থকা ফুলৰ দৰে। ই কাকো আহ্বান কৰিব নালাগে, আনে নিজেনিজে আকৰ্ষিত হয়। সাৰদীও যেন এইখন বিদ্যালয়ৰ এজোপা জকমকাই ফুলি থকা ফুল। চামে চামে ল'ৰা-ছোৱালী আহিছে গৈছে কিন্তু কোনেও সাৰদীৰ বিষয়ে এষাৰ বেয়া কথা কোৱা শুনা নাই।

এইজনীয়ে সাৰদী - মাকৰ ঘৰত থাকোতে ঘৰখনৰ চাৰিওদিশ চোৱা-চিতা কৰা এজন প্ৰহৰীৰ দৰে আছিল তাই। সৰুতে পিতৃহীন হোৱা সাৰদীৰ তলত এজনী ভনীয়েক আৰু মাক। দশমমান শ্ৰেণীত উঠাৰ বছৰতে দেউতাকক কোনোবা দুৰ্বৃত্তই হত্যা কৰি সিহঁতৰ ঘৰৰ কিছু আঁতৰত পেলাই থৈ গৈছিল। গধূলী বজাৰ কৰিবলৈ গৈ আৰু কোনো দিন ঘূৰি নাহিল তেওঁ ঘৰলৈ। সেই বয়সৰে পৰাই তাই অতি ধৈৰ্য্য ধৰি ঘৰ, পথাৰ চম্ভালি মেট্ৰিক পৰীক্ষা দিলে আৰু চেকেণ্ড ডিভিজনত পাঁচ কৰি কলেজতো পঢ়িলে। দেউতাকে সপ্তম শ্ৰেণীত কিনি দিয়া অতি মৰমৰ চাইকেলখনেৰে সাৰদীয়ে কলেজৰ ক্লাচসমূহ কৰি অতি সুন্দৰকৈ বি, এ পাঁচ কৰি ওলাই আহিল। ভনীয়েক ঋতুক এজন সুদক্ষ পথ প্ৰদৰ্শক হৈ তাইৰ যত্ন আৰু চেষ্টাতে মেডিকেল পঢ়ালে। মাকে মন মাৰি থকা দেখিলে দুয়োজনী বাই-ভনীয়ে মিলি মাকক মাজত বহুৱাই লৈ হুঁহুৱাবলৈ যত্ন কৰে। মাক গীতাই ভালকৈয়ে কান্দোনকো চেপি ৰাখিছিল। ডাঙৰ ছোৱালী সাৰদীৰ মুখখন দেখিলেই মাকৰ অন্তৰে হাহাকাৰ কৰি উঠে। অতি আদৰৰ জীয়েকৰ মূৰত পৰা সংসাৰৰ বোজা কেনেকৈ বহন কৰিছে তাক এবাৰ যদি দেউতাকে দেখিলেহেতেঁন তেওঁ কিজানি কান্দি-কান্দি বলীয়া হ'লহেতেন।

গীতাৰ প্ৰায়ে ৰাতি টোপনি নহয়। একেটা কোঠাতে মাক-জীয়েক থাকে। ঘনে-ঘনে বাগৰ সলাই থাকিবও নোৱাৰে তেওঁ। কিজানি সিহঁত সাৰ পায় আৰু তেওঁৰ টোপনি নহা বুলি জানিলে দুয়োজনীয়ে হুলস্থুলখন কৰিব - 'মা তোৰ টোপনি অহা নাই নেকি? কি ভাবি আছ?? ভাবিবলৈ কি আছে কচোন? আমি ডাঙৰ হৈছো নহয়, আমি ছোৱালী কাৰণে একো চিন্তা নকৰিবি মা-। তই

ঈশ্বৰৰ নাম ল, আমাক যাতে ভগৱানে মনৰ সাহস আৰু ধৈৰ্য্য, সহ্যগুণ দিয়ে'। সেইবাবে মাকে টোপনি নহা সময়লৈকে গা বিষালেও বাগৰ নসলায়।

সাৰদীয়ে এটা ল'ৰাৰ দৰে ঘৰখন চম্ভালিছে। দেউতাকে জমা কৰি থোৱা অলপ টকা আছিল যদিও সেই খিনিত হাত দিয়া নাই তেওঁলোকে। টানে-বিপদে লাগিব পাৰে বুলিয়ে ঘৰখন টানি-টুনি চলি আছে। খেতিৰ মাটিবোৰ গাৱঁৰে ধনেশ আৰু মহেশক আধিয়াৰ দিয়ে। দুয়োজন ভাই-ককাই আৰু অতি সহজ-সৰল। দেউতাক ঢুকোৱাৰ পিছৰ পৰা তেওঁলোকে ঠিকে-ঠাকে ধান দি আহিছে আৰু তাকে বিক্ৰী কৰি চলি আছে। বাৰীৰ তামোল-পান, ফল-মূলতো টকা নহা নহয়, তাৰেই দোকানৰ বস্তু কেইপদ আনিব পাৰি। গতিকে তিনিটা প্ৰাণী চলি যাব পাৰে। সাৰদীয়ে কলেজৰ ডেওনা পাৰ হোৱাৰ পাছৰে পৰা মাকক অন্য এটা চিন্তাই জুমুৰি দি ধৰিছে। তাইৰ লগৰ ছোৱালী এজনী দুজনীকৈ বিয়া হব ধৰিছে। এতিয়া তাইৰ বিয়াৰ কথা ভাবিব লাগিব বুলি মাক গীতাই মাজে-সময়ে চিন্তা কৰে। ল'ৰাৰ খবৰ আহিয়ে আছে। গাৱঁৰ বাহিৰেও সিহঁতৰ সেই অঞ্চলৰ সকলোৱে সাৰদীক জানে। গতিকে ভাল ছোৱালীৰ ল'ৰা অহা একো অস্বাভাৱিক নহয়। মাকে জীয়েকৰ বিয়াৰ কথা উলিয়ালেই তাই মাকক কয় 'মা, মই বিয়া নহও বুলেতো কোৱা নাই? কিন্তু ইমান সোনকালে নহয়। আগতে ঋতুৱে মেডিকেল পাছ কৰি আহক, তাৰ পিছতহে মই চিন্তা কৰিম। এতিয়া আৰু এইবোৰ নুলিয়াবি।' সাৰদীয়ে মনত দুখ পায় বুলি মাক গীতাই মুখ বন্ধ কৰিলে। আজি কালিকৈ দিন বাগৰিল। ঋতু ডাক্তৰণী হৈ মেডিকেলৰ পৰা ওলাই আহিল। ঋতুৰ পি জি কৰিবৰ মন আছিল যদিও তাই বায়েকৰ আগত মুখ নুখুলিলে। এই যাৰ শুনা মানে বায়েকে তাইক পুনৰ পঢ়িবলৈ পঠিয়াই দিব। সেইবাবে ঋতুৱে বায়েকে নজনাকৈ বন্ধু-বান্ধৱীৰ লগত যোগাযোগ ৰাখিলে পি জি কৰিবৰ বাবে।

ঋতুৱে নামনি অসমৰ ভিতৰুৱা গাওঁ এখনৰ চিকিৎসালয়ত চাকৰি পালে। ইতিমধ্যে সাৰদীয়ে এদিন গধূলি জুহালত জুই পুৱাই থাকোতে মাকক ক'লে - 'মা এমাহৰ ফিচত ঋতু যাবগৈ। এতিয়া ঘৰত তই আৰু মইহে, গতিকে মই কথা এটা চিন্তা কৰিছো তই বা কি কৱ?

মাকে জীয়েকৰ মুখলৈ প্ৰশ্নবোধক চাৱনিৰে চালে আৰু সুধিলে - 'তই যি কথাষাৰ কবি মই বুজিছো, মই তোৰ মাৰ বুজিছ, তই আ কৰোতেই মই ধৰিছো তোৰ চিন্তাৰ কথা।' মাকে অতি কোমল আৰু কৰুণ মাতেৰে জীয়েকক বুজালে যে, তই অতি কম বয়সৰ পৰাই বহু কষ্ট কৰি ঘৰ চলাই পঢ়া-শুনা কৰিলি। নিজৰ কথা ভাবিবলৈ সময়ে নেপালি, ঘৰখনৰ কাৰণে লাগি থাকোতে থাকোতে দিনবোৰ পাৰ হ'ল। ঋতুৱে পঢ়া শেষ কৰিলে। তাই এতিয়া ঘৰখনৰ দায়িত্ব কান্ধ পাতি লব পাৰিব আই। তই কোৱামতে ময়ো তোৰ বিয়াৰ কথা কোৱা নাছিলো। তই এতিয়া আৰু না নকৰিবি। কেইবাদিশৰ পৰা খবৰ আহিয়ে আছে। মই কাকো একো কোৱা নাই। তোৰ মতামত পালেহে মই জনাম'।

তিনিও গৈ বিছনাত পৰিল। বহু নিশালৈ সাৰদীৰ টোপনি নাহিল। সৰু কালৰে পৰা এতিয়ালৈকে এটা এটাকৈ কথাবোৰ হৃদয়ৰ মণিকোঠাৰ পৰা খোল খাই আহিল। দুচকুৰে টোপাটোপ লোটক বাগৰি গাৰু তিতি গ'ল। একেলগে শোৱা ঋতুৱে উমান পাই তাই পিছফালৰ পৰা বায়েকক সাৱটি ধৰিলে। সাৰদী অতি সচেতন ছোৱালী। তাই ঋতুৰ হাতখন নিজৰ হাতৰ মুঠিৰ মাজত ৰাখি টোপনি যাবলৈ চেষ্টা কৰিলে। পিছদিনা ৰাতিপুৱা চাহ খাওঁতে সাৰদীয়ে মাকক সোঁৱৰাই দিলে যাতে দূৰৈৰ ল'ৰা ঠিক নকৰে। মাকে ঠিক কৰা ল'ৰাৰ লগতে তাই বিয়া হব। মাক গীতাই আনন্দ যিমান পালে দুখৰ সাগৰতো তেওঁ তিতিবুৰি গ'ল। দহে ভাল ল'ৰাৰ চাৰ্টিফিকেট দিয়া পোন্ধৰ কিলোমিটাৰ দূৰৈৰ চন্দন ফুকনৰ সতে সাৰদীৰ বিয়া ঠিক হ'ল। গাঁৱৰ ডেকাৰ পৰা বুঢ়ালৈকে সকলোৱে অতি আগ্ৰহেৰে কাম-বন কৰি দি বিয়াখন পাৰ কৰিলে। সাৰদীবিহীন ঘৰখনত মাক আৰু ঋতু পাগলৰ দৰে অস্থিৰ হৈ পৰিল। মাক-জীয়েকে চকুলৈ চাব নোৱাৰা অৱস্থা হ'ল। চকুলোৰে দুচকুৰ পতা অনবৰতে তিতি থকা হ'ল। আটোম-টোকাৰিকৈ ৰখা ঘৰখনৰ যাতে বায়েকৰ অনুপস্থিতিত একো হানি-





বিঘিনি নঘটে তাৰ প্ৰতি ঋতু সচেতন হব ধৰিলে। লাহে লাহে তাইও বায়েকৰ নিচিনাকৈ ঘৰখনৰ দায়িত্ব অজানিতে কান্ধ পাতি ললে।

ঋতুৱে মাকক অকলশৰীয়াকৈ এৰি চাকৰিলৈ যাবলৈ চিন্তাত পৰিল। বায়েক সাৰদীক দুদিনমানৰ বাবে থৈ যাব পাৰিলে তাই নিচিন্ত হ'লহেঁতেন। বায়েকক আহিবলৈ খবৰ দিছে যদিও আজিলৈকে আহি নোপোৱাত ঋতুৱে একো ভাবিব নোৱাৰা হ'ল। মাজত দুটা দিন আছে যেতিয়া তাই আহিবও পাৰে। সাৰদীৰ কথা ভাবিলে ঋতুৰ দুচকুৰে বাৰিষাৰ ঢল অহাৰ দৰে চকুপানী ববলৈ আৰম্ভ কৰে। তাইৰ মাজতে ঋতুৱে হেৰুওৱা দেউতাকক বিচাৰি পাইছে। ইমান কম বয়সতে বায়েকৰ চিন্তাধাৰা এগৰাকী কৰ্মঠ, দায়িত্বশীল ব্যক্তিৰ দৰে সুনিপুন আছিল ভাবিলে ভক্তিত মূৰ দো-খাই যায়। মাকক ঘৰখনৰ একো এটা চিন্তাই কৰিবলৈ নিদি নিজৰ পঢ়া, ঘৰ, মাটি-বাৰী সকলো চম্ভালি লৈছিল। গাঁওখনৰ বাবে সাৰদী আদৰ্শ স্বৰূপ আছিল। উঠি চামক মাক-দেউতাকে সাৰদীক আঙুলিয়াই বাট বুলিবলৈ শিকনি দিছিল। গাঁৱৰ বুঢ়া-বেথা সকলেও তাইক স্কুলৰ পৰা অহা দেখিলে দূৰৈৰ পৰাই এষাৰ মাত দিবলৈ বাট চাই আছিল। এবাৰ সিহঁতৰে দদায়েকৰ ল'ৰা এটাই ছোৱালী পলুৱাই আনোতে দদায়েকে সিহঁত হালক কি কৰা যায় তাইৰ পৰাহে দিহা লবলৈ আহোঁতে তাই কোৱামতে দদায়েকে একো গালি শপনি নাপাৰি মৰমেৰে চলোৱাত উদণ্ড পুতেকে আগৰ ধদুৱা স্বভাৱ এৰি ঘৰৰ কামত মনপুতি লাগিছিল। আৰু এবাৰ গাঁওবুঢ়া বৰদেউতাকক পুলিচে থানালৈ মাতি যাওঁতে তেওঁৰ লগত সাৰদীকহে থানালৈ নিবলৈ জোৰ কৰিছিল। সেইবাৰ যেনিবা তাই স্কুলৰ হেড্ পণ্ডিতৰ লগত বুজাই বঢ়াই কোনো মতে পঠিয়ালে। সোণগুটি গাঁৱৰ সাৰদী এটি স্নিগ্ধ জোন। সেই স্নিগ্ধ জোনৰ পোহৰত যেন এই গাঁৱৰ বাসিন্দাই আন্ধাৰ ঠেলি বাট বুলিবলৈ প্ৰয়াস কৰে।

সোনগুটি, বৰুৱা চুবুৰী, ৰতনপুৰকে আদি কৰি এই বৃহৎ অঞ্চলৰ একমাত্ৰ শিক্ষানুষ্ঠান 'জ্যোতি-বিষ্ণু বিদ্যা মন্দিৰ'। সাৰদীৰ দেউতাকে এইখন বিদ্যা মন্দিৰতে শিক্ষকতা কৰিছিল। কি কাৰণত কোনে অমায়িক পণ্ডিতজনক হত্যা কৰিলে সেই কথা আজিও সাঁথৰ হৈয়ে থাকিল। পিতৃৰ সুকীৰ্তিৰ বাবে তাই বি,এ পাচ কৰি এইখন বিদ্যালয়তে মাষ্টৰণী চাকৰি পালে। অঞ্চলটোত আৰু বহু গ্ৰেজুৱেট আছিল যদিও সকলোৱে একমতত সাৰদীক চাকৰিটো দিয়াৰ এটাই কাৰণ আছিল যে পৰিবৰ্ত্তনশীল সমাজৰ অধঃপতনমুখী নতুন প্ৰজন্মৰ বাবে সাৰদীৰ নিচিনা এগৰাকী শিক্ষয়িত্ৰীৰ খুবেই প্ৰয়োজন তাত কাৰো দ্বিমত নাই। ল'ৰা-ছোৱালীখিনি যাতে স্খলিত নহৈ চকুৰ আগত আদৰ্শ স্বৰূপা সাৰদীক পাই থাকে তাকেহে বিচাৰিছিল গাঁওবাসীয়ে। অৱশ্যে কিছুলোকে আপত্তি যে কৰা নাছিল সেইটো নহয়। সাৰদীয়েও কমিটিক আপত্তি দৰ্শাইছিল যে তাইতকৈ আগতে পাচ কৰা কেইবাজনো ডেকা বেকাৰ হৈ আছে যেতিয়া তেওঁলোকৰ মাজৰ এজনক চাকৰিটো দিলে তাই ভালহে পাব। তাইৰ আপত্তি নৰজিল।

সাৰদীৰ বিয়া হোৱা লাহেকৈ এমাহ হ'লহি। কিন্তু তাই গিৰিয়েকক এতিয়াও বুজি উঠা নাই - তেওঁ কি কৰিলে ভাল পায়, কি কৰিলে বেয়া পায়? প্ৰত্যেকটো মুহূৰ্ত অতি সাৱধানে নিৰীক্ষণ-পৰ্য্যবেক্ষণ কৰিছে। তথাপি যেন একো বুজিব পৰা নাই। ক্ষণে তুষ্ট, ক্ষণে ৰুষ্ট ধৰণৰ প্ৰকৃতি তেওঁৰ। সদা সচেতন সাৰদীক চন্দনে কেতিয়াবা এনে বাক্যবান এৰে যে তাই শৰবিদ্ধ কপৌজনীৰ দৰে জঠৰ হৈ পৰে। ক'ত কি ভুল হ'ল তাই খুটিয়াই খুটিয়াই বিচাৰে। ওহো, তাইৰ ভুলৰ বা দোষৰ সুৰঙা বিচাৰি নেপায়। লাহে লাহে সাৰদীয়ে ভাবিবলৈ বাধ্য হৈছে তেওঁ ইচ্ছাকৃত ভাবেই তাইক এনে ৰূঢ় ব্যৱহাৰ কৰে চাগে। কিন্তু কিয়? ধৈৰ্য্য ধৰিলেও কেতিয়াবা তাইৰ চকুপানীয়ে একো বুজনি নামানে। গা-ধোৱা ঘৰত পানীৰ টেপ খুলি ফেঁকুৰি ফেঁকুৰি কান্দি উঠে। তাইৰ এনে অনুভৱ হয় মাক বা ঋতুৱে যেন তাইৰ কান্ধত লাহেকৈ হাতখন থৈছে। তাই মাকক কান্দি কান্দি যেন কব - 'চা মা, চন্দনে ভাৱে মই একোৱে নাজানো। তয়ে কচোন মা, মই সঁচায়ে একো নাজানো নেকি? ক্ষণিকলৈ পাহৰিব নোৱাৰা ঘৰখনে তাইক হাত বাউল দি মাতে। সেই আঠমঙলা খাবলৈ যোৱাৰ পিছত আৰু যোৱাই হোৱা নাই। ঋতুৱে

চাকৰিত যোৱাৰ আগদিনাও চন্দনৰ পৰা অনুমতি বিচাৰিছিল ঘৰত মাকৰ লগত দুদিন থাকিবলৈ। নাই, তেতিয়াও যাব নিদিলে চন্দনে। মানুহজনৰ মনটো সলনি কৰিব লাগিব। নহলে তাইৰ দেখোন সংসাৰখন বিশৃংখল হব। তাইৰ প্ৰতি থকা ভুল ধাৰণাবোৰ শুধৰাব লাগিব। মাকে পচন্দ কৰা চন্দন কেতিয়াও এনে হব নোৱাৰে। জ্বলি থকা ধূপৰ দৰে সাৰদী জ্বলি জ্বলি নিঃশেষ হব, সেই সুগন্ধিৰে চন্দনৰ হৃদয় সুবাসিত কৰিবই লাগিব বুলি ভাবি সাৰদীৰ মনটো বহু পাতল লাগিল। তাই বাথৰুমৰ দুৱাৰ খুলিয়েই দেখিলে আকাশৰ পৰা উল্কা এটা তললৈ সৰি আদ্‌বাটতে নোহোৱা হ'ল। সেই উল্কাটোৰ দৰে তাইৰ দুখবোৰো সাময়িক বুলি ভাবি মনলৈ আশাৰ সঞ্চাৰ হ'ল। ====

## কুইজ

(ক) প্ৰশ্ন ঃ বিশ্বকাপ ফুটবলৰ আয়োজক ফিফাৰ চৰকাৰী ভাষাটো কি?
উত্তৰ ঃ ফৰাচী।

(খ) প্ৰশ্ন ঃ প্ৰথম মহিলা বিশ্বকাপ ফুটবল ক'ত আৰু কেতিয়া অনুষ্ঠিত হৈছিল?
উত্তৰ ঃ চীনৰ গুৱাং কৌত ১৯৯১ চনত।

(গ) প্ৰশ্ন ঃ ভাৰতবৰ্ষত সৰ্বপ্ৰথম গঠন হোৱা ফুটবল ক্লাবটোৰ নাম কি?
উত্তৰ ঃ ডেল হাউছি ক্লাব। ১৮৭২ চনত কলকতাত স্থাপন হৈছিল।

(ঘ) প্ৰশ্ন ঃ বিশ্বকাপ ক্ৰিকেটত সৰ্বাধিক উইকেট দখল কৰা খেলুৱৈ জন কোন?
উত্তৰ ঃ গ্ৰেন মেকগ্ৰাথ।

(ঙ) প্ৰশ্ন ঃ ২০১০ চনত অনুষ্ঠিত হোৱা বিশ্বকাপ ফুটবলৰ আৰম্ভণি গীতটি কোনে গাইছিল?
উত্তৰ ঃ ছাকিৰা আহমেদ।

মিছ ছাবিকুন নাহাৰ
স্নাতক প্ৰথম বৰ্ষ (কলা)

## মহৎ লোকৰ বাণী

(ক) দুজন পুত্ৰ জন্ম দিয়া আৰু এডাল গছ ৰোৱা একে কথা। - হজৰত মহম্মদ (ছাঃ)।

(খ) নিজকে জ্ঞানী বুলি ভবা জনেই আটাইতকৈ মূৰ্খ। - ভল্টেয়াৰ।

(গ) শিক্ষা এনে এটা প্ৰক্ৰিয়া যাৰ দ্বাৰা এজন ব্যক্তি আত্মনিৰ্ভৰশীল হয় আৰু অন্য আত্মাকো নিজৰ দৰে জ্ঞান কৰাৰ ক্ষমতা লাভ কৰে। - ঋকবেদ।

(ঘ) স্মৃতি যদি প্ৰখৰ হয়, কেতিয়াও মিছা মাতিবলৈ দুঃসাহস নকৰিবা। - মটেইন।

সংগ্ৰাহক ঃ এম.এম. জিয়াউল ৰহমান
স্নাতক দ্বিতীয় বৰ্ষ (কলা)





# যন্ত্ৰণা

খন্দকাৰ দিলোৱাৰ হুছেইন
উচ্চ বৰ্গৰ সহায়ক

কনক চহৰীয়াৰ দ্বিতীয় কন্যা ৰঞ্জুমণিৰ অহা সপ্তাহত বিয়া। তাৰ বাবে প্ৰায় সকলো যো-জা হৈ উঠিছিল। নিজৰ আত্মীয়-স্বজনৰ লগত যোগাযোগ কৰি কাম ফেৰা সম্পন্ন কৰাৰ বাবে চেষ্টাৰ ত্ৰুটি কৰা নাই।

দৰাজন এম.এ. পাছ। দৰাজনৰ মাক-দেউতাক মধ্যবিত্ত পৰিয়ালৰ। সেইবাবে ইষ্ট-কুটুম ভাল হ'ব বুলি আশা কৰা যায়। ৰঞ্জুমণিয়েও তাইৰ লগ-সমনীয়া সকলক তাইৰ অন্য এক জগতত প্ৰৱেশৰ কথা দোহাৰে। নিজৰ আত্মীয় স্বজনেও বিয়াৰ জা-যোগাৰৰ খবৰ লৈছিল। কনক চহৰীয়াই তেওঁৰ ভাই-ককাই সকলক বিয়াৰ কাম-কাজৰ কথা অৱগত কৰাইছিল। বিয়াৰ দিনাখন যাতে কোনো ধৰণৰ বিশৃঙ্খল বা আদৰ আপ্যায়নত ত্ৰুটি-বিচ্যুতি নহয় তাৰ বাবে দৃষ্টি ৰাখিবলৈ অনুৰোধ কৰিছিল।

কনক চহৰীয়া সমাজৰ এজন প্ৰতিষ্ঠিত ব্যক্তি। সেইবাবে সমাজৰ প্ৰায় সকলোৱেই তেওঁক সন্মান কৰিছিল। সমাজৰ সৰু-বৰ সকলোৱেই তেওঁৰ ছোৱালীৰ বিয়াৰ কামফেৰা সমাধা কৰাৰ বাবে আগবাঢ়ি আহিছিল। বিয়াৰ দিনাখন ৰঙামুৱা, গজে, চেনাই, পিপৰা, সৰুবাপু সকলোৱে নানান কামত ব্যস্ত হৈ পৰিছিল। ঢোল, পেঁপা, বাদ্যযন্ত্ৰৰ ধ্বনিৰে গোটেই ঘৰখনেই ৰজন জনাই উঠিছিল। গাঁৱৰ দুখীয়া নিছলা মানুহ বোৰেও এসাজ আহাৰৰ বাবে আশা কৰিছিল। সিহঁতৰ লগত পাগলী, বোবা, মগনীয়া, চুন্নী, মুন্নীহঁতৰ লগত সমাজৰ অৱহেলিত ব্যক্তি সকলেও এসাজ খাবৰ বাবে আশা কৰিছিল।

কনক চহৰীয়াৰ ভাই-ককাই, ভাই-বোৱাৰী, শালপতি সকলোৱে উপস্থিত হোৱা ব্যক্তি সকলক আদৰ আপ্যায়নত ব্যস্ত হৈ পৰিছিল। স্বভাৱ সুলভ ভঙ্গীৰে ব্যক্তি সকলক কৈছিল- "নমস্কাৰ, আহক, আহক, বহক" ইত্যাদি শব্দৰে সম্বোধন কৰি তেওঁলোকক আদৰি আনিছিল। এনেতে এজনী সৰু ছোৱালীয়ে কৈছে- "মোক যে আতাই কিমান নামেৰে মাতিছে, এবাৰ বোলে সৰু চেনাই, এবাৰ বোলে ভণ্টি, এবাৰ বোলে সৰুমাই ইত্যাদি। জুহালৰ কাষত বহি থকা এজন চেঙেলীয়া ডেকা ল'ৰাই এজনক কৈছিল- "ঐ বিড়ি এডাল দিবি নে? তেতিয়া সিফালৰ পৰা আদবয়সীয়া গজেই কৈছিল- "বিড়িনো কি খাবি, এইয়া ল চিগাৰেট, ৩০০ নং জৰ্দা পান, এইবুলি বিহু মাৰি মাৰি আনন্দ স্ফূৰ্ত্তিৰে সময় অতিবাহিত কৰিছিল।

আঢ্যৱন্ত সমাজত আড়ম্বৰপূৰ্ণ অনুষ্ঠানত সমাজৰ নিপীড়িত ব্যক্তিসকল প্ৰায়েই অৱহেলিত হোৱা দেখা যায়। কনক চহৰীয়াৰ বিয়াৰ অনুষ্ঠানত আঢ্যৱন্ত ব্যক্তিসকলে বেছ আদৰ সন্মান পাইছিল।

Women have an important role to play in the advancement of a country. It is only through the education of women that the level of culture of a nation can be raised. The prime duty of a woman in the human society is to bear and rear children and then to provide them with proper and adequate education so as to establish them in the real sense of the term. While doing so, a woman must possess sufficient knowledge which comes from education only. In the words of Jawaharlal Nehru "Education of a boy is education of one person, but education of a girl is the education of the entire family". So the education of women should be regarded as a special matter for some years to come and special attention should be provided for its expansion and development. It is through education that we can obtain a sense of perspective, a synoptic vision and a co-ordinated view of the different branches of knowledge.

Assam is the land of ancient civilization and culture. In older days it was famous for its wonderful females who could prepare such clothes as "saate shukuwa, muthite lukowa" and side by side they also proceeded to the battle - field along with the male for the sake of greater welfare of the society when it was needed.

The social system of Assam witnessed severe chaos during the end of the Ahom reign. The political instability and insecurity had adverse effects on every sphere of life and it turned the society into an imbalanced one. As a result the social, cultural, financial as well as the educational system of Assam ultimately lost its old pride and prosperity. Illiteracy and ignorance had totally converted the society into a most dogmatic and deplorable one. Female education, specially the formal part was totally discouraged by every person.

During the Ahom reign girls' education was limited to a few aristocratic class of people. But such type of education basically fulfils the religious and spiritual needs of life. The movement under the leadership of Shankar Deva had totally shaken the society as a whole. The changes and developments in the religious, spiritual and social life created by the wave had also made





the female folk quite conscious about their entity. Though they were not able to read and write, they could at least utter the hymns of kirtan, Dashama and Bhagawat etc. by listening to the male. Generally the satras and Namghars became the informal centres of female education and learning.

Education of women in Assam actually started due to the sincere efforts of the Baptist Missionaries. But the conservative and narrow-minded people of Assam could not whole heartedly welcome the progressive attempts of the missionaries. The negative attitude of the society towards female education had ultimately helped the British rulers to continue their indifferent approach in this regard. Traditionalisms, evil customs and social prejudices used to begreat obstacles in the expansion of women's education. But the pioneering efforts of the families of Christian missionaries made some progress in the field of female education. Side by side, the National Movement gave a great impetus to the development of women education in Assam. The National movement inspired the ladies to break the narrow barriers of the society and join the educational institutions. During this period the village ladies libe Kanak lata, Bhugeshwari came forward for improvement of girls education in the society. The number of girls' colleges increased upto 09 in 1965. In 1970 it had gone upto 10 with addition of 01 poly technique college specially meant for girls. In 1987 there were about 15 colleges for girls.' But at present the number of girls colleges has exceeded upto 20. Lastly establishment of two central universities at Tezpur & Silchar is sufficient enough to main tain the regional balance. So the above mentioned universities have their respective perspective and role and they more or less cater to the needs and demands of girls' education at higher level.

Although there has been increase of enrolement of girls students in every sphere of education, this number is not adequate. In 1963 a state council for women's education had been constituted in order to advise the state Government with regard to girls' education. Besides this the Government of Assam appointed one Deputy Director of Public Instruction to look after the all-round development during seventies. The A.G.P. Govt. also decided to give free education of college girls.

Now - a - days a considerable number of girls are receiving education in general colleges as well as in universities having subjects from Arts, Science and commerce also. In some particular Departments the performance of girls is much better than that of boys. The number of girl students have increased not only in colleges and post graduate departments, but also in

Medical, Engineering, Law college and other professional institutions.

There was no separate college for the girls' students of Assam before 20th century. The society was not prepared to receive the advantage of the system also. But gradually the negative attitude of the Assamese people towards co-education began to disappear. The age old conservatism is gradually vanishing. The foot-steps of girl students towards the co-education college indicate the sign of drastic change of the entire society towards modernization.

The collegiate education of females in Assam began in 1929 with the admission of one girl in cotton college, Gradually the number of girl students at college level was increasing and in 1937 the number reached upto 36. Lady wane, the first girls' college was established in Shillong in 1933. This college was the centre of higher education for girls for a very long time till Meghalaya state was established. Radha Kanta Handique Girls' college was established in Guwahati in the year 1939. Gradually some more colleges for girls were established in Jorhat, Dibrugarh, Nagaon, Sivasagar etc.

The advent of independence ushered in a new era in the expansion of female education in Assam. Assam set up her own university (Gauhati University) in 1948. Dibrugarh University was established in the year 1965 and it actually paved the way for higher education for the girl students of upper Assam also.

Before independence there was only three colleges specially for the girls. After independence mass people of Assam began to take interest in establishing separate colleges for girls. Moreover, there is much enthusiasm for expansion and meritorious girls have been receiving higher education in foreign countries also. In the sphere of curriculum, reformative measures were taken so that girls education could be closely related with the home and community. But inspite of considerable changes that have occurred in the field of collegiate education of girls there are some problems from which education of women in Assam suffers. There still exists disparity between boys and girls in regards of collegiate education. The economic and political conditions of a country can not be developed only by the male folk. The joint venture of both male and female can make good progress of the country towards the expected destination. We can conclude in the words of Radha Krishnan Commission - "They are fitted to carry the same academic work as men, with no less thoroughness and quality. The distribution of general ability among women is approximately the same as among men.





# ছাত্ৰ একতা সভাৰ উপসভাপতিৰ বাৰ্ষিক প্ৰতিবেদন ২০০৯-১০ শিক্ষাবৰ্ষ



প্ৰতিবেদনৰ আৰম্ভণিতে পৰম কৰুণাময় সৃষ্টিকৰ্তাৰ ওচৰত কৃতজ্ঞতা স্বীকাৰ কৰি যিসকল মহান ব্যক্তিয়ে নিজৰ সৰ্ব্বোচ বিসৰ্জন দি আমাৰ দেশ মাতৃক পৰাধীনতাৰ কবলৰ পৰা মুক্ত কৰি আমাক স্বাধীন দেশৰ নাগৰিক হিচাপে পৰিচয় কৰাই দিলে তেখেত সকলক মোৰ সশ্ৰদ্ধ প্ৰণিপাত নিবেদিছোঁ। যিসকল ব্যক্তিয়ে নিজ স্বাৰ্থক ত্যাগ কৰি অক্লান্ত পৰিশ্ৰমৰ বিনিময়ত খাৰুপেটীয়াৰ দৰে পিছপৰা অঞ্চলত উচচ শিক্ষাৰ অনুষ্ঠান "খাৰুপেটীয়া মহাবিদ্যালয়" প্ৰতিষ্ঠা কৰি এই অঞ্চলত এক শৈক্ষিক আন্দোলনৰ সূচনা কৰিলে তাৰ বাবে তেখেতসকললৈ মোৰ হিয়া ভৰা গভীৰ শ্ৰদ্ধা নিবেদিছো। যিসকল ছাত্ৰ-ছাত্ৰীয়ে ২০০৯-১০ শিক্ষাবৰ্ষৰ সাধাৰণ নিৰ্বাচনৰ জৰিয়তে মোৰ দৰে অভাজনৰ হাতত উপ-সভাপতি পদৰ দৰে গুৰুত্বপূৰ্ণ পদৰ দায়িত্ব অৰ্পণ কৰিলে তাৰ বাবে তেওঁলোকৰ ওচৰত মই চিৰ কৃতজ্ঞতা জ্ঞাপন কৰিছো।

ঐতিহ্যমণ্ডিত খাৰুপেটীয়া মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ উপ-সভাপতিৰ দৰে পদত অধিষ্ঠিত হৈ মহাবিদ্যালয় আৰু ছাত্ৰ-ছাত্ৰীৰ বাবে কিমানখিনি কাম কৰিব পাৰিছো সেয়া ছাত্ৰ সমাজৰ বিচাৰ্য্য বিষয়। যোৱা ইং ২৮-০৯-২০০৯ তাৰিখে সাধাৰণ নিৰ্বাচনৰ যোগেদি উপ-সভাপতি হিচাপে নিৰ্বাচিত হওঁ, তাৰ পিছত একতা সভাৰ অন্যান্য বিষয়ববীয়াসকলৰ লগতে ইং ১০-১০-২০০৯ তাৰিখে সাধাৰণ সভাৰ জৰিয়তে শপত গ্ৰহণ কৰি কাৰ্য্যভাৰ গ্ৰহণ কৰো। মোৰ কাৰ্য্যকালত হোৱা উল্লেখযোগ্য কাম সমূহ হ'ল -

মহাবিদ্যালয়ৰ পৰম্পৰা অনুসৰি চলি অহা মহাবিদ্যালয় সপ্তাহ যোৱা ইং ০৮-০১-২০১০ তাৰিখৰ পৰা ১২-০১-২০১০ তাৰিখলৈ পাঁচদিনীয়া কাৰ্য্যসূচীৰে উলহ-মালহেৰে পালন কৰা হয়। প্ৰতিযোগিতাসমূহত যথেষ্ট পৰিমাণে ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰি মহাবিদ্যালয় সপ্তাহ আনন্দ মুখৰ কৰি তোলে। অন্তিম কাৰ্য্যসূচী মুকলি সভাত সভাপতিত্ব কৰে মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ মঃ নুৰুল ইছলাম দেৱে। বিশিষ্ট অতিথিৰ আসন শুৱনি কৰে মঙলদৈ মহাবিদ্যালয়ৰ প্ৰাক্তন বিভাগীয় মুৰব্বী ড০ নগেন্দ্ৰনাথ শৰ্মা ছাৰ আৰু অসম সাহিত্য সভাৰ প্ৰাক্তন উপ-সভাপতি মাননীয় মঃ ইদ্ৰিছ আলীদেৱ লগতে গণ্যমান্য ব্যক্তিসকলৰ উপস্থিতিত বিভিন্ন শিতানত পাৰদৰ্শিতা দেখুওৱা ছাত্ৰ-ছাত্ৰীসকলক মান-পত্ৰৰ লগতে পুৰস্কাৰেৰে পুৰষ্কৃত কৰা হয়। সন্ধিয়া আকৰ্ষণীয় সাংস্কৃতিক সন্ধিয়াৰে মহাবিদ্যালয় সপ্তাহৰ সামৰণি পৰে।

আন আন বছৰৰ দৰে এইবেলিও সৰস্বতী পূজা যোৱা ইং ২০-০১-২০১০ তাৰিখে পুৱা বৃক্ষৰোপন কাৰ্য্যসূচীৰে আৰম্ভ কৰা হয়। সন্ধিয়া ইয়াৰ সফল পৰিসমাপ্তি ঘটে। ইয়াৰ উপৰিও যোৱা ইংৰাজী ২৫-০৯-২০১০ তাৰিখে দিনযোৰা কাৰ্য্যসূচীৰে ফাতিহা-ই-দোৱাজ-দাহম উৎসৱ পালন কৰা হয়। উক্ত উৎসৱটিত কেৰাত, গজল, জিকিৰ আৰু হজৰত মহম্মদ (ছঃ) ৰ বিষয়ক ৰচনা প্ৰতিযোগিতা অনুষ্ঠিত হৈ যায়। মুকলি সভাত প্ৰতিযোগী সকলক উৎসাহ উদ্দীপনা যোগোৱাৰ লগতে স্থান প্ৰাপ্ত সকলক পুৰস্কৃত কৰা হয়।

অন্যান্য বছৰৰ দৰে মোৰ কাৰ্য্যকালতো যোৱা ইং ০৯-০৮-২০১০ তাৰিখেও নৱাগত ছাত্ৰ-ছাত্ৰীসকলক আদৰণি জনোৱাৰ উদ্দেশ্যে "আদৰণি সভা" অনুষ্ঠিত কৰা হয়। উক্ত সভাত সভাপতিত্ব কৰে অধ্যক্ষ মঃ নুৰুল ইছলামদেৱে। সভাত বিশিষ্ট অতিথিৰ আসন শুৱনি কৰে মঙ্গলদৈ মহাবিদ্যালয়ৰ প্ৰাক্তন উপাধক্ষ্য ড০ হৰিশ চন্দ্ৰ ডেকা চাৰ। সন্ধিয়া সাংস্কৃতিক অনুষ্ঠানৰ জৰিয়তে নৱাগত আদৰণি সমাৰোহৰ অন্ত পৰে।

মহাবিদ্যালয়ৰ সন্মূখত এটি

বাছ আস্থানৰ বাবে বিভাগীয় কৰ্তৃপক্ষৰ ওচৰত অনুৰোধ জনালোঁ।

মোৰ কাৰ্য্যকালত ছাত্ৰ-ছাত্ৰীসকলৰ চাইকেল, মটৰ চাইকেল ৰখাৰ সুবিধাৰ্থে চাইকেল ষ্টেণ্ডৰ মজিয়া পকীকৰণ কৰা হয়।

মোৰ কাৰ্য্যকালত ছাত্ৰ-ছাত্ৰীৰ জিৰণিৰ কাৰণে মহাবিদ্যালয়ৰ সন্মূখত থকা গছৰ তলত নতুনকৈ ছয় খন চকী নিৰ্মাণ কৰা হয়।

৭। মোৰ কাৰ্য্যকালত ছাত্ৰ একতা সভাৰ স্থায়ী কাৰ্য্যালয়ৰ বাবে কিছু সামগ্ৰী কিনা হয়।

৮। আন বছৰৰ দৰে মোৰ কাৰ্য্যকালতো সংখ্যালঘু এলেকাধীন খাৰুপেটীয়া মহাবিদ্যালয়ৰ দৰিদ্ৰ সীমাৰেখাৰ তলত বসবাস কৰা পৰিয়ালৰ ছাত্ৰ-ছাত্ৰীক দৰিদ্ৰ সাহাৰ্য্য পুঁজিৰ পৰা অনুদান আগবঢ়োৱা হয়।

৯। অন্য অন্য বছৰৰ দৰে এই বছৰতো আমাৰ মহাবিদ্যালয়ত উলহ-মালহেৰে ২৬ জানুৱাৰীৰ গনতন্ত্ৰ দিৱস আৰু ১৫ আগষ্টৰ স্বাধীনতা দিৱস পালন কৰা হয়।

১০। মোৰ কাৰ্য্যকালতে ড'নাৰ মন্ত্ৰানালয়ৰ অনুদানেৰে এটি দুমহলীয়া শ্ৰেণীকোঠাৰ গৃহ নিৰ্মাণ সম্পূৰ্ণ হয় আৰু অসম চৰকাৰৰ তৰফৰ পৰা গ্ৰাম্য কলেজ হিচাপে আমাৰ মহাবিদ্যালয়ো অনুদান পাবলৈ সক্ষম হয়। তাৰে পুথিভঁৰাল গৃহৰ এটি সংলগ্ন কোঠাৰ নিৰ্মাণ কাৰ্য্য সম্পন্ন কৰা হৈছে।

১১। মোৰ কাৰ্য্যকালত আলোচনী সম্পাদনা সমিতিৰ লগতে ছাত্ৰ একতা সভাৰ সক্ৰিয় প্ৰচেষ্টাত পঞ্চম সংখ্যাৰ আলোচনীখন প্ৰকাশ কৰি মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী, শিক্ষক কৰ্মচাৰী আৰু শুভাকাংক্ষীৰ মনোবাঞ্চা পূৰ্ণ কৰা হয়।

মহাবিদ্যালয়ৰ কৰিবলগীয়া ঃ

১। মহাবিদ্যালয়ত পানী যোগানৰ কোনো ব্যৱস্থা নাই, সেয়ে পানী যোগানৰ ব্যৱস্থা কৰিব লাগে।

২। মহাবিদ্যালয়ত শৰীৰ চৰ্চাৰ কোনো সুবিধা নাই, ইয়াৰ কাৰণে মহাবিদ্যালয় কৰ্তৃপক্ষই ব্যৱস্থা কৰিব লাগে।

৩। মহাবিদ্যালয়ত কম্পিউটাৰ পাঠ্যক্ৰমৰ ব্যৱস্থা কৰিব লাগে।

৪। মহাবিদ্যালয়ত স্কাউট-গাইডৰ ব্যৱস্থা পুনৰ সক্ৰিয় কৰিব লাগিব।

৫। যোৱা ইং ২০-১১-২০১০ তাৰিখে দুষ্কৃতিকাৰীৰ দ্বাৰা সংঘটিত অগ্নিসংযোগত ধ্বংস হোৱা মহাবিদ্যালয়খনিক অতি সোনকালে পুনৰ্নিৰ্মাণ কৰি ছাত্ৰ-ছাত্ৰীৰ অধ্যয়নৰ সু-ব্যৱস্থা কৰিব বুলি মহাবিদ্যালয়ৰ কৰ্তৃপক্ষৰ ওচৰত আবেদন জনোৱা হৈছে।

মোৰ এবছৰীয়া কাৰ্য্যকালত বিভিন্ন দিশৰ পৰা বহুমূলীয়া পৰামৰ্শ ও সহযোগ কৰা সকলৰ ভিতৰত নাম লব লাগিব মাননীয় ভাৰপ্ৰাপ্ত অধ্যক্ষ নুৰুল ইছলাম ছাৰৰ লগতে ছাত্ৰ একতা সভাৰ কাৰ্য্যকৰী সভাপতি আব্দুৰ ৰহিম, ছাৰ, মাননীয় দীপক কলিতা ছাৰৰ লগতে বিভাগীয় তত্বাবধায়কসকল, একতা সভাৰ বিষয়ববীয়াসকলৰ লগতে বন্ধু-বান্ধৱীৰ ভিতৰত নাম লব লাগিব আজগৰ, ৰাব্বানী ফকিৰ, গোলাম ৰাব্বানী, ৰফিকুল, মফিদুল, ইমদাদুল, ৰাজীৱ, ৰূপেশ সাহা, চুলতানা, খালেদা, নাছৰিণ, জেচমিন, মঞ্জুৱাৰা, ৰুকশ্বানা, শ্বৰিফ, দিলোৱাৰ, মুন্না, হাবেল, কাবেল, মিৰাজ, নজৰুল-আটাইকে আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো।

সদৌ শেষত মোৰ বাৰ্ষিক প্ৰতিবেদনৰ বিদায় মুহূৰ্তৰ আলোচনী সম্পাদক আৰু সম্পাদনা সমিতিক ধন্যবাদ জ্ঞাপন কৰিছো। লগতে মোৰ কাৰ্য্যকালত অজানিতে হোৱা ভুল-ক্ৰটিবোৰৰ মাৰ্জনা বিচাৰি খাৰুপেটীয়া মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যত কামনা কৰি প্ৰতিবেদনৰ ইতিৰেখা টানিলো। জয়তু খাৰুপেটীয়া মহাবিদ্যালয় জয় আই অসম।

*বাহাৰুল আমিন*
*উপ-সভাপতি, ছাত্ৰ একতা সভা*

====







# সহঃ সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

জয় জয়তে পৰম কৰুণাময় আল্লাহতালাৰ নাম স্মৰণ কৰি মোৰ বছৰেকীয়া প্ৰতিবেদন আৰম্ভ কৰিলোঁ। মোৰ এই প্ৰতিবেদন আৰম্ভ কৰাৰ আগতে যিসকলে মোক সহঃ সাধাৰণ সম্পাদক হিচাবে ছাত্ৰ-ছাত্ৰীসকলক সেৱা কৰিবলৈ সুবিধাদিলে সেই সকললৈ মই ধন্যবাদ জ্ঞাপন কৰিলো আৰু যিসকল মহান ব্যক্তিৰ মহৎ চিন্তাৰ ফলত এই মহাবিদ্যালয় গঢ়ি উঠিছিল তেওঁলোকলৈ গভীৰ শ্ৰদ্ধা জ্ঞাপন কৰিলো। লগতে জাতিৰ নামত প্ৰাণ উৰ্চগা কৰি শ্বহীদ হোৱা মহান ব্যক্তি সকললৈও শ্ৰদ্ধাঞ্জলি নিবেদিছোঁ।

বিগত বৰ্ষত (২০০৯-১০) অনুষ্ঠিত মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত মোক যিসকল ছাত্ৰ-ছাত্ৰীয়ে বিপুল ভোটত জয়ী কৰালে সেইসকল ছাত্ৰ-ছাত্ৰীলৈ কৃতজ্ঞতাৰ লগতে ধন্যবাদ যাঁচিলো।

এই সমস্যা-বহুল অস্থিৰ সময়ত দেশমাতৃৰ এগৰাকী সেৱক হিচাপে যিকণ সেৱা কৰাৰ সুযোগ পাইছো সেয়া হয়তো মনৰ ভাষাৰে বুজাব নোৱাৰো। কি কৰিব পাৰিছো, কি কৰিব নোৱাৰিলো সেয়া আপোনালোকৰ বিচাৰ্য্য বিষয়। যোৱা ইংৰাজী ০৮।০১।২০১০ তাৰিখৰ পৰা ১২।০১।২০১০ তাৰিখলৈ আমি ছাত্ৰ একতা সভাই পাঁচ দিনীয়া কাৰ্যসূচীৰে মহাবিদ্যালয় সপ্তাহ উদ্‌যাপন কৰো। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে ইয়াত অংশ গ্ৰহণ কৰে আৰু লগতে বিভিন্ন খেল-ধেমালী, গীত-মাত, কবিতা আবৃত্তি, কুইজ আদিত অংশগ্ৰহণ কৰে। মহাবিদ্যালয় সপ্তাহৰ অন্তত মুকলি সভা অনুষ্ঠিত হয় আৰু বিজয়ী ছাত্ৰ-ছাত্ৰীসকলক নানা পুৰষ্কাৰেৰে পুৰষ্কৃত কৰা হয়। সহঃ সাধাৰণ সম্পাদক পদত মোক নিৰ্বাচিত কৰা হৈছিল আৰু ০৮।০৯।২০০৯ তাৰিখে শপত বাক্য পাঠ কৰোৱায় মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ মাননীয় নুৰুল ইছলাম ছাৰে। মোৰ হাতত অৰ্পণ কৰা হৈছিল এক গুৰু দায়িত্ব। এই ক্ষেত্ৰত মোৰ শ্ৰদ্ধাৰ ছাৰ মাননীয় অধ্যাপক আঃ ৰহিম ছাৰ (কাৰ্যকাৰী সভাপতি) দেৱৰ পৰা বহু ধৰণৰ সু-পৰামৰ্শ পাইছো। অন্যান্য বছৰৰ দৰে এই বছৰতো শ্ৰীশ্ৰীসৰস্বতী পূজা উদ্‌যাপন কৰা হয়, তাৰ উপৰি ফাতিহা-ই-দোৱাজ দাহম উদ্‌যাপন কৰা হয়। সভাৰ সক্ৰিয় সহযোগিতাত নবাগত আদৰণি সভা অনুষ্ঠিত কৰা হয়। নৱাগত আদৰণি সভাত উপস্থিত থাকে ৬৮ নং দলগাওঁ বিধানসভা সমষ্টিৰ বিধায়ক মাননীয় ইলিয়াচ আলী দেৱ, উপায়ুক্ত দৰং মাননীয় শ্ৰীধ্ৰুৱ হাজৰিকা আৰু মাননীয় মঃ আব্দুল মজিদ, সভাপতি, পৰিচালনা সমিতি, খাৰুপেটিয়া মহাবিদ্যালয়।

মোৰ কাৰ্যকালত সততে দিহা পৰামৰ্শ দি কাৰ্য পৰিচালনাত সহায় কৰা মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ মাননীয় নুৰুল ইছলাম ছাৰ তথা ছাত্ৰ একতা সভাৰ কাৰ্যকৰী সভাপতি মাননীয় আঃ ৰহিম ছাৰ প্ৰমুখ্যে মহাবিদ্যালয়ৰ সকলো শিক্ষাগুৰু তথা কৰ্মচাৰীবৃন্দলৈ মোৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিলো। মোক খাৰুপেটীয়া মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সোঁ-হাত স্বৰূপে আগবঢ়োৱা মঃ গুলজাৰ হুছাইন (প্ৰাঃ সহঃ সাধাৰণ সম্পাদক ছাত্ৰ একতা সভা) মঃ মফিদুল ইছলাম (প্ৰাঃ আলোচনী সম্পাদক ছাত্ৰ একতা সভা) মঃ জেহেৰুল ইছলাম (প্ৰাঃ সহঃ সাধাৰণ সম্পাদক ছাত্ৰ একতা সভা) মঃ আবু ছাহেদ (প্ৰাঃ খেল বহিঃ) বিভাগ সম্পাদক ছাত্ৰ একতা সভা), মঃ আবুল হাচেম (প্ৰাঃ সমাজ সেৱাৰ সম্পাদক ছাত্ৰ একতা সভা), মঃ ছফিকুল ইছলাম (গ্ৰীল), মঃ নুৰুল আমিন (পুৰামানিক), মঃ শ্বহিদুল ইছলাম, মঃ আব্দুল্লাহ, মঃ ইনামুল মজিদ, মঃ নজৰুল ইছলাম, মঃ মিৰাজুল হক, মঃ ছাইদুৰ ৰহমান, মঃ আবু ছালেহ জাকাৰীয়া আহমেদ, মঃ ৰফিকুল ইছলাম খান, মঃ হজৰত

আলী, মঃ আজাদ আলী, মঃ আমিৰ হুছেইন, মঃ নৌসাদ আলী, মঃ মোক্কাদিছ বিল্লাহ মোক্তাদিৰ, মঃ আজগৰ (মামা), মঃ ছফিকুল (ড'ন), মঃ মহিজল হক আৰু ৰুপেশ দাদালৈ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

সদৌ শেষত খাৰুপেটীয়া মহাবিদ্যালয় প্ৰতিষ্ঠা কৰা মহান ব্যক্তিসকল, সমূহ প্ৰবক্তা বৃন্দ, ছাত্ৰ-ছাত্ৰী তথা দাদা-বাইদেউ, ভন্টি-ভাইটি আৰু বন্ধু-বান্ধৱীলৈ শ্ৰদ্ধা ও অভিনন্দন যাঁচিলো। লগতে ২০১১ চনৰ নৱবৰ্ষৰ ওলগ জনাই মোৰ কাৰ্যকালত অজানিতে হৈ যোৱা ভুল-ক্ৰটিৰ ক্ষমা বিচাৰি খাৰুপেটীয়া মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতি কামনা কৰি মোৰ এই ক্ষুদ্ৰ প্ৰতিবেদনৰ সামৰণি মাৰিলো।

"জয়তু খাৰুপেটীয়া মহাবিদ্যালয়
জয়তু ছাত্ৰ একতা সভা
জয় আই অসম।"

*আব্দুল কায়ুম*
*সহঃ সম্পাদক*

====



# ক্ৰীড়া বহিঃবিভাগৰ সম্পাদকীয় প্ৰতিবেদন ২০০৯-১০

জয় জয়তে পৰম কৰুণাময় সৃষ্টিকৰ্তালৈ মোৰ ভক্তি জ্ঞাপন কৰি খাৰুপেটীয়া মহাবিদ্যায়ৰ সমূহ শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীৰ প্ৰতি আন্তৰিক শুভেচ্ছাৰে মোৰ সম্পাদকীয় বছৰেকীয়া প্ৰতিবেদনৰ পাতনি মেলিলো। লগতে যিসকল ছাত্ৰ-ছাত্ৰীয়ে মোক খাৰুপেটীয়া মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ বহিঃ খেল বিভাগৰ পদত নিৰ্বাচিত কৰিছিল সেই সকল ছাত্ৰ-ছাত্ৰীক অশেষ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ কিছুদিন পিছতে আমি দলগাঁৱত অনুষ্ঠিত দিবা-নৈশ খেলত খাৰুপেটীয়া মহাবিদ্যালয়ৰ পৰা অংশগ্ৰহণ কৰিছিলো। তাৰ পিছতেই আমাৰ মহাবিদ্যালয় সপ্তাহ আৰম্ভ হয়। মহাবিদ্যালয়ৰ প্ৰতিটো অনুষ্ঠানতেই বহুসংখ্যক ছাত্ৰ-ছাত্ৰীয়ে প্ৰতিদন্দিতা কৰে। তাৰ বাবে মই সমূহ প্ৰতিযোগীলৈ আন্তৰিক ধন্যবাদ জনাইছো। সপ্তাহ জোৰা কাৰ্য্যসূচীৰে মহাবিদ্যালয়ৰ বাৰ্ষিক মহাবিদ্যালয় সপ্তাহ অনুষ্ঠিত কৰা হৈছিল। তাৰে ভিতৰত পাঁচ দিনীয়া খেল-ধেমালি আৰু শেষৰ দিনা বঁটা বিতৰণী সভা পতা হয়। লগতে সাংস্কৃতিক সন্ধিয়া উদ্‌যাপন কৰা হয়।

আমাৰ মহাবিদ্যালয়ৰ বাৰ্ষিক ক্ৰীড়া অনুষ্ঠানত বিভিন্ন ধৰণৰ খেলৰ আয়োজন কৰা হয়। তাৰে ভিতৰত বহিঃবিভাগৰ অনুষ্ঠানবোৰত ল'ৰা শাখাত শ্ৰেষ্ঠ খেলুৱৈ হিচাপে উচ্চতৰ মাধ্যমিক প্ৰথম বাৰ্ষিকৰ ছৰুৱাৰী আলম ছিদ্দিক আৰু ছোৱালী শাখাত শ্ৰেষ্ঠ খেলুৱৈ হিচাপে উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষৰ মিছ মহিমা বেগম। এই খেল সমূহ হ'ল ১০০ মিঃ, ২০০ মিঃ, ৮০০ মিঃ, দৌৰ প্ৰতিযোগিতা, যাঠি দলিওৱা, ওজন দলিওৱা, কাঁহী দলিওৱা, দীঘল জাপ, ওখ জাপ, ৰছি ৰিলে প্ৰতিযোগিতা, পাঞ্জা প্ৰতিযোগিতা, সাঁতোৰ প্ৰতিযোগিতা, ক্ৰিকেট প্ৰতিয়োগিতা, ফুটবল প্ৰতিযোগিতা, কলহ ভঙা কাবাডী ইত্যাদি, খেল।

বঁটা বিতৰণী সভা ঃ বাৰ্ষিক ক্ৰীড়া অনুষ্ঠানৰ শেষৰ দিনা বৰ উলহমালহেৰে বটা বিতৰণী সভা অনুষ্ঠিত কৰা হয়। আন-আন বছৰৰ দৰে মোৰ কাৰ্যকালতো অনুষ্ঠিত হোৱা বটা বিতৰণী সভাত বহুতো সন্মানীয় ব্যক্তিক আমন্ত্ৰন জনোৱা হয়।

কৃতজ্ঞতা স্বীকাৰ ঃ মোৰ কাৰ্যকালত মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ মাননীয় নুৰুল ইছলাম চাহাব আৰু খেল বহিঃ বিভাগৰ তত্ত্বাৱধায়ক প্ৰৱক্তা মাননীয় আব্দুল হান্নান ছাৰে বিভিন্ন দিশৰ পৰা সৎ পৰামৰ্শ





আগবঢ়োৱা বাবে তেখেতৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰিলো। লগতে আমাৰ খাৰুপেটীয়া মহাবিদ্যালয়ৰ শিক্ষা গুৰুসকলক আন্তৰিক শ্ৰদ্ধা যাচিছোঁ। ইয়াৰ বাহিৰেও ছাত্ৰ একতা সভাৰ বিভিন্ন বিষয়ববীয়া ও মোৰ সহযোগী বন্ধু বান্ধৱীসকললৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

অৱশেষত মোৰ অজানিতে হোৱা ভুল-ক্ৰটিৰ বাবে মই আপোনালোকৰ ওচৰত ক্ষমাৰ প্ৰাৰ্থী। খাৰুপেটীয়া মহাবিদ্যালয়ৰ ক্ৰীড়া বিভাগৰ ভৱিষ্যত উজ্জ্বল কামনা কৰি মোৰ হিয়াভৰা শুভেচ্ছা যাচি এই প্ৰতিবেদন সামৰণি মাৰিলো। ধন্যবাদ।

*ওচমান গণি*
*সম্পাদক, ক্ৰীড়া বিভাগ*



# খেল সম্পাদকৰ (অন্তঃবিভাগ) প্ৰতিবেদন

জয় জয়তে পৰম কৰুণাময় সৃষ্টিকৰ্তাৰ ওচৰত কৃতজ্ঞতা জ্ঞাপন কৰি যি সকল মহান ব্যক্তিয়ে নিজৰ স্বাৰ্থক বিসৰ্জন দি অশেষ ত্যাগেৰে খাৰুপেটীয়াৰ দৰে এখন সংখ্যালঘু অধ্যুষিত অঞ্চলত জ্ঞানৰ পোহৰ দিয়া এই মহাবিদ্যালয়খন প্ৰতিষ্ঠা কৰি গ'ল সেই সকল মহান ব্যক্তিলৈ মোৰ সহস্ৰ প্ৰণাম ও শ্ৰদ্ধাৰে মোৰ বাৰ্ষিক প্ৰতিবেদনৰ পাতনি মেলিলো।

২০০৯-১০ চনৰ খাৰুপেটীয়া মহাবিদ্যালয়ত ছাত্ৰ একতা সভাৰ বাবে ২০০৯ চনৰ ২৪ ছেপ্তেম্বৰ তাৰিখে সাধাৰণ নিৰ্বাচন হয়। উক্ত নিৰ্বাচনত মই আন্তঃখেল বিভাগৰ সম্পাদকৰ পদত নিৰ্বাচিত হৈ ২০০৯ চনৰ অক্টোবৰ মাহৰ আঠ তাৰিখে পৰম কৰুণাময় ঈশ্বৰৰ নামত শপতলৈ কাৰ্য্যভাৰ গ্ৰহণ কৰোঁ।

আধুনিক যুগত গোটেই বিশ্বত ভুমুকি মাৰি চালে দেখা যায় যে মানৱ সভ্যতাৰ দৃষ্টিময় পথৰ অনুসন্ধানত ক্ৰীড়াই এক বিশেষ ভূমিকা গ্ৰহণ কৰিছে। ক্ৰীড়াই মানুহৰ শাৰীৰিক, মানসিক আৰু বৌদ্ধিক বিকাশৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰাৰ বাবে ক্ৰীড়াক শিক্ষাৰ অবিচ্ছেদ্য অংগ বুলি কোৱা হয়।

আজিৰ আধুনিক যুগত কেৱল পাঠ্যক্ৰমৰ শিক্ষা গ্ৰহণ কৰি আমি আগবাঢ়িব নোৱাৰো। ইয়াৰ লগতে খেল-ধেমালিকো সমানে প্ৰাধ্যান্য দিয়া দৰকাৰ। বৰ্তমান প্ৰতিযোগিতামূলক সমাজত পাঠ্যক্ৰমৰ শিক্ষাইহে যে মানুহক চিনাকি কৰি দিব পাৰে সেয়া নহয়। ক্ৰীড়াৰ গুৰুত্বও এইক্ষেত্ৰত কম নহয়। বৰ্তমান সমাজ ব্যৱস্থাত এজন সাহিত্যিক, বৈজ্ঞানিক আদিৰ দৰে এজন ভাল খেলুৱৈৰো গুণ, গৰিমা, সন্মান, পৰিচয় আদি সমানে দেখা যায়।

মই কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ কিছুদিন পিছতেই মহাবিদ্যালয়ত ২০১০ চনৰ ৮ জানুৱাৰীৰ পৰা ১২ জানুৱাৰীলৈ অনুষ্ঠিত হোৱা মহাবিদ্যালয় সপ্তাহত মোৰ বিভাগত থকা খেল সমূহ পৰিচালনা কৰোঁ। এই মহাবিদ্যালয় সপ্তাহত অন্তঃখেল বিভাগৰ তত্বাবধায়ক আমজাদ হুছেইন মজুমদাৰ ছাৰে মোক বিশেষভাৱে সহায় সহযোগিতা আগবঢ়ায়। ১২ জানুৱাৰীত অনুষ্ঠিত মুকলি সভাত খেলত পুৰস্কাৰ প্ৰাপ্ত ছাত্ৰ-ছাত্ৰীক আমন্ত্ৰিত অতিথিৰ দ্বাৰা পুৰস্কৃত কৰা হয়।

মোৰ কাৰ্য্যকালত সকলো সময়তে দিহা পৰামৰ্শ আগবঢ়োৱা ভাৰপ্ৰাপ্ত অধ্যক্ষ নুৰুল ইছলাম ছাৰ, ছাত্ৰ একতা সভাৰ কাৰ্য্যকৰী সভাপতি আব্দুৰ ৰহিম ছাৰ, বুৰঞ্জী বিভাগৰ প্ৰবক্তা আব্দুল হান্নান ছাৰ আৰু মহাবিদ্যালয়ৰ সমূহ কৰ্মকৰ্তালৈ মোৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলোঁ।

লগতে মই আন্তৰিক অভিনন্দন জ্ঞাপন কৰিব বিছাৰিছো মোৰ বন্ধুবৰ্গ মিচ্ নাছৰিন, সুৰুজ, খালিদা, জেছ্‌মিন, মঞ্জুৱাৰা, ছোলেমান আলী, কাৰীমুল ইছলাম, ওচমান গণি, আমিৰ হুচেইন, মঃ তাহেৰ মিএগা, ছোলতান আলী,

জিয়াউৰ ৰহমান, আমানুল হক, ছফিকুল ইছলাম, ছাহাজামাল হক, আখতাৰা আলম, ইছলামুদ্দিন, ছাহানুৰ, ছাইদুৰ ৰহমান, নজৰুল ইছলাম।

আমাৰ মহাবিদ্যালয়খন পিছপৰা ঠাইত অৱস্থিত। ইয়াত বিভিন্ন অভাৱ অভিযোগ আৰু ঘাত-প্ৰতিঘাতৰ মাজেৰে জাতি, ধৰ্ম, বৰ্ণ, ভাষা, নিৰ্বিশেষে গঢ় লৈ উঠা এটা উচ্চ শিক্ষানুষ্ঠান। সেয়েহে ইয়াত কিছুমান অভাৱ থকা দেখা যায়। যেনে - খেল পথাৰৰ অভাৱ, নিম্নমানৰ ক্ৰীড়া সামগ্ৰী, উপযুক্ত প্ৰশিক্ষণ ব্যৱস্থাৰ অভাৱ ইত্যাদি। তথাপিতো মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে নানা অভাৱৰ মাজতো উন্নত খেল দেখুৱাবলৈ সক্ষম হৈছে। মহাবিদ্যালয়ৰ কৰ্তৃপক্ষই যাতে ক্ৰীড়া সম্পৰ্কীয় অভাৱবোৰ সোনকালে দূৰ কৰে তাকে কামনা কৰিলোঁ।

সদৌ শেষত মোৰ এবছৰীয়া কাৰ্য্যকালত অজানিতে হোৱা ভুল-ভ্ৰান্তিৰ বাবে সমূহ ছাত্ৰ-ছাত্ৰী আৰু মহাবিদ্যালয়ৰ কৰ্মচাৰীসকলৰ ওচৰত ক্ষমা বিচাৰি মোৰ ক্ষুদ্ৰ প্ৰতিবেদন সামৰণি মাৰিলো।

জয় আই অসম

*আখতাৰ হুছেইন*

*সম্পাদক*



## সমাজ সেৱা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

জয় জয়তে পৰম কৰুণাময় সৃষ্টিকৰ্তাৰ ওচৰত কৃতজ্ঞতা স্বীকাৰ কৰি যিসকল মহান ব্যক্তিয়ে নিজৰ প্ৰাণ আহুতি দি পৰাধীনতাৰ কবলৰ পৰা আমাৰ এই দেশমাতৃক স্বাধীন কৰিলে আৰু যিসকল মহান ব্যক্তিয়ে নিজৰ স্বাৰ্থক পৰিহাৰ কৰি এই পিছ পৰা অঞ্চলত এখন মহাবিদ্যালয় প্ৰতিষ্ঠা কৰিলে, তেখেত সকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা স্বীকাৰ কৰি মই মোৰ বছৰেকীয়া সমাজ সেৱা সম্পাদকৰ প্ৰতিবেদনৰ পাতনি মেলিলোঁ।

আমি সকলোৱে একো একোখন সমাজত বাস কৰো। ঠিক তেনেদৰে আমাৰ শিক্ষা অনুষ্ঠানবোৰো একো একো খন ক্ষুদ্ৰ সমাজ। এই ক্ষুদ্ৰ ক্ষুদ্ৰ সমাজবোৰৰ ভিতৰত আমাৰ খাৰুপেটীয়া মহাবিদ্যালয়খনো এখন। সমাজ এখন সঠিকভাৱে পৰিচালনা কৰিবলৈ যেনেদৰে কিছুমান সমাজ কৰ্মীৰ দৰকাৰ ঠিক তেনেদৰে মহাবিদ্যালয় এখন পৰিচালনাৰ বাবে সমাজ কৰ্মীৰ প্ৰয়োজন। সমাজ সেৱা হৈছে দেশ এখনৰ উন্নতিৰ মেৰুদণ্ডস্বৰূপ। দেশ এখনক উন্নতিৰ দিশত আগুৱাই নিবলৈ হলে আমি ছাত্ৰ অৱস্থাৰ পৰাই মনত দৃঢ় মনোভাৱ জগাই তুলিব লাগিব।

যোৱা ইংৰাজী ২০০৯-১০ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত পাঁচজন প্ৰতিদ্বন্দ্বীৰ মাজৰ পৰা মই সমাজ সেৱা সম্পাদক হিচাপে নিৰ্বাচিত হওঁ। আৰু ইং ০৮।১০।২০০৯ তাৰিখত ছাত্ৰ একতা সভাৰ অন্যান্য বিষয় ববীয়া সকলৰ লগত শপত গ্ৰহণ কৰো।

এখন মহাবিদ্যালয়ৰ সমাজসেৱা সম্পাদকৰ দায়িত্ব অতি গুৰুত্বপূৰ্ণ। এই কাৰ্যভাৰ গ্ৰহণ কৰি মহাবিদ্যালয়ৰ মানদণ্ড কিমান দূৰ ৰক্ষা কৰিব পাৰিছো এই টো আপোনালোকৰ বিচাৰ্য্য বিষয়। কাৰ্যভাৰ গ্ৰহণ কৰিয়েই অন্যান্য বছৰৰ দৰে এই বছৰতো ২০০৯-১০ বৰ্ষৰ মহাবিদ্যালয় সপ্তাহ, শ্ৰীশ্ৰীসৰস্বতী পূজা, ফাতেহা-ই-দোৱাজ দহনৰ লগতে গনতন্ত্ৰ দিৱস, স্বাধীনতা দিৱস আৰু আমাৰ ছাত্ৰ একতা সভাৰ সক্ৰিয় সহযোগিতাত এই বছৰতো নৱাগত আদৰণি সভা অনুষ্ঠিত কৰা হৈছিল।

মই সমাজসেৱা সম্পাদক হিচাপে মোৰ কাৰ্যকালত সময় সাপেক্ষে খেল পথাৰ ছাফা কৰা, ফুলনিৰ মেৰামতি কৰা, বৃক্ষ ৰোপন কৰা, মহাবিদ্যালয়ৰ চৌহদ পৰিষ্কাৰ পৰিচন্ন কৰি ৰখা, শ্বহীদ বেদী মেৰামতি কৰা আদি কামবোৰ





সুকলমে পৰিচালিত হোৱাৰ উপৰিও পৰম্পৰাগত ভাৱে বিতৰণ কৰি অহা সুলভ মূল্যৰ কেৰাচিন তেল মোৰ দিনত সঠিক ভাৱে বিতৰণ কৰা হৈছিল।

মোক সকলো দিশতে দিহা পৰামৰ্শ দিয়া আমাৰ মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ মঃ নুৰুল ইছলাম ছাৰক মোৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছো। লগতে মোৰ তত্বাৱধায়ক মঃ হবিবুৰ ৰহমান ছাৰলৈ মোৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিলো।

মোক সকলো দিশত দিহা পৰামৰ্শ দি যিসকল বন্ধু-বান্ধৱীয়ে মোক সমাজ সেৱা সম্পাদকৰ পদত নিৰ্বাচিত কৰি মহাবিদ্যালয়ৰ উন্নয়নমূলক কাম কৰিবলৈ সহায় সহযোগিতা আগবঢ়ালে তেখেতসকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা ও শুভেচ্ছা জ্ঞাপন কৰিলো। মোক সকলো দিশতে সহায় সহযোগ আগবঢ়োৱা মোৰ বন্ধু বা সহপাঠী মঃ ছহিদুল ইছলাম, ফজলুল, আজাহাৰউদ্দিন, আমানুল, মোনোৱাৰা ইছলাম, ছোৰিয়া, নাজু, বুলবুল, নুৰুল, হাফিজুৰৰ লগতে অন্যান্য বন্ধু বৰ্গলৈ মোৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলো।

সদৌ শেষত মোৰ এবছৰীয়া কাৰ্যকালত সুপৰামৰ্শ দিয়া আমাৰ ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়াক ধন্যবাদ জ্ঞাপন কৰি মোৰ কাৰ্যকালত হৈ যোৱা অনিচ্ছাকৃত ভুল ত্ৰুটিৰ বাবে মাৰ্জনা বিচাৰি খাৰুপেটীয়া মহাবিদ্যালয়ৰ ভৱিষ্যত উজ্জ্বল কামনা কৰি মোৰ বাৰ্ষিক প্ৰতিবেদনৰ অন্তিম ৰেখা টানিলো।

জয়তু খাৰুপেটীয়া মহাবিদ্যালয়

জয়তু ছাত্ৰ একতা সভা

জয় আই অসম।

- শ্ৰদ্ধা আৰু সেৱাৰে

*আবুল ফাৰাক*

*সম্পাদক*



## তৰ্ক আৰু বক্তৃতা বিভাগৰ বছৰেকীয়া প্ৰতিবেদন

প্ৰতিবেদনৰ পাতনিতে সমাজক, দেশক ভালপোৱা যিসকল মহান ব্যক্তিয়ে অশেষ ত্যাগ আৰু কষ্টৰ বিনিময়ত দৰং জিলাৰ সংখ্যালঘু অধ্যুষিত অঞ্চলৰ উচ্চ শিক্ষাৰ প্ৰাণকেন্দ্ৰ স্বৰূপ একমাত্ৰ শিক্ষানুষ্ঠান খাৰুপেটীয়া মহাবিদ্যালয়খন প্ৰতিষ্ঠা কৰি নৱ প্ৰজন্মৰ মাজত জ্ঞানৰ পোহৰ সিঁচি দিয়াত অৰিহণা যোগালে সেইসকল পূণ্যাত্মালৈ মোৰ সশ্ৰদ্ধ প্ৰণাম।

২০০৯-১০ চনৰ ছাত্ৰ একতা সভালৈ তৰ্ক আৰু বক্তৃতা এই গুৰুত্বপূৰ্ণ বিভাগত মোক বিনা প্ৰতিদ্বন্দিতাৰে যিসকল ছাত্ৰ-ছাত্ৰীয়ে সুযোগ প্ৰদান কৰিছিল তেওঁলোকলৈ মোৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলো।

তৰ্ক আৰু বক্তৃতা এই গুৰুত্বপূৰ্ণ বিভাগটিৰ যোগেদি ছাত্ৰ-ছাত্ৰীৰ মানসিক আৰু বৌদ্ধিক বিকাশৰ বাবে কিমান প্ৰয়োজনীয় তাক পুণৰাবৃত্তি কৰাৰ প্ৰয়োজন নাই। আজিৰ সমাজৰ প্ৰতিটো দিশতে সুস্থিৰ ভাৱে আগুৱাই যাবলৈ হ'লে আমাক যুক্তিপূৰ্ণ মনোবল আৰু সাফল্যময় পৰিবেশৰ প্ৰয়োজন। এই গুৰুত্বপূৰ্ণ বিভাগটিৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীৰ মানসিক, বৌদ্ধিক, বিকাশৰ সাধন কৰা হয়। "সঠিক চিন্তা আৰু শুদ্ধ ভাষা অবিহনে জ্ঞানৰ সত্যতা প্ৰতিপন্ন কৰিব নোৱাৰি। সিদ্ধান্তৰ বৈধতা আৰু যুক্তিযুক্ততা নিৰ্ণয় কৰাই হৈছে তৰ্কৰ কাৰ্য্য।

মহাবিদ্যালয় ২০০৯-১০ চনৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত আন পদবোৰৰ দৰে মই তৰ্ক আৰু বক্তৃতা বিভাগত অৱতীৰ্ণ হৈছিলো। এই নিৰ্বাচনত মই বিনা প্ৰতিদ্বন্দিতাৰে নিৰ্বাচিত হৈ যোৱা ০৮-১০-০৯ তাৰিখে পৰম কৰুণাময় ঈশ্বৰৰ ওচৰত শপত গ্ৰহণ কৰি মোৰ কাৰ্য্যভাৰ গ্ৰহণ কৰিছিলো।

মোৰ কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ পিছতে মহাবিদ্যালয়ত ২০০৯-১০ বৰ্ষৰ বাবে মহাবিদ্যালয় সপ্তাহ

অনুষ্ঠিত হয় আৰু এই মহাবিদ্যালয় সপ্তাহ যোৱা ইং ০৮-০১-২০১০ তাৰিখৰ পৰা ১২-০১-২০১০ তাৰিখলৈ ৫ দিনীয়া কাৰ্য্যসূচীৰে অনুষ্ঠিত হয়। মোৰ বিভাগত থকা তৰ্ক প্ৰতিযোগিতা,আকস্মিক প্ৰতিযোগিতা, আৰু কুইজ প্ৰতিযোগিতা, ১১ জানুৱাৰী তাৰিখে নিয়াৰিকৈ অনুষ্ঠিত কৰো। মহাবিদ্যালয় সপ্তাহত অনুষ্ঠিত তৰ্ক প্ৰতিযোগিতাৰ বিষয় আছিল সদনৰ মতে - "মহাবিদ্যালয়ৰ পাঠ্যক্ৰমত পৰিবেশ বিষয়ৰ অৰ্ন্তভূক্তিয়ে ছাত্ৰ - ছাত্ৰীসকলৰ ওপৰত পৰিবেশ ৰক্ষাৰ প্ৰভাৱ পেলোৱা নাই।

মোৰ কাৰ্য্যকালত মহাবিদ্যালয়খনত আন্তঃমহাবিদ্যালয় ভিত্তিত তৰ্ক প্ৰতিযোগিতা অনুষ্ঠিত কৰাৰ কথা ভাবিছিলো যদিও বিভিন্ন সমস্যাৰ বাবে পাতিব পৰা নাছিলো। কিন্তু ২৮-০৯-২০১০ তাৰিখে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ মাজত এখন তৰ্ক প্ৰতিযোগিতা অনুষ্ঠিত কৰোঁ। এই প্ৰতিযোগিতাত তৰ্কৰ বিষয় আছিল সদনৰ মতে - "সদ্য ঘোষিত নামনি সোৱনশিৰি বৃহৎ জলবিদ্যুত প্ৰকল্পই অসমৰ আৰ্থ-সামাজিক দিশত উন্নয়ন সাধন কৰিব।"

২০০৯-১০ বৰ্যত মোৰ বিভাগত হোৱা প্ৰতিযোগিতাবোৰৰ ফলাফল সমূহৰ স্থান তলত দিয়া ধৰণৰ -

তৰ্ক প্ৰতিযোগিতা (মহাঃ সপ্তাহ)
১ ম স্থান ঃ আমানুল হক (স্নাতক ২ য় বৰ্ষ)
২ য় স্থান ঃ ছাইদুৰ ৰহমান (স্নাতক প্ৰথম বৰ্ষ)
৩ য় স্থান ঃ শ্বাহ জালাল হক (উচ্চতৰ মাধ্যমিক ২ য় বৰ্ষ)

আকস্মিক বক্তৃতা (মহাঃ সপ্তাহ)
১ ম স্থান ঃ ৰফিকুল ইছলাম (স্নাতক প্ৰথম বৰ্ষ)
২ য় স্থান ঃ ৰফিকুল ইছলাম (স্নাতক তৃতীয় বৰ্ষ)
৩ য় স্থান ঃ হুছেইন আলী (উঃ মাঃ ২ য় বৰ্ষ)

কুইজ প্ৰতিযোগিতা (মহাঃ সপ্তাহ)
প্ৰথম স্থান পাপ্ত দল ঃ
মঃ ৰফিকুল ইছলাম (স্নাতক তৃতীয় বৰ্ষ)
মঃ মোবাৰক আলী (স্নাতক তৃতীয় বৰ্ষ)
মঃ আবিদুৰ ৰহমান (স্নাতক তৃতীয় বৰ্ষ)
দ্বিতীয় স্থান প্ৰাপ্ত দল ঃ
আলম শ্বাহ আহমেদ (স্নাতক ২ য় বৰ্ষ)
জিয়াউৰ ৰহমান (স্নাতক ২ য় বৰ্ষ)
ছাইফুল ইছলাম (স্নাতক ২ য় বৰ্ষ)

২৮।০৯।২০১০ তাৰিখে অনুষ্ঠিত তৰ্ক প্ৰতিযোগিতাৰ ফলাফল
প্ৰথম স্থান ঃ পিয়াৰুল ইছলাম (উঃ মাঃ প্ৰথম বৰ্ষ)
দ্বিতীয় স্থান ঃ মেহদী আলম ছিদ্দিক (স্নাতক ২ য় বৰ্ষ)
তৃতীয় স্থান ঃ হুছেইন আলী (স্নাতক প্ৰথম ১ ম বৰ্ষ)

মোৰ কাৰ্যকালৰ প্ৰতিটো খোঁজতে দিহা পৰামৰ্শ আৰু সহায়ৰ হাত আগবঢ়োৱা মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ নুৰুল ইছলাম ছাৰ, তৰ্ক বিভাগৰ তত্বাৱধায়ক জ্যোতিষ চহৰীয়া ছাৰ, ছাত্ৰ একতা সভাৰ কাৰ্যকৰী সভাপতি আব্দুৰ ৰহিম ছাৰ, ভূগোল বিভাগৰ মহিবুৰ ৰহমান ছাৰ, দৰ্শন বিভাগৰ জাকিৰ হুছেইন ছাৰলৈ মোৰ আন্তৰিক অভিনন্দন আৰু শ্ৰদ্ধা জ্ঞাপন কৰিলো।

লগতে মই আন্তৰিক অভিনন্দন ও ধন্যবাদ জনাব বিচাৰিছো মোৰ বন্ধুবৰ আলম শ্বাহ আহমেদ (প্ৰাক্তন খেল সম্পাদক ছাত্ৰ একতা সভা), ছাইফুল ইছলাম, আক্ৰাম হুছেইন, আব্দুল কালাম আজাদ, মোজাহিদ, ৰফিক, আমানুল, আজগৰ, ছহিদুল, ৰিজাউল হক, ৰফিকুল ইছলাম, খালিদা ইয়াছমিন, মঞ্জুৱাৰা, আখতাৰা আলম, ছাহিদা, নাছৰিন আখতাৰ, জেছমিন আৰু ছাত্ৰ একতা সভাৰ বিষয়ববীয়া সকলৰ লগতে মহাবিদ্যালয়ৰ সমূহ কৰ্মকৰ্তালৈ।

সদৌ শেষত তৰ্ক আৰু বক্তৃতা এই গুৰুত্বপূৰ্ণ বিভাগটিত সম্পাদকীয় দায়িত্ব আৰু কৰ্তব্য পালন কৰাত জ্ঞাত-অজ্ঞাত ভুল-ক্ৰটিৰ বাবে সকলো ছাত্ৰ-ছাত্ৰী আৰু কৰ্ম কৰ্তালৈ ক্ষমা প্ৰাৰ্থনা বিচাৰি মোৰ ক্ষুদ্ৰ প্ৰতিবেদনৰ ইতি ৰেখা অংকণ কৰিলো।

জয়তু খাৰুপেটীয়া মহাবিদ্যালয়
জয়তু ছাত্ৰ একতা সভা
জয় আই অসম

*- শ্ৰদ্ধা আৰু সেৱাৰে*
*মেহদী আলম ছিদ্দিক, সম্পাদক*







# ছাত্ৰ জিৰণি কোঠা সম্পাদকৰ প্ৰতিবেদন

জয় জয়তে পৰম কৰুণাময় তথা সৰ্বশক্তিমান সৃষ্টিকৰ্তাৰ ওচৰত কৃতজ্ঞতা জ্ঞাপন কৰি মোৰ শ্ৰদ্ধাৰ শিক্ষাগুৰুসকল তথা মোৰ বন্ধু-বান্ধৱীসকল আৰু যিসকল ছাত্ৰ-ছাত্ৰীয়ে মোক খাৰুপেটীয়া মহাবিদ্যালয়ৰ ছাত্ৰ জিৰণি কোঠা সম্পাদকৰ পদত নিৰ্বাচিত কৰিছিল, তেওঁলোকৰ ওচৰত কৃতজ্ঞতা জ্ঞাপন কৰি মই মোৰ ছাত্ৰ জিৰণী কোঠা সম্পাদকৰ বাৰ্ষিক প্ৰতিবেদনৰ পাতনি মেলিছো।

মই ছাত্ৰ-জিৰণি কোঠা সম্পাদকৰ কাৰ্যভাৰ গ্ৰহণ কৰাৰ কিছুদিন পাছত অৰ্থাৎ ০৮-১০-২০১০ তাৰিখে আৰম্ভ হয় মহাবিদ্যালয় সপ্তাহ। ইয়াৰ পিছত অনুষ্ঠিত হয় সৰস্বতী পূজা, নৱাগত আদৰণি সভা, ফাতিহা-ঈ-দোৱাজ দাহম। এই সকলো অনুষ্ঠানবোৰ সুচাৰুৰূপে পৰিচালনা কৰিবলৈ মই পূৰ্ণ সহায়-সহযোগিতা আগবঢ়াওঁ।

মই ছাত্ৰ জিৰণী কো!ঠা সম্পাদক হিচাপে নিৰ্বাচিত হোৱাৰ পিছতে নানা সমস্যাৰ সন্মুখীন হওঁ। আমাৰ খাৰুপেটীয়া মহাবিদ্যালয়ত চিৰস্থায়ী ছাত্ৰ জিৰণি কোঠা নাই বাবে আমি এই সমস্যাৰ পৰা হাত সাৰিব পৰা নাই। মহাবিদ্যালয়ত যি এটা ছাত্ৰ জিৰণি কোঠা আছে সেয়াও যথেষ্ট আহল-বহল নহয় আৰু ছাত্ৰ অনুপাতে পৰ্যাপ্ত নহয়।

মই কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিছত যদিও এটা ছাত্ৰ-জিৰণি কোঠা পাওঁ সেয়াও সাঁ-সঁজুলিৰে পূৰ্ণাঙ্গ নহয়। সেইবোৰ সমস্যা মই ক্ৰমান্বয়ে পূৰণ কৰিবলৈ চেষ্টা কৰিছিলো। মোৰ কাৰ্যকালত চাৰিখন আৰামী চকী, দুখন ডাঙৰ টেবুল, দুযোৰ ডেক্স-বেঞ্চ, এটা দেৱাল গড়ী, এটা ফিল্টাৰ, দুটা পানীজাগ, দুটা গিলাচ, এখন দাপোন ইত্যাদিবোৰৰ যোগান ধৰো। মোৰ কাৰ্যকালতে ছাত্ৰ জিৰণি কোঠাটো ৰং কৰা হয় আৰু বিদ্যুতৰ ব্যৱস্থা কৰা হয়, লগতে ছাত্ৰ জিৰণি কোঠাৰ শৌচাগাৰৰ মেৰামতী কৰা হয়। আমাৰ খাৰুপেটীয়া মহাবিদ্যালয়ত এতিয়াও ছাত্ৰ-জিৰণি কোঠাৰ সামগ্ৰীৰ অভাৱ আছে। তাৰে ভিতৰত এটা গডৰেজ, পানী যোগানৰ বাবে দমকল, ছাত্ৰৰ মনোৰঞ্জনৰ বাবে খেলৰ কিছুমান সামগ্ৰী ইত্যাদি।

সামৰণিত মোৰ বিভাগৰ কাৰ্যকালৰ সময়ত সহায় তথা সৎ পৰামৰ্শ আগবঢ়োৱা মাননীয় ভাৰপ্ৰাপ্ত অধ্যক্ষ মঃ নুৰুল ইছলাম ছাৰৰ লগতে ছাত্ৰ জিৰণি কোঠা বিভাগৰ তত্ত্বাৱধায়ক তথা হিন্দী বিভাগৰ মুৰব্বী প্ৰৱক্তা মাননীয় শিকদাৰ আনোৱাৰুল ইছলাম ছাৰক মোৰ কৃতজ্ঞতা ও অভিনন্দন জ্ঞাপন কৰি মোৰ কাৰ্যকালত হৈ যোৱা অনিচ্ছাকৃত ভুল-ক্ৰটিৰ বাবে মাৰ্জনা বিচাৰি আৰু খাৰুপেটীয়া মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতি কামনা কৰি মই মোৰ ক্ষুদ্ৰ প্ৰতিবেদনৰ সামৰণি মাৰিলো।

জয়তু খাৰুপেটীয়া মহাবিদ্যালয়
জয়তু ছাত্ৰ একতা সভা
জয় আই অসম।

*মতিউৰ ৰহমান*
*সম্পাদক, ছাত্ৰ জিৰণি কোঠা*



# ছাত্ৰী জিৰণি কোঠা বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন

জয় জয়তে পৰম কৰুণাময় ঈশ্বৰৰ নাম স্মৰণ কৰি মই ছাত্ৰী জিৰণি কোঠা সম্পাদিকাৰ প্ৰতিবেদন লিখনিৰ পাতনি মেলিলো।

প্ৰতিবেদনৰ আৰম্ভনিতে যিসকল জাতীয় বীৰে দেশৰ স্বাৰ্থৰ বাবে নিজৰ প্ৰাণ আহুতি দিলে লগতে যিসকল প্ৰয়াত আৰু জীৱিত ব্যক্তিয়ে এই ঐতিহ্যমণ্ডিত মহাবিদ্যালয় গঢ় দিলে সেইসকল মহান ব্যক্তিলৈ মোৰ শ্ৰদ্ধাৰ প্ৰণাম যাচিলোঁ।

খাৰুপেটীয়া ছাত্ৰ একতা সভাৰ নিৰ্বাচন হয় ২৪-০৯-২০০৯ তাৰিখে আৰু শপত গ্ৰহণ কৰো ০৮-১০-২০০৯ তাৰিখে। মই শপত গ্ৰহণ কৰাৰ পিছৰ পৰাই আমাৰ ছাত্ৰী জিৰণি কোঠাৰ তত্বাবধায়িকা অধ্যাপিকা মাননীয়া শ্ৰীমতী কণকলতা শইকীয়া বাইদেউৰ পৰা, ছাত্ৰ একতা সভাৰ সমূহ বিষয়-ববীয়াসকলৰ পৰা মহাবিদ্যালয়ৰ সমূহ প্ৰৱক্তাৰ লগতে সমূহ ছাত্ৰীৰ সু-পৰামৰ্শৰে কামত আগবাঢ়ো।

**মোৰ এবছৰীয়া কাৰ্য্যৰ বিৱৰণী ঃ**

মই ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকা হিচাপে কাৰ্য্যভাৰ গ্ৰহণ কৰিয়েই সাতদিনীয়া কাৰ্য্যসূচীৰে মহাবিদ্যালয় সপ্তাহ উদ্‌যাপন কৰা হয়। মহাবিদ্যালয় সপ্তাহ সুচাৰুৰূপে পৰিচালনা কৰাৰ পিছতেই আমি অনুষ্ঠিত কৰো সৰস্বতী পূজা, নৱাগত আদৰণি সভা, ফাতেহা-ই-দোৱাজ দহম আদি অনুষ্ঠান। এই অনুষ্ঠান সমূহত মোক পূৰ্ণ সহযোগিতা আগবঢ়ায় তাৰজিনা বেগম, ৰেজিনা, মমতাজ, কাবে, মুন্না, জেচমিন, চাবিনা, হাফিজুৰ, বুলবুল, ফাৰুক, আচমিনাৰা, আৰু অতি শ্ৰদ্ধাৰ দাদা মঃ হাকিম আলীয়ে। মই মোৰ কাৰ্য্যকালত ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকা হিচাপে নিৰ্বাচিত হোৱাৰ পিছতেই বহুতো সমস্যাৰ সন্মুখীন হবলগা হয়। আমাৰ মহাবিদ্যালয়ত যিটো ছাত্ৰী জিৰণি কোঠা আছে ছাত্ৰী অনুপাতে যথেষ্ট সৰু। ছাত্ৰী জিৰণি কোঠাটোত ছাত্ৰীসকলৰ প্ৰয়োজনীয় সা-সজুলিৰ অভাৱ অনুভৱ কৰিছিলো। তাৰ পিছতেই মই পৰ্য্যয়ক্ৰমে সেই সমস্যাবোৰ সমাধান কৰিবলৈ যত্ন কৰিছিলো। মোৰ কাৰ্য্যকালত কেৰম, ডবা, লুডু, বিশেষ প্ৰয়োজনীয় দমকল আৰু বহুতো সৰু-সুৰা অভাৱ পূৰণ কৰিছো। মোৰ কাৰ্য্যকালত যিবিলাক অভাৱ পূৰণ কৰিব পৰা নাই, আশা কৰিছো পৰৱৰ্ত্তী কাৰ্য্যকালত সেইবিলাক অভাৱ পূৰণ হব।

সদৌ শেষত খাৰুপেটীয়া মহাবিদ্যালয় প্ৰতিষ্ঠা কৰা মহান ব্যক্তিসকল, প্ৰৱক্তাবৃন্দ, ছাত্ৰ-ছাত্ৰী, দাদা-বাইদেউ, বন্ধু-বান্ধৱী আৰু সমূহ কৰ্মচাৰীলৈ শ্ৰদ্ধা ও অভিনন্দন যাঁচিলো। লগতে মোৰ কাৰ্য্যকালত অজানিতে হৈ যোৱা ভুল-ত্ৰুটিৰ বাবে ক্ষমা বিচাৰি মহাবিদ্যালয়ৰ সৰ্ব্বাংগীন উন্নতি কামনা কৰি মই মোৰ ক্ষুদ্ৰ প্ৰতিবেদনৰ সামৰণি মাৰিলো।

'জয়তু খাৰুপেটীয়া মহাবিদ্যালয়
জয়তু ছাত্ৰ একতা সভা
জয় আই অসম'।

*মাছুমা খাতুন*
*সম্পাদিকা, ছাত্ৰী জিৰণি কোঠা*





# মহাবিদ্যালয়ৰ শিক্ষক কৰ্মচাৰীসকলৰ তালিকা

**অধ্যক্ষ (ভাৰপ্ৰাপ্ত) ঃ**
শ্ৰীদীপক কলিতা, এম.এ.

**ইংৰাজী বিভাগ ঃ**
মঃ আব্দুৰ ৰহিম, এম. এ., বি. এড. (প্ৰবক্তা)
মঃ আব্দুল আওৱাল, এম.এ. (ডাবল), বি.এড., এল.এল.বি., এম.ফিল. (সহকাৰী অধ্যাপক)
মিছে মালা চক্ৰৱৰ্তী, এম.এ., বি.এড., এম.ফিল (প্ৰবক্তা)
মঃ ৰুকনউদ্দিন আহমেদ, এম. এ., এল. এল. বি., এম. ফিল. (প্ৰবক্তা), [(অমঞ্জুৰিকৃত) ছুটিত]

**অসমীয়া বিভাগ ঃ**
মিছে কনকলতা শইকীয়া, এম. এ., এম. ফিল. (মুৰব্বী অধ্যাপিকা)
ড০ আছমান আৰা বেগম, এম. এ., পি. এইচ. ডি. (সহকাৰী অধ্যাপিকা)
মঃ নাজিৰ হুছেইন সৰকাৰ, এম. এ. (প্ৰবক্তা)
মিছে মিচিৰা পাৰবিন, এম. এ. (প্ৰবক্তা) (অমঞ্জুৰিকৃত)

**ৰাজনীতি বিজ্ঞান বিভাগ ঃ**
মঃ নুৰুল ইছলাম, এম. এ., বি. এড., এম. ফিল. (মুৰব্বী অধ্যাপক)
শ্ৰীৰূপজ্যোতি প্ৰসাদ দত্ত, এম. এ. এল. এল. বি., (সহকাৰী অধ্যাপক)
মঃ হবিবুৰ ৰহমান, এম. এ. (প্ৰবক্তা)
মঃ আব্দুল ৱাহিদ, এম. এ., এম. এম. (প্ৰবক্তা) (অমঞ্জুৰিকৃত)

**অৰ্থনীতি বিভাগ ঃ**
শ্ৰীদীপক কলিতা, এম., এ. (মুৰব্বী অধ্যাপক)
শ্ৰীমৌচুমী সাহা কলিতা, এম. এ., এল. এল. বি. (সহকাৰী অধ্যাপিকা)
মঃ মিজানুৰ ৰহমান, এম. এ. (প্ৰবক্তা)

**বুৰঞ্জী বিভাগ ঃ**
মঃ আব্দুল কৰিম, এম. এ., বি. এড., এম. ফিল. (মুৰব্বী অধ্যাপক)
মঃ জালালউদ্দিন আহমেদ, এম. এ. (সহকাৰী অধ্যাপক)
মঃ আব্দুল হান্নান, এম. এ. (সহকাৰী অধ্যাপক)

**শিক্ষা বিভাগ ঃ**
মঃ আবুল বাসাৰ আহমেদ, এম. এ. (মুৰব্বী অধ্যাপক)
মিছে জাহিদা চুলতানা, এম. এ., বি. এড. (সহকাৰী অধ্যাপিকা)

মঃ আমজাদ হুছেইন মজুমদাৰ, এম. এ., বি. এড., এম. ফিল. (সহকাৰী অধ্যাপক)

মঃ লুতফুৰ ৰহমান, এম. এ., বি. এড., এম. ফিল. (প্ৰবক্তা) [(অমঞ্জুৰিকৃত) ছুটিত]

**আৰবী বিভাগ ঃ**

মঃ নুৰ জামান, এম. এ., বি. এড., (মুৰব্বী অধ্যাপক)

মঃ জাকিৰ হুছেইন আহমেদ, এম. এ. (সহকাৰী অধ্যাপক)

মঃ ইমৰান আলী, এম. এ. (সহকাৰী অধ্যাপক)

মঃ জাবেৰ আহমেদ, এম. এ., এম. এম. (প্ৰবক্তা) (অমঞ্জুৰিকৃত)

**গণিত বিভাগ ঃ**

মঃ আব্দুৰ ৰহমান, এম. এচ. চি. (মুৰব্বী অধ্যাপক)

মঃ আফজল হুচেইন, এম. এচ. চি. (প্ৰবক্তা) [(অমঞ্জুৰিকৃত) ছুটিত]

**সংস্কৃত বিভাগ ঃ**

ড০ পৰিমল কুমাৰ দত্ত, এম. এ. (ডাবল), এম. এড., পি. এইচ. ডি. (মুৰব্বী অধ্যাপক)

মিছেচ অপৰাজিতা দেৱী, এম. এ., বি. এড. (সহকাৰী অধ্যাপিকা)

**দৰ্শন বিভাগ ঃ**

শ্ৰীজ্যোতিষ চহৰীয়া, এম. এ. (মুৰব্বী অধ্যাপক)

মিছেচ প্ৰণতি দত্ত, এম. এ. (সহকাৰী অধ্যাপিকা)

মঃ জাকিৰ হুছেইন চৌধুৰী, এম.এ., বি.এড., এল.এল.বি., এম.ফিল (প্ৰবক্তা) (অমঞ্জুৰিকৃত)

**হিন্দী বিভাগ ঃ**

মঃ শিকদাৰ আনোৱাৰুল ইছলাম, এম. এ. (মুৰব্বী অধ্যাপক)

মঃ আব্দুল মতিন, এম. এ. (প্ৰবক্তা)

মোস্তাফা নুৰুজ জামান, এম. এ., প্ৰবীণ (প্ৰবক্তা) (অমঞ্জুৰিকৃত)

**ভূগোল বিভাগ ঃ**

শ্ৰীভূপেন্দ্ৰ নাথ বৰা, এম. এ. (মুৰব্বী অধ্যাপক)

ড০ কালি দাস শৰ্মা, এম. এ., পি. এইচ. ডি. (প্ৰবক্তা) (অমঞ্জুৰিকৃত)

**বাণিজ্য বিভাগ ঃ**

মঃ আব্দুল আজিজ, এম. কম. (বেংকিং) (প্ৰবক্তা) (অমঞ্জুৰিকৃত)

মঃ মোস্তাফা কামাল, এম. কম. (মেনেজমেন্ট) (অমঞ্জুৰিকৃত) (প্ৰবক্তা)

মঃ ফৰিদ মাছুদ আহমেদ, এম. কম. (একাউন্টেনচি) (অমঞ্জুৰিকৃত) (প্ৰবক্তা)

চহিদুল ইছলাম তালুকদাৰ, এম. কম. (বেংকিং) (অমঞ্জুৰিকৃত) (প্ৰবক্তা)

মঃ আবু বক্কৰ ছিদ্দিক, এম.কম. (একাউন্টেনচি) (অমঞ্জুৰিকৃত) (প্ৰবক্তা)





মঃ নাছিৰুল হক, এম.কম. (বেংকিং) (অমঞ্জুৰিকৃত) (প্ৰবক্তা)

মঃ আজিমুল হক, এম. এ., শ্লেট (অৰ্থনীতি) (অমঞ্জুৰিকৃত) (প্ৰবক্তা)

মিছেছ ধনশ্ৰী শৰ্মা, এম. এ., নেট (অসমীয়া) (অমঞ্জুৰিকৃত) (প্ৰবক্তা)

মঃ নুৰুল আমিন, এম.এছ.চি. বি.এড. (অংক) (অমঞ্জুৰিকৃত) (প্ৰবক্তা) (ছুটিত)

হেমেন সাহা, এম.এ., বি.এড. (অৰ্থনীতি) (অমঞ্জুৰিকৃত) (প্ৰবক্তা)

**গ্ৰন্থাগাৰ বিভাগ ঃ**

শ্ৰীজীবেন্দ্ৰ মোহন দেৱ শৰ্মা, এম. এ., বি. লিব. (জেষ্ঠ্য গ্ৰন্থাগাৰিক)

মঃ শ্বাহ আলম (গ্ৰন্থাগাৰ সহায়ক) (অমঞ্জুৰিকৃত)

মঃ আবু তালেব (গ্ৰন্থাগাৰ বাহক)

**অধ্যক্ষৰ কাৰ্য্যালয়ৰ কৰ্মচাৰীসকল ঃ**

খন্দকাৰ দিলোৱাৰ হুছেইন, বি. এ. (উচ্চ বৰ্গৰ সহায়ক)

মঃ আবু বক্কৰ ছিদ্দিক, বি. এ. (উচ্চ বৰ্গৰ সহায়ক)

মঃ ইছলামুদ্দিন আহমেদ, বি. এ., (নিম্ন বৰ্গৰ সহায়ক)

মঃ শ্বহিদ আলি, বি. এ. (নিম্ন বৰ্গৰ সহায়ক)

মঃ বাহেদ্দ জামান, বি. এ. (নিম্ন বৰ্গৰ সহায়ক)

মঃ ছোবহাব আলি, উচ্চতৰ মাধ্যমিক (নিম্ন বৰ্গৰ সহায়ক) (অমঞ্জুৰিকৃত)

মঃ ছফিকুল ইছলাম, বি. এ. (নিম্ন বৰ্গৰ সহায়ক) (অমঞ্জুৰিকৃত)

মঃ মিজানুৰ ৰহমান, উচ্চতৰ মাধ্যমিক (নিম্ন বৰ্গৰ সহায়ক) (অমঞ্জুৰিকৃত)

মঃ ছহিদ উল্লাহ, বি. এ. (নিম্ন বৰ্গৰ সহায়ক) (অমঞ্জুৰিকৃত)

মঃ ছামিজুৰ ৰহমান (চতুৰ্থ বৰ্গৰ কৰ্মচাৰী)

মঃ লাল মিঞা (চতুৰ্থ বৰ্গৰ কৰ্মচাৰী)

আব্দুচ ছামাদ খন্দকাৰ (গৱেষণাগাৰ বাহক)

মঃ কিনাল আলি (চতুৰ্থ বৰ্গৰ কৰ্মচাৰী)

মঃ অবিৰ আলি (চতুৰ্থ বৰ্গৰ কৰ্মচাৰী) (অমঞ্জুৰিকৃত)

শ্ৰীমতী বিন্দীয়া বাজপেয়ী (ঝাডুৱালা) (অমঞ্জুৰিকৃত)

# ছাত্ৰ একতা সভা ২০০৯-১০

| | | |
|---|---|---|
| উপ সভাপতি | ঃ | মহঃ বাহাৰুল আমিন |
| সাধাৰণ সম্পাদক | ঃ | মহঃ মোজাম্মিল হক |
| সহ-সাধাৰণ সম্পাদক | ঃ | মহঃ আব্দুল কায়ুম |
| খেল সম্পাদক (বহিঃ বিভাগ) | ঃ | মহঃ ওচমান গণি |
| খেল সম্পাদক (অন্তঃ বিভাগ) | ঃ | মহঃ আখতাৰ হুছেইন |
| আলোচনী সম্পাদক | ঃ | মহঃ ৰফিকুল ইছলাম খান |
| সমাজ সেৱা সম্পাদক | ঃ | মহঃ আবুল ফাৰাক |
| সাংস্কৃতিক সম্পাদক | ঃ | মহঃ ওমৰ ফাৰুক |
| তৰ্ক আৰু বক্তৃতা সম্পাদক | ঃ | মহঃ মেহ্‌দি আলম চিদ্দিকি |
| ছাত্ৰ জিৰণি কোঠাৰ সম্পাদক | ঃ | মহঃ মতিউৰ ৰহমান |
| ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকা | ঃ | মিছ মাচুমা খাতুন |

*ইং ২০০৯-১০ শিক্ষা বৰ্ষৰ মহাবিদ্যালয় আলোচনীখন তাৎক্ষণিকভাৱে প্ৰকাশ কৰিবলৈ লোৱা প্ৰচেষ্টাত নানা বাধা বিপৰ্যয়ৰ লগতে সময়ৰ নাটনি আমি প্ৰধানকৈ অনুভৱ কৰিছো। তাতে আকৌ প্ৰকাশৰ বাবে ছাত্ৰ-ছাত্ৰীয়ে আমাক জমা দিয়া বিভিন্ন লিখনি মহাবিদ্যালয়ৰ অগ্নিকাণ্ডত পুৰি ছাই হ'ল। প্ৰকাশৰ বাবে লিখনি বিচাৰি পুনৰ কেইবাবাৰো জাননী দিয়া হ'ল। অৱশেষত যিখিনি প্ৰকাশৰ বাবে বিবেচিত হ'ল তাকেই ঐকান্তিকতাৰে পাঠকৰ হাতত তুলি দিলোঁ।*

*আমাৰ অজ্ঞাতে থাকি যোৱা ছপাৰ ভুল, কিবা গুৰুত্বপূৰ্ণ তথ্য, ব্যক্তিবিশেষৰ নাম আদিৰ ক্ষেত্ৰত আমি সহৃদয় পাঠকৰ ওচৰত নতশীৰে মাৰ্জনা বিচাৰিলোঁ।*

*- সম্পাদনা সমিতি*
*খাৰুপেটীয়া মহাবিদ্যালয় আলোচনী*